# লেকচাৰ লুধিয়ানা

লিখক

হজৰত মির্জা গোলাম আহমদ
প্ৰতিশ্ৰুত মছীহ ও মাহদী (আঃ)

# লেকচাৰ লুধিয়ানা

অনুবাদক
**ৰেজিয়া খাতুন B.Sc**

| | |
|---|---|
| নাম কিতাপ | লেকচাৰ লুধিয়ানা |
| অনুবাদক | ৰেজিয়া খাতুন **B.Sc** |
| মূল কিতাপ | লেকচাৰ লুধিয়ানা |
| লিখক | হজৰত মির্জা গোলাম আহমদ কাদিয়ানী (আঃ) |
| প্ৰথম প্ৰকাশ | ২০২১, ১০০০ কপি |
| প্ৰকাশক | নজাৰত নশ্বৰ ও ইশ্বায়ত কাদিয়ান |
| মূদ্ৰণে | ফজলে ওমৰ প্ৰিণ্টিং প্ৰেছ কাদিয়ান<br>জিলা গুৰদাছপুৰ,১৪৩৫১৬,পঞ্জাৱ |

| | |
|---|---|
| Name Book | Lecture Ludhiana |
| Translated by | Rejia Khatun B.Sc |
| Original Book | Lecture Ludhina |
| Author | Hazrat Mirza Ghulam Ahmed Qadiani |
| First Published | 2021, 1000 Copies |
| Published by | Nazarat Nashor-o-Ishaat Qadian |
| Printed at | Fazle Umar Printing Press<br>Qadian,Dist: Gurdaspur 143516 (Punjab) |

# প্ৰকাশকৰ কথা

হজৰত মছীহ্ মাওউদ (আঃ)ৰ লিখিত লেকচাৰ লুধিয়ানা কিতাপখন অসমীয়ালৈ অনুবাদ আৰু কমপোজিং কৰিছে মাননীয়া ৰেজিয়া খাতুন **B.Sc** য়ে,আৰু **Review** কৰিছে মাননীয় আমান আলী চাহাব মুবাল্লিগ ছিলছিলা (সভাপতি **Review** কমিটি অসম) মাননীয় মজিবৰ ৰহমান চাহাব মুবাল্লিগ ছিলছিলা (ইনচাৰ্জ অসমীয়া ডেস্ক),মাননীয় নাজিমুদ্দিন মোল্লা চাহাব মুবাল্লিগ ছিলছিলা। মাননীয় ৰহিম বাদশ্বা চাহাব মুবাল্লিগ ছিলছিলা।মাননীয় শ্বাহজাহান আলী চাহাব মুৱাল্লিম ছিলছিলা।মাননীয় হুছেইন মহম্মদ আজিজ চাহাব (জিলাই আমিৰ গোৱালপাৰা) **Review** হোৱাৰ পিছত মাননীয় মজিবৰ ৰহমান চাহাবে চালি-জাৰি চাই অত্যাৱশ্যকীয় শুধৰণী কৰিছে। আল্লাহ তা'লা কিতাপখন প্ৰস্তুত কৰি উলিওৱাতে সহায় সহযোগীতা আগবঢ়োৱা সকলক উত্তম পুৰস্কাৰেৰে পুৰস্কৃত কৰক। আমিন-

**নাজিৰ নশ্বৰ ও ইশ্বায়ত কাদিয়ান**

# হজৰত মির্জা গোলাম আহমদ কাদিয়ানী (আঃ)

হজৰত মির্জা গোলাম আহমদ কাদিয়ানী মছীহ ও মাহদী মাওউদ (আঃ) ১৮৩৫ চনত ভাৰতবৰ্ষৰ এখন গাওঁ কাদিয়ানত জন্ম গ্ৰহণ কৰে। সৰুকালৰে পৰা তেখেত (আঃ) উপাসনাত মগ্ন থাকিছে।কোৰাণ মজিদ আৰু অন্যান্য কিতাপসমূহ অধ্যায়ন কৰাত মগ্ন থাকিছে। ইছলাম সেই সময়ত চাৰিওফালৰ পৰা আক্ৰামাত্মাক অৱস্থাত আছিল। ইছলামৰ সেই পৰিস্থিতি চাই তেখেত বৰ দুঃখ প্ৰকাশ কৰিছিল। ইছলামৰ ওপৰত কৰা আক্ৰমণ দূৰ কৰিবলৈ আৰু ইছলামৰ শিক্ষা পৃথিৱীৰ বুকুত বিস্তাৰ কৰিবলৈ তেখেত (আঃ) য়ে ৯০ খনৰো অধিক পুস্তক ৰচনা কৰিছে আৰু হাজাৰ হাজাৰ চিঠি-পত্ৰিকা লিখিছে,আৰু বহু ধৰ্মীয় (যুক্তিসঙ্গত) তৰ্ক-বিতৰ্ক কৰিছে। তেখেত (আঃ)য়ে কৈছে যে ইছলাম সেই জীৱিত ধৰ্ম যি মানৱ-জাতিৰ নিজৰ সত্তা স্ৰষ্টাৰ সৈতে সম্পৰ্ক গঢ়ি তুলাব পাৰে,যাৰ অনুসৰণ কৰি মানৱ চৰিত্ৰ আৰু আধ্যাত্মিক মৰ্যাদা উন্নীত কৰিব পাৰে।

কম বয়সতে তেখেতে দিব্য দৰ্শন কথোপকথনৰ মৰ্যাদা লাভ কৰিছে। ১৮৮৯ চনত তেখেত (আঃ)য়ে বয়াতৰ শৃঙ্খলা আৰম্ভণী কৰে আৰু এক পৱিত্ৰ জমাতৰ বুনিয়াদ ৰাখে। শৃঙ্খলাবদ্ধতা কথোপকথনত প্ৰত্যেক দিন উন্নতি লাভ কৰিছে,আৰু তেখেত (আঃ)য়ে আল্লাহৰ আদেশানুযায়ী ঘোষণা কৰে যে তেখেত শেষ যুগৰ মুচলেহ (সংস্কাৰক)হয় যাৰ ভৱিষ্যতবাণী বিভিন্ন ধৰ্মত বিভিন্ন নামেৰে নামাকৰণ আছিল। তেখেত (আঃ)য়ে এয়াও দাবী কৰিছে যে তেখেত সেই মছীহ ও মাহদী হয় যাৰ অহাৰ ভৱিষ্যতবাণী আঁহজৰত (ছাঃ)য়ে কৰি গৈছিল। আহমদীয়া মুছলিম জমাত বৰ্তমান ২১২ ৰো অধিক ৰাষ্ট্ৰত বিস্তাৰ লাভ কৰিছে।

১৯০৮ চনত তেখেত (আঃ)ৰ মৃত্যুৰ পিছত কোৰাণ মজিদ আৰু

আঁহজৰত (ছাঃ)ৰ ভৱিষ্যতবাণী অনুযায়ী তেখেত (আঃ)ৰ মিচন পৰিপূৰ্ণ হোৱাৰ বাবে খলিফাৰ ব্যৱস্থাপনা প্ৰতিষ্ঠিত হয়। বৰ্তমান বিশ্বৰ ইমাম হজৰত মিৰ্জা মছৰুৰ আহমদ চাহাব আহমদীয়া মুছলিম জমাতৰ পঞ্চম খলিফা হয়।

**বিছমিল্লাহিৰ ৰহমানিৰ ৰাহিম**
**নাহমাদুহু ওৰা নুছাল্লী আলা ৰাছুলিহিল কৰিম**

# লেকচাৰ লুধিয়ানা

**হুজুৰ (আঃ)য়ে ৪ নৱেম্বৰ ১৯০৫ খ্ৰীঃব্দত হাজাৰ হাজাৰ মানুহৰ উপস্থিতিত ভাষণ প্ৰদান কৰিছিল।**

পোনপ্ৰথমে মই আল্লাহ তা'লাৰ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ যিয়ে মোক পুনৰাই এই চহৰত তবলীগ কৰিবলৈ সুযোগ প্ৰদান কৰিছে। মই এই চহৰত চৈধ্য বছৰ পিছত আহিছোঁ। এই চহৰৰ পৰা মই এনেকুৰা সময়ত গুচি গৈছিলো যি সময়ত মোৰ লগত নগন্য সংখ্যক লোক আছিল। সেই সময়ত মিথ্যাবাদী, কাফিৰ আৰু দাজ্জাল সাব্যস্ত কৰাৰ প্ৰৱণতা খুবই প্ৰবল আছিল। মই মানুহৰ দৃষ্টিত পৰিত্যক্ত আৰু লাঞ্ছিত সদৃশ ব্যক্তি আছিলো। সেই সকল লোকৰ মাজত এই ধাৰণা আছিল যে, খন্তেকীয়া এই জামাত পৰিত্যক্ত আৰু ছিন্নভিন্ন হৈ যাব, আৰু ইয়াৰ নাম চিহ্ন নাথাকিব। অৰ্থাৎ এই উদ্দেশ্যে বৃহৎ পৰিকল্পনা আৰু প্ৰচেষ্টা চলোৱা হয়। মোক আৰু মোৰ জামাতৰ বিৰুদ্ধে এক জঘন্য ষড়যন্ত্ৰ কৰে, কুফৰী ফতোৱা লিখে, সেই ফতোৱা সমগ্ৰ ভাৰতবৰ্ষত বিস্তাৰিত কৰে। মই বৰ পৰিতাপেৰে জনাওঁ যে, এই চহৰৰ কতিপয় মৌলবীয়ে মোৰ ওপৰত পোনপ্ৰথম কুফৰী ফতোৱা দিছিল। অথচ মই দেখিছোঁ আৰু আপোনালোকেও দেখিছে যে, মোক কাফিৰ সাব্যস্তকাৰী ব্যক্তিসকল জীয়াই থকা নাই; অথচ খোদা তা'লা এতিয়াও মোক জীৱিত ৰাখিছে আৰু মোৰ এই জামাতক বৃদ্ধি কৰিছে। মোৰ বিৰুদ্ধে পুনৰায় যি কুফৰী ফতোৱা দিয়া হৈছে, মোৰ বিশ্বাস সেই বিষয়ে ভাৰতবৰ্ষৰ বৃহৎ চহৰত চৰ্চা হৈ আছে। এনেতে প্ৰায় দু-শ মৌলবীৰ (ধৰ্মীয় নেতাৰ) সাক্ষ্য আৰু মোহৰ লোৱা হৈছিল। তাতে প্ৰকাশ কৰা হৈছিল যে, এই ব্যক্তি বেইমান (বিশ্বাসঘাতক), অস্বীকাৰকাৰী,মিছা ৰটনাকাৰী, কাফিৰ আৰু আকফাৰ (সকলোতকৈ ডাঙৰ কাফিৰ)। সেয়ে যাৰ পক্ষত যিমান সম্ভৱ হৈছে মোৰ বিৰুদ্ধে কৈছে। সেই সকল লোকে মনত নিশ্চিত ধাৰণা কৰি লৈছিল যে, এই অস্ত্ৰটোৱে জামাতক ধ্বংস কৰাৰ কাৰণে যথেষ্ট। প্ৰকৃতপক্ষে এই জমাত যদি মানুহৰ পৰিকল্পিত তথা নিজে বনোৱা হ'লহেঁতেন তেন্তে ইয়াক

ধ্বংস কৰাৰ কাৰণে এই ফতোৱাৰ অস্ত্ৰই অত্যন্ত প্ৰবল হ'লহেঁতেন; কিন্তু এই জামাত আল্লাহ্ তা'লাই প্ৰতিষ্ঠা কৰিছে। গতিকে সেইটো কেনেকৈ বিৰুদ্ধবাদীসকলৰ বিৰোধীতা আৰু শত্ৰুতাই নিঃশেষ কৰিব পাৰে। বিৰোধীতা যিমানেই তীব্ৰ ৰূপ ধাৰণ কৰিছিল সিমানেই এই জামাতৰ সন্মান আৰু শ্ৰেষ্ঠতা সকলোৰে হৃদয়ৰ গভীৰতাত গঠিত হৈছিল। আজি মই আল্লাহ্ তা'লাৰ কৃতজ্ঞতা এই কাৰণে জ্ঞাপন কৰিছোঁ যে, এনেকুৱা এক সময় আছিল যি সময়ত এই চহৰত আহি ঘূৰি গৈছিলো তেতিয়া নগন্য সংখ্যক লোক মোৰ লগত আছিল আৰু মোৰ এই জামাতৰ সদস্যৰ সংখ্যা খুবেই কম আছিল। আৰু এতিয়া এনেকুৱা সময় আহিছে যে, এক বৃহৎ জামাত মোৰ লগত আছে, যি আপোনালোকে প্ৰত্যক্ষ কৰিছে। জামাতৰ সদস্যৰ সংখ্যা তিনি লাখলৈকে বৃদ্ধি পাইছে। এই সংখ্যা দিনক দিনে বাঢ়ি গৈয়ে আছে আৰু এইটো নিশ্চিত যে ইয়াৰ বৃদ্ধি ক্ৰমাগত বাঢ়ি কৌটিলৈ গৈ পাব।

সেয়েহে এই মহা বিপ্লৱক প্ৰত্যক্ষ কৰা, এইটো কি মানুহৰ কৰ্ম হ'ব পাৰেনে ? পৃথিৱীৰ মানুহে এই জামাতৰ নাম আৰু চিহ্ন মুছি পেলাব খুজিছিল। সিহঁতে সিদ্ধি কৰিব পৰা হলে কেতিয়াই এই জামাতক নিশ্চিহ্ন কৰি দিলে হয়। কিন্তু এইটো আল্লাহ্ তা'লাৰ কাৰ্য্য। তেওঁ যি বিষয়সমূহৰ ইচ্ছা পোষণ কৰে পৃথিৱী সেইসমূহৰ প্ৰতিহত (বাধাপ্ৰাপ্ত) কৰিব নোৱাৰে। পৃথিৱীৰ মানুহ যিবিলাক পৰিকল্পনা কৰে খোদা তা'লা যদি সেয়া নুখুজে তেন্তে সেইবোৰ কেতিয়াও সংঘঠিত হ'ব নোৱাৰে। মোৰ বিষয়ে চিন্তা কৰা সকলো আলিম, পীৰজাদা আৰু গদ্দীনশ্বীন মোৰ বিৰোধী হৈ গ'ল আৰু অন্যান্য ধৰ্মাৱলম্বীসকলকও মোৰ বিৰোধী সকলৰ লগত লয়। ইয়াৰ পিছত মোৰ বিৰুদ্ধে মুছলমানসকলক বিভ্ৰান্ত কৰাৰ কাৰণে কুফৰী ফতোৱা দিয়াৰ সৰ্বপ্ৰকাৰ চেষ্টা কৰিলে। ইয়াৰ পিছত যেতিয়া এই পৰিকল্পনা সফল নহ'ল তেতিয়া মোৰ বিৰুদ্ধে মোকৰ্দমা (গোচৰ) আৰম্ভ কৰি দিয়ে। মোক হত্যা বিবাদত জড়িত কৰি দিয়ে আৰু সৰ্বপ্ৰকাৰ চেষ্টা চলায় যাতে মই শাস্তি পাওঁ। এজন পাদুৰীৰ হত্যাৰ অভিযোগ মোৰ ওপৰত আৰোপ কৰা হয়। এই গোচৰত মৌলবী মহম্মদ হুছেইনও মোৰ বিৰুদ্ধে যথেষ্ট চেষ্টা চলায় আৰু নিজে সাক্ষী দিয়াৰ কাৰণে আহে। তেওঁ ইচ্ছা কৰিছিল মই যাতে আটক হওঁ আৰু মোৰ যাতে শাস্তি হয়। মৌলবী মহম্মদ হুছেইনৰ এই চেষ্টা প্ৰকাশ কৰা যি দলিল-প্ৰমাণত অসমৰ্থ। এইটো নিয়মৰ

কথা শত্ৰু যেতিয়া দলিল-প্ৰমাণত অসমৰ্থ হয়, যুক্তিৰ দ্বাৰা দোষী সাব্যস্ত কৰিব নোৱাৰে তেতিয়া তেওঁ কষ্ট দিয়া আৰু হত্যা কৰাৰ পৰিকল্পনা কৰে, দেশৰ পৰা বিতাৰিত কৰাৰ চেষ্টা কৰে আৰু তাৰ বিৰুদ্ধে বিভিন্ন প্ৰকাৰৰ চক্ৰান্তমূলক পৰিকল্পনা গ্ৰহণ কৰে। আঁ-হজৰত (ছাঃ)ৰ বিৰুদ্ধে কাফেৰসকলে যেতিয়া সকলো প্ৰকাৰৰ চেষ্টাত বিফল হৈছিল তেতিয়া সিহঁতে অৱশেষত এই ধৰণৰ অপকৌশল অৱলম্বন কৰিছিল। সিহঁতে তেখেত (ছাঃ)ক হত্যা, বন্দী, দেশৰ পৰা বিতাৰিত কৰাৰ ষড়যন্ত্ৰ কৰে। সিহঁতে আঁ-হজৰত (ছাঃ)ৰ চাহাবীসকলকও বহু কষ্ট দিছিল। কিন্তু শেষ পৰ্যায়ত বিৰুদ্ধবাদীসকলে নিজৰ উদ্দেশ্য আৰু পৰিকল্পনা বাস্তৱায়নত ব্যৰ্থ আৰু অকৃতকাৰ্য হৈছিল। এতিয়া মোৰ লগতো সেই নিয়ম আৰু পদ্ধতি প্ৰয়োগ কৰা হৈছে। কিন্তু এই পৃথিৱীৰ সৃষ্টি কৰ্তা **ৰব্বুল আলামীন** (সমগ্ৰ বিশ্বৰ প্ৰভু-প্ৰতিপালক)ৰ বাহিৰে আন কোনো (শক্তিধৰ) সত্তা নাই। তেওঁৱেই সেই সত্তা যিজনে সত্য আৰু মিথ্যাৰ মাজত পাৰ্থক্য কৰে আৰু পৰিণামত সত্যক সাহায্য কৰি বিজয়ী কৰি দেখুৱায়। বৰ্তমান আল্লাহ তা'লাই আকৌ তেওঁৰ কুদৰতৰ দৃষ্টান্ত প্ৰকাশ কৰিছে আৰু মই তেওঁৰ সাহায্যৰ এক উজ্জ্বল দৃষ্টান্ত। এই সময়ত তোমালোক সকলোৱেই দেখিছা যে, মই সেই ব্যক্তি যাক জাতিয়ে প্ৰত্যাখ্যান কৰিছিল অথচ মই গৃহীতসকলৰ দৰে থিয় দি আছো। তোমালোকে চিন্তা কৰা ! আজিৰ পৰা চৈধ্য বছৰ আগত মই যেতিয়া ইয়াতে আহিছিলোঁ তেতিয়া কোনে বিচাৰিছিল যে এজন ব্যক্তিও মোৰ সঙ্গী হওঁক ? আলিমসকল, ফিকাশাস্ত্ৰবিদ আৰু প্ৰত্যেক ধৰণৰ গণ্যমান্য সম্মানিত ব্যক্তিসকলে খুজিছিল মই যাতে ধ্বংস হৈ যাওঁ তথা মোৰ ছিলছিলাৰ অস্তিত্ব যেন সমাপ্ত ঘটে। সিহঁতে কেতিয়াও সহ্য কৰিব নোৱাৰিছিল যে, মই উন্নতি লাভ কৰো। কিন্তু সেই খোদা যিজনাই সকলো সময়তে নিজৰ বান্দাসকলক সহায় কৰে আৰু যিয়ে সত্যবাদীক বিজয়ী কৰি দেখুৱায়, সেইজনে মোক সহায় কৰিছিল। মোৰ বিৰুদ্ধবাদীসকলৰ আকাঙ্খা আৰু পৰিকল্পনাৰ সম্পূৰ্ণ বিপৰীত তেওঁ মোক সেই গ্ৰহণযোগ্যতা দান কৰিছে যাৰ ফলশ্ৰুতিত এক জনগোষ্ঠীক মোৰ ফালে আকৃষ্ট কৰি দিয়ে যিসকলে সেই বিৰোধীতা আৰু দুঃখ-কষ্টৰ আৱৰণ আৰু প্ৰতিবন্ধকতা ভেদ কৰি মোৰ ফালে আহে। এতিয়া চিন্তা কৰাৰ বিষয় হ'ল এয়া যে, এই কৃতকাৰ্যতা কোনো মানৱীয় ধ্যান-ধাৰণা আৰু পৰিকল্পনাৰ দ্বাৰা সম্ভৱ

নে ? য'ত পৃথোৱীৰ প্ৰভাৱশালী ব্যক্তিবৰ্গই এজন ব্যক্তিৰ ধ্বংসৰ প্ৰচেষ্টাত নিয়োজিত আৰু তাৰ বিৰুদ্ধে সকলো ধৰণৰ পৰিকল্পনা প্ৰণয়নত লিপ্ত আৰু তাৰ বিৰুদ্ধে ভয়ানক অগ্নি প্ৰজ্বলনত ব্যস্ত,সেই ক্ষেত্ৰত সকলো ধৰণৰ বিপদাৱলীৰ পৰা তেওঁ স্পষ্ট ভাৱে সহজতেই ওলাই আহিব এয়া অসম্ভৱ। এয়াই হ'ল খোদা তা'লাৰ কাম যি তেওঁ সকলো সময়তেই প্ৰদৰ্শন কৰি আহিছে।

ইয়াৰ পিছত এই বিষয়ে শক্তিশালী দলিল হ'ল, আজিৰ পৰা পঁচিশ বছৰ আগত যেতিয়া কোনেও মোৰ নাম জনা নাছিল আৰু কোনো ব্যক্তি কাদিয়ানত মোৰ ওচৰত অহা নাছিল অথবা চিঠি-পত্ৰৰ বিনিময় কৰা নাছিল, এনেকুৱা অজ্ঞাত আৰু অসহায়ৰ দিনত আল্লাহ তা'লা মোক সম্বোধন কৰি কৈছিল ঃ

**يـأ تون من كلّ فجٍ عميق. يأ تيک من کلّ فَجٍّ عميق. لا تصعّر لخلق اللّٰهِ و لا تسئم من النّاس. ربّ لا تذرنی فردًا و انت خير الوارثين.**

এইবোৰ সেই শক্তশালী ভৱিষ্যৎবাণী যি সেই দিনবোৰত হৈছিল, আৰু সেয়া মুদ্ৰণ (ছপোৱা কাৰ্য) কৰি বিতৰণ কৰা হৈছিল। প্ৰত্যেক জাতি ধৰ্মৰ ব্যক্তিসকলে সেইবোৰ পঢ়িছিল। সেই সময়ৰ পৰিস্থিতিত মই অপৰিচিত আছিলো, কোনেও মোক জনা নাছিল। খোদা তা'লা কৈছিল যে, তোমাৰ ওচৰত দূৰ-দূৰান্ত দেশসমূহৰ পৰা বহু সংখ্যক লোক আহিব। সিহঁতৰ আপ্যায়নৰ কাৰণে সৰ্বপ্ৰকাৰ সামগ্ৰী আৰু প্ৰয়োজনীয় উপকৰণও আহিব। কিয়নো এজন ব্যক্তি হাজাৰ হাজাৰ, লাখ লাখ মানুহৰ সকলো ধৰণৰ প্ৰয়োজনীয় ব্যৱস্থাৰ সৰবৰাহ কৰাৰ ক্ষমতা নাৰাখে আৰু ব্যয় ভাৰ বহন কৰাও তাৰ বাবে সম্ভৱ নহয়। এই কাৰণে (আল্লাহ) নিজেই কৈছিল,

**يأ تيک من کلّ فجٍّ عميق**

**অৰ্থ ঃ** সিহঁতৰ সামগ্ৰীও লগতে আহিব। ইয়াৰ বাহিৰে মানুহ লোকসকলৰ আধিক্যকে ভয় পায় আৰু বেয়া ব্যৱহাৰ কৰে। এই কাৰণে সিহঁতৰ লগত বেয়া ব্যৱহাৰ কৰাৰ পৰা বিৰত থাকিবলৈ কোৱা হৈছে। ইয়াৰ উপৰিও আল্লাহ তা'লা কৈছে যে, মানুহৰ আধিক্য চাই ক্লান্ত নহ'বা।

এতিয়া আপোনালোকে চিন্তা কৰক ! এইটো কি মানৱীয় শক্তিৰ মাধ্যম হ'ব পাৰে ? যি ২৫/৩০ বছৰৰ পূৰ্বৰ এটা ঘটনাৰ সংবাদ দিয়া ? আৰু সেয়াও এই বিষয়ে ? ইয়াৰ পিছত সেইভাৱেই হৈ যোৱা; মানুহৰ জীৱনৰ অস্তিত্বৰ এক মুহূৰ্তৰ ভৰসা নাই। আনকি ক'বও নোৱাৰে দ্বিতীয় নিঃশ্বাস পাব নে নাই। তদুপৰি এনেকুৱা সংবাদ দিয়াত কি ভাৱে তাৰ শক্তি আৰু ধাৰণা আহিব পাৰে ? মই সঁচা কৈছো যে, এইটো সেই সময় আছিল যেতিয়া মই অকলশৰীয়া আছিলো মানুহৰ সৈতে দেখা কৰিবলৈ মোৰ অনীহা আছিল। যিহেতু এনেকুৱা সময় অহাৰ কথা আছিল যেতিয়া লাখ লাখ মানুহ মোৰ ফালে আকৃষ্ট হ'ব, সেই কাৰণে এই উপদেশৰ প্ৰয়োজন আছিল,

**لا تصعّر لخلق اللّٰه و لا تسئم من النّاس**

ইয়াৰ পিছত সেই দিনবোৰত আল্লাহ তা'লাই কৈছে,

**انت منّی بمنزلة توحیدی. فحان ان تعان و تعرف بین الناس**

অৰ্থাৎ সেই সময় আহিছে যেতিয়া তোমাক সহায় কৰা হ'ব আৰু তুমি মানুহৰ মাজত পৰিচিত লাভ কৰিবা। অনুৰূপ ভাবে এই বিষয়-বস্তুক প্ৰকাশ কৰাৰ কাৰণে ফাৰ্চ্ছি আৰবী আৰু ইংৰাজীত এনেকুৱা বহু ইলহাম আছে।

এতিয়া সেইসকল লোকৰ বাবে চিন্তা-ভাৱনাৰ বিষয় যিসকলে খোদাৰ প্ৰতি ভয় ৰাখে,ইমান দীৰ্ঘ সময় অতিবাহিত হোৱাৰ আগতে এটা ভৱিষ্যদ্বাণী কৰা হৈছিল আৰু সেয়া কিতাপত প্ৰকাশিত হৈছে । বাৰাহীন আহমদীয়া এনেকুৱা এখন গ্ৰন্থ যি শত্ৰু-মিত্ৰ সকলোৱে পঢ়িছে আৰু ইয়াৰ কপি চৰকাৰৰ ওচৰলৈ প্ৰেৰণ কৰা হৈছে। খৃষ্টান আৰু হিন্দুসকলেও পঢ়িছিল। সিহঁতে চাই লওঁক যে, এই ভৱিষ্যৎবাণীবোৰ লিখা আছে নে নাই ? ইয়াৰ পিছত সেই সকল মৌলবী (যিসকলে কেৱল বিৰোধীতাৰ কাৰণে মোক দাজ্জাল আৰু কাযযাব (মিছলীয়া) কয় আৰু মোৰ কোনো ভৱিষ্যৎবাণী পূৰ্ণ হোৱা নাই বুলি কৈ থাকে) লজ্জিত হোৱা উচিত যে, এইটো যদি ভৱিষ্যৎবাণী হৈ নাথাকে তেনেহলে ভৱিষ্যৎবাণী কাক কোৱা হয় ? এইটো সেই কিতাপ যাৰ ৰিভিউ (পৰ্যালোচনা) মৌলবী আবু ছাঈদ মহম্মদ হুছেইন বাটালৱীয়ে লিখিছিল। যিহেতু সি মোৰ সহপাঠী আছিল, এই কাৰণে

প্ৰায়ে কাদিয়ান আহিছিল। তেওঁ মোক ভালদৰে জানিছিল আৰু তেনেকুৱাই কাদিয়ান, বাটালা, অমৃতছৰ আৰু আশে-পাশে থকা ব্যক্তিসকলক ভাল দৰে জানিছিল যে, সেই সময়ত মই সম্পূৰ্ণ অকলশৰীয়া আৰু অচিনাকি আছিলো। সেই সময়ৰ অৱস্থা অনুযায়ী জ্ঞানীসকলৰ ওচৰত এয়া চিন্তা বহিৰ্ভূত স্মৰণ হৈছিল যে, মোৰ নিচিনা অপৰিচিত ব্যক্তিৰ কাৰণে এনেকুৱা সময় আহিব যেতিয়া লাখ লাখ মানুহ মোৰ সঙ্গী হৈ যাব। মই সঁচা কৈছোঁ, সেই সময়ত মই একোৱেই নাছিলোঁ,অকলশৰীয়া আৰু অসহায় আছিলো। স্বয়ং আল্লাহ তা'লা সেই সময়ত মোক এই দোৱাৰ শিক্ষা দিছিল,

رَبِّ لا تذرنی فردًا وانت خیر الوارثین

(**অৰ্থ** ঃ হে মোৰ প্ৰতিপালক তুমি মোক অকলশৰীয়া কৰি এৰি নিদিবা; তুমিয়েই সৰ্বোত্তম উত্তৰাধিকাৰী।)
এই দোৱা এই কাৰণে শিকাইছিল, তেওঁ সেই সকল লোকক ভাল পাইছিল যিসকলে দোৱা কৰে। কিয়নো দোৱা ইবাদত। তেওঁ (আল্লাহ) কয়,

(40:61) ادْعُونِي أَسْتَجِبْ لَكُمْ

**অৰ্থ**- দোৱা কৰা মই গ্ৰহণ কৰিম। আঁ-হজৰত (ছাঃ)য়ে কৈছিল, ইবাদতৰ মূল হৈছে দোৱা। এতেকে দ্বিতীয় ইংগিত এয়াই আল্লাহ তা'লাই দোৱাৰ মাধ্যমত শিক্ষা দিব খুজিছে, তুমি অকলে কিন্তু এনেকুৱা এটা সময় আহিব যেতিয়া তুমি অকলশৰীয়া নাথাকিবা। মই উচ্চস্বৰে কৈছোঁ, এই দিৱস যি ধৰণে আলোকিত এই ভৱিষ্যৎবাণীও তেনেকুৱাই আলোকিত। এইটো ধ্ৰুৱ সত্য (দৃঢ় সত্য) যে, মই অকলে আছিলো। তোমালোকৰ মাজতে কোনে আছে যিয়ে থিয় দি ক'ব পাৰে, মোৰ লগত জামাত আছিল। কিন্তু এতিয়া চোৱা আল্লাহ তা'লাই এক দীৰ্ঘ সময়ৰ আগত দিয়া সংবাদৰ ভিত্তিত সেই সকলো প্ৰতিশ্ৰুতি আৰু ভৱিষ্যৎবাণী অনুযায়ী এক ডাঙৰ জমাত মোৰ সঙ্গী কৰিছে। এই পৰিস্থিতিত এই মহান ভৱিষ্যৎবাণীক কোনে মিছা বুলি সাব্যস্ত কৰিব পাৰে ? ইয়াৰ পিছত সেই কিতাপত এই ভৱিষ্যৎবাণীও লিপিবদ্ধ আছে, মানুহ ভীষণ ভাৱে বিৰোধীতা কৰিব আৰু এই জামাতক বাধা দিয়াৰ কাৰণে প্ৰত্যেক ধৰণৰ চেষ্টা কৰিব কিন্তু মই সকলোকে ব্যৰ্থ কৰিম।

ইয়াৰ পিছত **বাৰাহীন আহমদীয়াত** এই ভৱিষ্যৎবাণী কৰা হৈছিল যে, যেতিয়ালৈকে পৱিত্ৰ আৰু অপৱিত্ৰৰ মাজত পাৰ্থক্য কৰা নহ'ব তেতিয়ালৈকে এৰি দিয়া নহ'ব। এই ঘটনাবোৰ বৰ্ণনা কৰি মই সেই সকল লোকক সম্বোধন কৰা নাই যিসকলৰ হৃদয়ত খোদা তা'লাৰ প্ৰতি ভয় নাই আৰু ভাৱে সিহঁতে মৃত্যু বৰণ নকৰিব। সিহঁতেই খোদা তা'লাৰ পৱিত্ৰ বাক্য পৰিৱৰ্তন কৰে। অৰ্থাৎ মই সেই সকল লোকক সম্বোধন কৰো যিসকলে আল্লাহ্ তা'লাক ভয় কৰে আৰু বিশ্বাস ৰাখে যে মৃত্যু বৰণ কৰিব লাগিব আৰু এই মৃত্যুৰ দুৱাৰ কাষতীয়া হৈ আছে। এই কাৰণে খোদা-ভীৰু ব্যক্তিসকল এনেকুৱা অশিষ্টতা হ'ব নোৱাৰে। ভাৱি চাওঁক ! ২৫ বছৰ আগত এনেকুৱা ভৱিষ্যৎবাণী কৰাটো কি মানৱীয় শক্তি আৰু কল্পনাপ্ৰসূত হ'ব পাৰে ? যেতিয়া কোনেও তেওঁক জনা নাছিল, ইয়াৰ লগত এই ভৱিষ্যৎবাণীও হয় যে,মানুহে বিৰোধীতা কৰিব কিন্তু সিহঁত বিফল হ'ব। বিৰোধীসকলৰ বিফল হোৱা আৰু নিজৰ সফলতাৰ ভৱিষ্যৎবাণী কৰা এটা অলৌকিক বিষয়। এইটো মানিবলৈ যদি কোনো সন্দেহ থাকে তেন্তে এনে দৃষ্টান্ত উপস্থাপন কৰক।

মই দাবীৰ সৈতে কৈছোঁ, হজৰত আদম (আঃ)ৰ পৰা এতিয়ালৈকে এনেকুৱা কোনো মিছা ৰটনাকাৰীৰ দৃষ্টান্ত উপস্থাপন কৰা যি ২৫ বছৰ আগত অখ্যাত অৱস্থাত এনেকুৱা ভৱিষ্যৎবাণী কৰিছে ? যদি কোনো ব্যক্তি এনেকুৱা দৃষ্টান্ত দিব পাৰে তেন্তে অৱশ্যই স্মৰণ ৰখা হ'ব যে, এই সকলো ব্যৱস্থাপনা আৰু পৰম্পৰা মিছা হৈ যাব। কিন্তু আল্লাহ্ তা'লাৰ ব্যৱস্থাক কোনে মিছা বুলি প্ৰতিপন্ন কৰিব পাৰে ? এনেই মিছা প্ৰতিপন্ন কৰা আৰু বিনা কাৰণে সত্যক অস্বীকাৰ কৰা আৰু ঠাট্টা-বিদ্ৰূপ কৰা অবৈধ সন্তানৰ কাম। কোনো বৈধ সন্তান এনেকুৱা সাহস কৰিব নোৱাৰে। তোমালোকৰ মাজত কোনোবাই যদি স্বচ্ছ হৃদয়ৰ অধিকাৰী হৈ থাকে তেনেহলে মই মোৰ সত্যতাৰ এই যুক্তিক যথেষ্ট ভাৱো। ভালদৰে স্মৰণ ৰাখিবা, যেতিয়ালৈকে ইয়াৰ দৃষ্টান্ত উপস্থাপন কৰা নহ'ব তেতিয়ালৈকে এই ভৱিষ্যৎবাণী অগ্ৰাহ্য কৰা সম্ভৱ নহয়। মই আকৌ কৈছোঁ, এই ভৱিষ্যদ্বাণী **বাৰাহীন আহমদীয়াত** আছে যাৰ ৰিভিউ মৌলবী আবু ছাঈদ লিখিছে। এই চহৰত মৌলবী মহম্মদ হাছান আৰু মুনছী মহম্মদ উমৰ আৰু অন্যান্যসকলৰ ওচৰত (এই কিতাপ) আছে। ইয়াৰ কপি মক্কা, মদিনা, বোখাৰালৈকে গৈছে। চৰকাৰৰ ওচৰত ইয়াৰ কপি পঠোৱা

হৈছে। হিন্দু, মুছলমান, খৃষ্টান আৰু ব্ৰাহ্মণসকলেও ইয়াক পঢ়িছে। এইটো কোনো অপৰিচিত কিতাপ নহয় বৰং খ্যাতিপ্ৰাপ্ত কিতাপ। শিক্ষিত ধৰ্মাৱলম্বীৰ কোনো ব্যক্তি এইটোৰ পৰা অজ্ঞাত নহয়। সেই কিতাপখনত এই ভৱিষ্যদ্বাণী লিখা আছে, পৃথিৱী তোমাৰ সঙ্গী হৈ যাব, পৃথিৱীয়ে তোমাক খ্যাতি দান কৰিব,তোমাৰ বিৰুদ্ধবাদীসকলক বিফল কৰিব। এতিয়া কোৱা, এইটো কাৰ্য্য কোনো মিছা ৰটনাকাৰীৰ হ'ব পাৰে নে? তোমালোকে যদি এইটোৰেই সিদ্ধান্ত দিয়া যে মিছা ৰটনাকাৰীৰ কাৰ্য্য হ'ব পাৰে, তেনেহলে দৃষ্টান্ত উপস্থাপন কৰা। যদি দৃষ্টান্ত উপস্থাপন কৰিব পাৰা তেতিয়া মই মানি ল'ম মই মিছলীয়া। কিন্তু এনেকুৱা কোনেও নাই ইয়াৰ দৃষ্টান্ত উপস্থাপন কৰিব পাৰে। তোমালোকে যদি দৃষ্টান্ত উপস্থাপন কৰিব নোৱাৰা, আৰু অৱশ্যই সেয়া কৰিব নোৱাৰিবা, তেনেহলে মই তোমালোকক এইটোৱে কৈছো খোদা তা'লাক ভয় কৰা আৰু মিছলীয়াৰ পৰা বিৰত থাকা।

মনত ৰাখিবা, খোদা তা'লাৰ নিদৰ্শনসমূহক কোনো দলিল অবিহনে অগ্ৰাহ্য কৰা জ্ঞানীৰ কাৰ্য নহয় আৰু ইয়াৰ পৰিণাম কেতিয়াও কল্যাণমণ্ডিত নহয়। মই কোনো মিছা সাব্যস্ত কৰা বা অস্বীকাৰৰ ভ্ৰূক্ষেপ নকৰো আৰু সেই সকলো আক্ৰমণক ভয় নকৰো যি মোৰ ওপৰত কৰা হয়। কাৰণ খোদা তা'লা মোক আগতেই কৈছিল, লোকসকলে মিছা সাব্যস্ত আৰু অস্বীকাৰ কৰিব আৰু ভয়ানক বিৰোধীতাও কৰিব কিন্তু কোনো ধৰণৰ অনিষ্ট সাধন কৰিব নোৱাৰে। মোৰ পূৰ্বে সত্যবাদী আৰু খোদা তা'লাৰ প্ৰত্যাদিষ্টসকলক অগ্ৰাহ্য কৰা হোৱা নাছিল নে? হজৰত মুছা (আঃ)ৰ বিৰুদ্ধে ফিৰাউন, হজৰত মছীহ (আঃ)ৰ বিৰুদ্ধে ফকীহ্‌ৰা আৰু আঁ-হজৰত (ছাঃ)ৰ বিৰুদ্ধে মক্কাৰ মুশ্বৰেকসকলে কোন ধৰণৰ আক্ৰমণ আছে যি চলোৱা নাছিল? কিন্তু আক্ৰমণৰ পৰিণাম কি হৈছিল? বিৰুদ্ধবাদীসকলে সেই নিদৰ্শনসমূহৰ মোকাবিলাত কেতিয়াবা কোনো দৃষ্টান্ত উপস্থাপন কৰিব পাৰিছে নে? কেতিয়াও উপস্থাপন কৰিব পৰা নাই। দৃষ্টান্ত উপস্থাপন কৰিবলৈ সকলো সময়ত বিফল হৈছিল, তথাপি মুখ চলিছিল আৰু ইয়াৰ কাৰণে সিহঁতে কায্‌যাব বুলি কৈ থাকিছিল। অৰ্থাৎ ইয়াতেও যেতিয়া অসমৰ্থ হ'ল তেতিয়া আৰু বিশেষ একো কৰিব নোৱাৰি দাজ্জাল আৰু কায্‌যাব (মিছলীয়া) বুলি কয়। সিহঁতে মুখেদি তৎক্ষণাত খোদা তা'লাৰ নুৰক (জেউতিক)নিৰ্বাপিত কৰিব পাৰিবনে? কেতিয়াও

নিৰ্বাপিত কৰিব নোৱাৰে।

(61:9) وَاللّٰهُ مُتِمُّ نُوْرِهٖ وَلَوْ كَرِهَ الْكٰفِرُوْنَ ⑨

(অৰ্থ ঃ নিশ্চই আল্লাহ তাৰ নিজ নুৰক পূৰ্ণৰূপে প্ৰকাশিত কৰিব, অবিশ্বাসী সকলে ইয়াক যিমানেই বেয়া নেপাওক কিয়।)

যি সকল ব্যক্তি কু-ধাৰণাৰ উপাদান নিজৰ ভিতৰত ৰাখে সেই সকলে আন নিদৰ্শনসমূহৰ সম্পৰ্কে কয়, সম্ভৱত ঃ এইবোৰ হাতৰ কৌশল। কিন্তু ভৱিষ্যদ্বাণীত সিহঁতৰ কোনো আপত্তি অৱশিষ্ট নাথাকে। এই কাৰণে নবুয়তৰ নিদৰ্শনসমূহৰ মাজত মহান নিদৰ্শন আৰু ভৱিষ্যদ্বাণী সমূহক আখ্যা দিয়া হৈছে। এই বিষয়টো তৌৰাত আৰু কোৰাণ উভয়ৰ দ্বাৰা প্ৰমাণিত। ভৱিষ্যদ্বাণীসমূহৰ সমকক্ষ কোনো নিদৰ্শন নাই। এই কাৰণে খোদা তা'লাৰ পয়গম্বৰক সিহঁতৰ ভৱিষ্যদ্বাণীৰ দ্বাৰা চিনাক্ত কাৰ উচিত। কিয়নো আল্লাহ তা'লা এই নিদৰ্শন নিৰ্দিষ্ট কৰি দিছে,

فَلَا يُظْهِرُ عَلٰى غَيْبِهٖٓ اَحَدًا ㉗ اِلَّا مَنِ ارْتَضٰى مِنْ رَّسُوْلٍ

(72:27,28)

(অনুবাদ ঃগুপ্ত কথা কালৈকে প্ৰকাশ নকৰে,কেৱল সেইজনাই নিজে বাচি লোৱা পয়গম্বৰৰ বাহিৰে।)

ইয়াৰ পিছত এইটোও স্মৰণ ৰখা উচিত, ভৱিষ্যদ্বাণীত বহুতো গোপন ৰহস্যাৱলী আৰু সূক্ষ্ম তত্ব অৰ্ন্তনিহিত থকাৰ কাৰণে অদূৰদৃষ্টি সম্পন্ন আৰু মোটাবুদ্ধিৰ ব্যক্তিবৰ্গই এইবোৰ বুজি নাপায়। সাধাৰণত ঃ এনেকুৱা ভৱিষ্যদ্বাণীসমূহৰ ওপৰত মিছা আৰোপ হৈ থাকে। দ্ৰুত আৰু অস্থিৰচিত্তসকলে কৈ থাকে, ভৱিষ্যদ্বাণী পূৰ্ণ হোৱা নাই। এই সম্পৰ্কে আল্লাহ তা'লাই কয়,

(12:111) وَظَنُّوْٓا اَنَّهُمْ قَدْ كُذِبُوْا

(অৰ্থ ঃ আৰু সেই অবিশ্বাসীবিলাকে ভাবিলে যি বিষয়ে সিহঁতক অঙ্গীকাৰ দিয়া হৈছিল সি মিছা হ'ল।)

এই ভৱিষ্যদ্বাণীসমূহত মানুহে সন্দেহৰ উদ্রেক কৰায়। প্রকৃতপক্ষে সেই ভৱিষ্যদ্বাণীসমূহ খোদা তা'লাৰ চুন্নত অনুসৰি পূৰ্ণ হৈ থাকে। মোমিন ব্যক্তিসকলৰ উচিত তেওঁলোকে যদি এই ভৱিষ্যদ্বাণীসমূহ নুবুজে তেন্তে তেওঁলোকে যেন সেই ভৱিষ্যদ্বাণীসমূহৰ ওপৰত দৃষ্টি দিয়ে যিবোৰত সূক্ষ্মতা নাই,অর্থাৎ যি ভৱিষ্যদ্বাণীসমূহ সাধাৰণ (বুজিবলৈ সহজ)। তাৰ পিছত চাওঁক যে সেইবিলাক কিমান সংখ্যক পূৰ্ণ হৈছে। এনেই মুখতে অস্বীকাৰ কৰা তাকৰা বিৰোধী। সেই ভৱিষ্যদ্বাণীসমূহ যি পূৰ্ণ হৈ গৈছে সেয়া সততা আৰু খোদাভীতিৰ সৈতে দেখা উচিত। কিন্তু অস্থিৰ-চিত্তসকলৰ মূখ বন্ধ কৰিব কোনে ?

এনে ধৰণৰ বিষয়ৰ সন্মুখীন অকল মইয়েই হোৱা নাই, হজৰত মুছা (আঃ), হজৰত ঈছা (আঃ) আৰু হজৰত মহম্মদ(ছাঃ)ও সন্মুখীন হৈছিল। এতিয়া মোৰ লগত যদি এনেকুৱা হয় সেয়া আশ্চর্যৰ বিষয় নহয় বৰং এনেকুৱা হোৱাটো আৱশ্যক। কাৰণ এইটো আল্লাহৰ চুন্নত। মই কওঁ মোমিনৰ কাৰণে এই সাক্ষ্য যথেষ্ট, তাতেই তাৰ হৃদয় কঁপি উঠে। কিন্তু ইয়াতে অকল এইটোৱে নহয়, শ শ নিদর্শন আছে। মই নিশ্চিত ভাবে কৈছো যে, ইমান ব্যাপক সংখ্যক নিদর্শন আছে যি গণনা কৰা মোৰ পক্ষে সম্ভৱ নহয়। এই সাক্ষ্য কম নহয় যে হৃদয়ক জয় কৰাৰ কাৰণে আৰু মিছা প্রতিপন্নকাৰীসকলক অনুকূল কৰি লোৱাৰ কাৰণে অপ্রতুল নহয়। কোনোবাই যদি খোদাক ভয় কৰে আৰু হৃদয়ত বিশ্বস্ততা আৰু দৃঢ়তাৰে চিন্তা কৰে তেওঁক নিঃসন্দেহে স্বীকাৰ কৰিব লাগিব যে, এইটো খোদা তা'লাৰ ফালৰ পৰা হৈছে।

ইয়াৰ পিছত এই বিষয়টোও স্পষ্ট,বিৰোধীসকলে যেতিয়ালৈকে (উপস্থাপিত প্রমাণক) খণ্ডন নকৰে আৰু দৃষ্টান্ত উপস্থাপন নকৰে তেতিয়ালৈকে খোদা তা'লাৰ অকাট্য দলিলই বিজয়ী।

বিষয়টোৰ সাৰাংশ হৈছে, আৰু মোৰ ওপৰত অত্যাচাৰ আৰু তুফান পতিত হোৱা সত্ত্বেও মই সেই খোদাৰ ধন্যবাদ জ্ঞাপন কৰিছোঁ যিজনা মোক প্রেৰণ কৰিছে। যাৰ (বিৰোধীতাৰ) আৰম্ভণী এই চহৰৰ পৰা উঠিছিল আকৌ দিল্লীলৈ গৈ পায় কিন্তু তেওঁ সকলো বিপদ আৰু পৰীক্ষাৰ পৰা মোক দোষমুক্ত, নিৰাপদ আৰু সফলতা দান কৰিছে। মোক এনেকুৱা অৱস্থাত এই চহৰত আনিছে, যি তিনি লাখৰ অধিক পুৰুষ আৰু মহিলা মোৰ দীক্ষাত অন্তর্ভুক্ত। কোনো মাহত এনেকুৱা

নাযায় য’ত দুই চাৰি হাজাৰ অথবা অনেক সময়ত পাঁচ হাজাৰ এই ছিলছিলাত প্ৰৱেশ কৰা নাই।

ইয়াৰ পিছত খোদা এনেকুৱা সময়ত মোক সাহায্য কৰিছিল যেতিয়া জাতি মোৰ শত্ৰু হৈ গৈছিল। জাতি যেতিয়া কোনো ব্যক্তিৰ শত্ৰু হৈ যায় তেতিয়া সি বৰ অসহায় আৰু দুৰ্বল হৈ পৰে। কিয়নো জাতি হাত-ভৰি তথা অঙ্গ-প্ৰত্যঙ্গ হয়, সিহঁতেই সিহঁতক সহায় কৰে। অইন ব্যক্তিসকলে এনেতেই শত্ৰু হৈ থাকে যে, আমাৰ ধৰ্মৰ ওপৰত আঘাত কৰিছে। কিন্তু নিজৰ জাতি যেতিয়া শত্ৰু হৈ যায় তেতিয়া ৰক্ষা পোৱা আৰু সফল হোৱাটো সাধাৰণ কথা নহয় বৰং এইটো এটা শক্তিশালী নিদৰ্শন।

মই বৰ পৰিতাপ আৰু ব্যথিত হৃদয়ৰে কৈছোঁ, জাতিয়ে মোৰ বিৰোধীতাত অকল খৰ্‌ধৰে কৰা নাই বৰং খুবেই নিষ্ঠুৰতাও দেখুৱাইছিল। কেৱল ওফাতে মছীহ(মছীহৰ মৃত্যু) এই বিষয়ে বিৰোধ আছিল, যাৰ সম্পৰ্কে মই কোৰাণ কৰীম, আঁ-হজৰত (ছাঃ)ৰ চুন্নত, চাহাবাসকলৰ ইজমা, সাধাৰণ জ্ঞানৰ দলিল আৰু বিগত গ্ৰন্থৰ পৰা প্ৰমাণ উপস্থাপন কৰিছিলোঁ আৰু এতিয়াও কৰিছোঁ। হানাফী সম্প্ৰদায় অনুযায়ী হাদীছৰ অকাট্য আদেশ,কিয়াস আৰু চৰিয়তৰ দলিলসমূহ মোৰ পক্ষত আছিল। তথাপি সেই ব্যক্তিসকলে মোৰ পৰা এই বিষয়টো সঠিকভাবে জনা আৰু দলিলসমূহ শুনাৰ আগতেই মোক কাফিৰ আখ্যা দিয়ে। ইয়াৰ লগত আৰু যি ইচ্ছা তাকে কয় আৰু মোক দোষাৰোপ কৰে। আমানতদাৰী (বিশ্বস্ততাকাৰী), নেকী আৰু তাকৱাৰ চাহিদা এয়াই আছিল যে, প্ৰথমতে মোক সুধিলে হয় । মই যদি আল্লাহ আৰু ৰছুলৰ কথা অমান্য কৰিলোঁ হয় তেতিয়া নিঃসন্দেহ সিহঁতৰ অধিকাৰ আছিল মোক যি ইচ্ছা তাকে কোৱা, দাজ্জাল, কায্‌যাব (মিছলীয়া ইত্যাদি। কিন্তু মই আৰম্ভণীৰ পৰা বৰ্ণনা কৰি আহিছোঁ, মই কোৰাণ কৰীম আৰু আঁ-হজৰত (ছাঃ)ৰ অনুকৰণ কৰাৰ পৰা বিন্দুমাত্ৰ ইফাল-সিফাল কৰা বেঈমানী বুলি ভাৱো। মোৰ ধৰ্ম বিশ্বাস যে এইবোৰক বিন্দু পৰিমাণে যিয়ে এৰি দিব সি জাহান্নামী। পিছত মই এই বিশ্বাসক কেৱল বক্তৃতাত নহয় বৰং নিজে লিখা প্ৰায় ষাঠিটা (৬০) ৰচনাত পৰিষ্কাৰ ভাৱে বৰ্ণনা কৰিছোঁ। দিনে ৰাতি মোৰ এই চিন্তা আৰু ধাৰণা থাকে। এই বিৰোধীসকলে যদি আল্লাহ তা’লাক ভয় কৰিলেহেঁতেন তেনেহলে সিহঁতে সুধি

লোৱাটো উচিত আছিল, অমুক বিষয় ইছলাম বহির্ভূত, এইটোৰ কাৰণ কি ? অথবা তুমি এইটোৰ উত্তৰ কি দিলা ? সিহঁতে এনে নকৰি কাফিৰ সাব্যস্ত কৰোঁতে বিন্দু মাত্ৰও ভ্ৰূক্ষেপ নকৰিলে। শুনিলে আৰু কাফিৰ ঘোষণা কৰি দিলে। মই অতিকৈ আশ্চার্যান্বিত হৈ সিহঁতৰ এই কৰ্মক অবলোকন কৰিছোঁ। কিয়নো প্ৰথমতঃ মছীহৰ জীৱিত বা মৃত্যুৰ বিষয়টো এনেকুৱা কোনো বিষয় নহয় যি ইছলামত প্ৰৱেশৰ কাৰণে চৰ্তস্বৰূপ। ইয়াতেও হিন্দু অথবা খৃষ্টান মুছলমান হৈ থাকে কিন্তু কোৱা, (মুছলমান হোৱাৰ কাৰণে) নিম্নৰ স্বীকাৰোক্তি এৰি আন কোনো স্বীকাৰোক্তি লৈ থাকা নেকি ?

اٰمنتُ باللہ وَمَلئکتہ و کتبہ و رسلہ وَالقدرِ خیرہ و شرّہ
من اللہ تعالیٰ والبعثِ بعد الموت

**অৰ্থ** ঃ মই ঈমান আনিছো আল্লাহ, আৰু তাৰ ফিৰিস্তাসকলৰ ওপৰত, আৰু গ্ৰন্থসমূহৰ ওপৰত, আৰু আল্লাহৰ ফালৰ পৰা ভাল বেয়া তকদীৰৰ ওপৰত আৰু মৃত্যুৰ পিছত পুনৰুত্থানৰ দিৱসত।

এই বিষয়টো যদি ইছলামৰ অংশ নহয় তেনেহলে মোৰ ওপৰত ওফাতে মছীহৰ ঘোষণাৰ কাৰণে কিয় ইমান উগ্ৰতা প্ৰদৰ্শন কৰা হ'ল, এই ব্যক্তি কাফিৰ আৰু দাজ্জাল। তেওঁক যাতে মুছলমানৰ কবৰস্থানত দফন কৰা নহয়,তেওঁৰ মাল লুন্ঠন কৰা বৈধ, সিহঁতৰ মহিলাসকলক নিকাহ নকৰি ঘৰত ৰখা বৈধ আৰু সিহঁতক হত্যা কৰাটো পুণ্যৰ কাম ইত্যাদি। এনেতে সেই সময় আছিল যেতিয়া মৌলবীসকলে চিঞৰ-বাখৰ কৰিছিল, কোনোবাৰ মাজত যদি ৯৯ টা কুফৰীৰ কাৰণ থাকে আৰু এটা ইছলামৰ; তথাপিও কুফৰীৰ ফতোৱা দিয়াটো উচিত নহয়। তাক মুছলমানেই কোৱা। কিন্তু এতিয়া কি হৈ গৈছে ? মই কি ইয়াতকৈও নিম্ন পৰ্যায়ৰ হৈ গৈছোনে ? মই আৰু মোৰ জামাত কি,

اشهد ان لا اله الاّ الله واشهد انّ محمدا عبده ورسوله

নপঢ়ে নে ? মই নমাজ নপঢ়োনে ? মোৰ শিষ্যসকলে নমাজ নপঢ়েনে ? আমি ৰমজানৰ ৰোজা নাৰাখোনে ? আমি সেই সকলো বিশ্বাসৰ ওপৰত প্ৰতিষ্ঠিত

নহওঁনে যি আঁ-হজৰত (ছাঃ) ইছলামৰ ৰূপত সৎ উপদেশ বুলি আখ্যা দিছে ?

মই যথাৰ্থতাৰ লগত খোদা তা'লাৰ শপত লৈ কৈছোঁ, মই আৰু মোৰ জামাত মুছলমান। সিহঁতে আঁ-হজৰত (ছাঃ)আৰু কোৰাণ কৰীমৰ ওপৰত সেইভাবে ঈমান ৰাখে যেনেকৈ এজন প্ৰকৃত মুছলমানৰ ৰখা উচিত। মই বিন্দু মাত্ৰও ইছলামৰ বাহিৰে ভৰি ৰখাটো ধ্বংসৰ কাৰণ বুলি বিশ্বাস কৰো। মোৰ ধৰ্ম এইটোৱে যে, কোনো ব্যক্তি যিমান বেছি কল্যাণ, বৰকত আৰু আল্লাহৰ নৈকট্য পাবলৈ বিচাৰে সেয়া কেৱল আঁ-হজৰত (ছাঃ)ৰ প্ৰকৃত অনুসৰণ আৰু পূৰ্ণাঙ্গীণ ভালপোৱাৰ মাধ্যমত পাব পাৰে, নতুবা নহয়। তেখেত (ছাঃ)ৰ বাহিৰে পুণ্যৰ কোনো পথ নাই। কিন্তু এয়া সত্য যে মই কেতিয়াও বিশ্বাস নকৰো মছীহ (আঃ) আকাশত গৈছে আৰু এতিয়ালৈকে জীৱিত আছে। এই বিষয়টোক মানিলে আঁ-হজৰত (ছাঃ)ৰ বৰ অপমান আৰু মৰ্যাদাৰ হানি হয়। এই দুৰ্নামিক মই এক মুহূৰ্তৰ কাৰণে সহ্য কৰিব নোৱাৰো। সকলোৱে জানে আঁ-হজৰত (ছাঃ) তেষষ্ঠি (৬৩)বছৰ বয়সত মৃত্যুবৰণ কৰিছে আৰু পৱিত্ৰ মদিনাত তেখেতৰ সমাধি আছে। মছীহ (আঃ) সম্পৰ্কে যদি মৃত্যু বিশ্বাস কৰা বা তাৰ ক্ষেত্ৰত মৃত্যু সম্পৰ্ক যুক্ত কৰা অসন্মানি হয় তেনেহলে মই কেৱল আঁ-হজৰত (ছাঃ) সম্পৰ্কে তেখেতৰ এই অবমাননা আৰু বেআদবী কিয় বিশ্বাস কৰা হয় ? তোমালোকে অত্যন্ত আনন্দৰে কৈ থাকা আঁ-হজৰত (ছাঃ) মৃত্যুবৰণ কৰিছে। (আঁ-হজৰত (ছাঃ)ৰ জন্ম অনুষ্ঠানত অত্যন্ত সুললিত কণ্ঠত মৃত্যুৰ ঘটনা বৰ্ণনা কৰি থাকা। কাফিৰসকলৰ মোকাবিলাতও তোমালোকে অতিকৈ স্বতঃস্ফূৰ্তভাবে স্বীকাৰ কৰা যে তেখেত (ছাঃ) মৃত্যুবৰণ কৰিছে। তথাপি মই বুজা নাই হজৰত ঈছা (আঃ)ৰ মৃত্যুত এনে কি আপত্তি হয় ৰঙা চকু কৰি লোৱা। আমাৰ কোনো দুঃখ নহ'লহেঁতেন যদি আঁ-হজৰত (ছাঃ)ৰ মৃত্যুৰ শব্দ শুনি এনেকুৱা অশ্ৰু প্ৰবাহিত কৰিলেহেঁতেন। কিন্তু পৰিতাপৰ বিষয় যে, খাতামান্নাবীঈন (ছাঃ) তথা ছাৰওয়াৰে আলম (জগতৰ বাদশ্বা) সম্পৰ্কে তোমালোকে অতি আনন্দৰ সৈতে মৃত্যু স্বীকাৰ কৰা। আৰু যি জনে নিজকে আঁ-হজৰত (ছাঃ)ৰ জুতাৰ ফিতা খোলাৰ উপযুক্ত বুলি নাভাবে তাক জীৱিত আছে বুলি বিশ্বাস কৰি থাকা। তেওঁৰ সম্পৰ্কে মৃত্যুৰ শব্দ উচ্চাৰণ কৰোঁতেই তোমালোকৰ খং উঠে। আঁ- হজৰত (ছাঃ) এতিয়ালৈকে জীৱিত থাকিলেও কোনো অসুবিধা নাছিল। কাৰণ তেখেত (ছাঃ) সেই মহান

হিদায়ৎ লৈ আহিছিল যাৰ দৃষ্টান্ত পৃথিৱীত পোৱা নাযায়। তেখেত (ছাঃ)য়ে সেই কৰ্মপদ্ধতি দেখুৱাইছিল যাৰ উদাহৰণ আৰু দৃষ্টান্ত আদমৰ পৰা লৈ এতিয়ালৈকে কোনেও উপস্থাপন কৰিব পৰা নাই। মই তোমালোকক সঁচাকৈ কৈছোঁ আঁ-হজৰত (ছাঃ)ৰ সত্তাৰ যি প্ৰয়োজনীয়তা পৃথিৱীবাসীৰ আৰু মুছলমানসকলৰ আছিল সেই প্ৰয়োজনীয়তা মছীহৰ সত্তাৰ নাছিল। তেখেত (ছাঃ)ৰ সত্তা পৰিপূৰ্ণ মোবাৰক সত্তা আছিল, তেখেত (ছাঃ) যেতিয়া মৃত্যুবৰণ কৰিছিল তেতিয়া চাহাবাসকলে এনেকুৱা উন্মাদ হৈ গৈছিল যে হজৰত উমৰ (ৰাঃ) খাপৰ পৰা তৰোৱাল উলিয়াই কৈছিল যিয়ে আঁ-হজৰত (ছাঃ)ক মৃত বুলি ক'ব মই তাৰ মূৰ কাটি পেলাম। এই আবেগৰ সময়ত আল্লাহ তা'লা হজৰত আবু বক্কৰ (ৰাঃ)ক এক বিশেষ নূৰ আৰু দূৰদৃষ্টি দান কৰিছিল। তেখেতে সকলোকে একত্ৰিত কৰি খোতবা পাঠ কৰে,

وَمَا مُحَمَّدٌ اِلَّا رَسُوْلٌ قَدْ خَلَتْ مِنْ قَبْلِهِ الرُّسُلُ (3:145)

অৰ্থাৎ আঁ-হজৰত (ছাঃ) এজন ৰছুল মাথোঁ আৰু তেখেত (ছাঃ)ৰ আগত যিমান ৰছুল আহিছিল সিহঁত সকলোৱে মৃত্যু বৰণ কৰিছে।

এতিয়া আপোনালোকে চিন্তা কৰি কোৱা, হজৰত আবু বক্কৰ (ৰাঃ) আঁ-হজৰত (ছাঃ)ৰ মৃত্যুত এই আয়াত কিয় পাঠ কৰিছিল ? ইয়াত তেওঁৰ উদ্দেশ্য আৰু অভিপ্ৰায় বাৰু কি আছিল ? যেতিয়া সকলো চাহাবা উপস্থিত আছিল। মই নিশ্চিত আৰু আপোনালোকেও অস্বীকাৰ কৰিব নোৱাৰে আঁ-হজৰত (ছাঃ)ৰ মৃত্যুৰ কাৰণে চাহাবাসকলৰ হৃদয় গভীৰ শোকাতুৰ হৈছিল। আৰু তেওঁলোকে এই মৃত্যুক অসময় আৰু সময়ৰ আগত হোৱা বুলি ভাবিছিল। আঁ-হজৰত (ছাঃ)ৰ মৃত্যুৰ সংবাদ শুনাটো তেওঁলোকে পছন্দ কৰা নাছিল। এনে এক আবেগৰ সময়ত আৰু পৰিস্থিতিত হজৰত উমৰ (ৰাঃ)ৰ নিচিনা উচ্চ মাৰ্গৰ চাহাবীও এই আবেগৰ অৱস্থাত তেওঁৰ আবেগ দমন কৰিব পৰা নাছিল। কেৱল এই আয়াতটোৱে তেখেতৰ সান্তনাৰ কাৰণ আছিল। তেওঁ যদি জানিলেহেঁতেন অথবা তেখেতৰ বিশ্বাস হ'লহেঁতেন হজৰত ঈছা (আঃ) জীৱিত আছে, তেনেহলে তেওঁ জীৱিত অৱস্থাত মৃত্যু বৰণ কৰিলেহেঁতেন। তেখেত (ৰাঃ) আঁ-হজৰত (ছাঃ)ৰ সঁচাকৈয়ে প্ৰেমিক আছিল। তেখেত (ছাঃ) জীৱিত থকাৰ বাহিৰে আনৰ জীৱিত থকাটো সহ্য কৰিব নোৱাৰিছিল। তেন্তে কেনেকৈ নিজৰ চকুৰ সন্মুখত আঁ-হজৰত (ছাঃ)ক মৃত দেখি মছীহক জীৱিত

বিশ্বাস কৰিলেহেঁতেন ? অৰ্থাৎ হজৰত আবু বক্কৰ (ৰাঃ) যেতিয়া খোতবা প্ৰদান কৰিছিল তেতিয়া তাৰ আবেগ দূৰীভূত হৈ যায়। সেই সময়ত চাহাবা সকলে মদিনাৰ অলি-গলিত এই আয়াত পঢ়িছিল। সিহঁতে এইটো ভাবিছিল এই আয়াত যেন আজিয়েই অৱতীৰ্ণ হৈছে। সেই সময়ত হাচান বিন ছাবিত (ৰাঃ) শোকাতুৰ গৈ গীত লিখিছিল তাতে তেওঁ কৈছিল,

كُنْتَ السَّوَادَ لِنَاظِرِىْ فَعَمِىْ عَلَيكَ النَّاظِرُ

مَنْ شَاءَ بَعْدَكَ فَلْيَمُتْ فَعَلَيْكَ كُنْتُ اُحَاذِرُ

অৰ্থঃ- তুমি আমাৰ চকুৰ মণি আছিলা তোমাৰ মৃত্যুত মোৰ দৃষ্টি অন্ধ হৈ গৈছে। এতিয়া তোমাৰ মৃত্যুৰ পিছত কোনোবাই মৃত্যু বৰণ কৰক মই তোমাৰ মৃত্যুতেই শঙ্কিত (ভীত) আছিলোঁ যিটো ঘটি গৈছে।

যিহেতু উপৰোক্ত আয়াতত কোৱা হৈছিল,সকলোৱে মৃত্যুবৰণ কৰিছে এই কাৰণে হাচান (ৰাঃ)ও কৈছিল, এতিয়া কাৰোবাৰ মৃত্যুত কোনো ভ্ৰূক্ষেপ নকৰো। নিশ্চিত ভাৱে আঁ-হজৰত (ছাঃ)ৰ মোকাবিলাত অইন কোনোবাৰ জীৱন চাহাবাসকলৰ কাৰণে বৰ গধুৰ আছিল আৰু সিহঁতে সেইটোক সহ্য কৰিব নোৱাৰিছিল। এইভাৱে আঁ-হজৰত (ছাঃ)ৰ মৃত্যুত এটা প্ৰথম ইজমা আছিল যি পৃথিৱীত সংগঠিত হয়। ইয়াতে হজৰত ঈছা (আঃ)ৰ মৃত্যুৰ পৰিপূৰ্ণ সিদ্ধান্ত হৈ গৈছিল।

মই বাৰম্বাৰ এই বিষয়ে জোৰ দি থাকো, এই দলিল বৰ শক্তিশালী দলিল। ইয়াতেই মছীহ (আঃ)ৰ মৃত্যু প্ৰমাণিত হয়। আঁ-হজৰত (ছাঃ)ৰ মৃত্যু কোনো সাধাৰণ আৰু সৰু বিষয় নাছিল যি শোক চাহাবাসকলৰ হোৱা নাছিল। এখন গাওঁৰ চৰ্দাৰ অথবা মহল্লাৰ অথবা ঘৰৰ কোনো এজন ভাল ব্যক্তিৰ মৃত্যু হলে সেই ঘৰৰ, গাওঁৰ অথবা মহল্লাৰ ব্যক্তিসকলৰ দুঃখ হৈ থাকে। অথচ সেই নবী যিজনে সমগ্ৰ বিশ্বৰ বাবে ৰহমাতুল্লীল আলামীন হৈ আহিছিল, যাৰ বিষয়ে কোৰাণ মজীদত উল্লেখ আছে,

وَمَآ اَرْسَلْنٰكَ اِلَّا رَحْمَةً لِّلْعٰلَمِيْنَ۝١٠٨ (21:108)

(অৰ্থ ঃ- আৰু (হে মহম্মদ ) আমি তোমাক মাথোন প্ৰেৰণ কৰিছোঁ বিশ্বজগতৰ

নিমিত্তে কৰুণা স্বৰূপ। ইয়াৰ পিছত কোৰাণৰ আন এটা স্থানত কোৱা হৈছে,)

يَاَيُّهَا النَّاسُ اِنِّىْ رَسُوْلُ اللّٰهِ اِلَيْكُمْ جَمِيْعًا (7:159)

( অৰ্থ ঃ- তুমি কোৱা, হে মানৱজাতি, প্ৰকৃততে তোমালোক সকলোৰে প্ৰতি মই আল্লাহৰ প্ৰেৰিত ৰচুল।)

তাৰ পিছত সেই নবী যিজনে সততা আৰু বিশ্বস্ততাৰ দৃষ্টান্ত ৰাখিছে আৰু সেই উৎকৰ্ষ দেখুৱাইছে যাৰ দৃষ্টান্ত পোৱা নাযায়। তেখেতৰ মৃত্যু হ'ব অথচ তেখেতৰ সেই জীৱন উৎসৰ্গকাৰী অনুসাৰীসকলৰ ওপৰত প্ৰভাৱ নপৰে, যিসকল তেখেত (ছাঃ)ৰ কাৰণে প্ৰাণ বিসৰ্জন দিবলৈ কুণ্ঠাবোধ কৰা নাছিল। যিসকল দেশ এৰিছে, আত্মীয়-স্বজনক পৰিত্যাগ কৰিছে আৰু তেখেত (ছাঃ)ৰ কাৰণে সৰ্বপ্ৰকাৰ দুঃখ কষ্টক নিজৰ আত্মাৰ সন্তুষ্টি বুলি উপলব্ধি কৰিছে। সামান্য চিন্তা কৰিলে আৰু দৃষ্টি নিক্ষেপ কৰিলে এই বিষয়টো বোধগম্য হয় যে, হুজুৰ (ছাঃ)ৰ মৃত্যুৰ কাৰণে তেখেত(ৰাঃ)ৰ যি পৰিমাণৰ দুঃখ হ'ব পাৰে সেয়া অনুমান আৰু ধাৰণা আমি কৰিব নোৱাৰো। সিহঁতৰ সন্তুষ্টি আৰু শান্তিৰ কাৰণ এই আয়াত আছিল যি হজৰত আবু বক্কৰ (ৰাঃ)য়ে পঢ়িছিল। তেখেত (ৰাঃ)য়ে অথিৰ অৱস্থাত চাহাবা (ৰাঃ) সকলক চম্ভালি লয়, আল্লাহ তা'লা তেওঁক উত্তম পুৰস্কাৰ দান কৰক।

মোক পৰিতাপৰ সৈতে ক'ব লগা হৈছে, কিমান যে আহমক নিজৰ দ্ৰুত আৰু অস্থিৰতাৰ কাৰণে কৈ থাকে যে এই আয়াত নিঃসন্দেহ হজৰত আবু বক্কৰ (ৰাঃ)য়ে পঢ়িছিল অথচ হজৰত ঈছা (আঃ) এই আয়াতৰ বাহিৰত থাকি যায়। এনেধৰণৰ নিৰ্বোধসকলক কি ক'ম মই বুজিব পৰা নাই। সিহঁত মৌলবী আখ্যা পোৱা সত্ত্বেও এনেকুৱা অৰ্থহীন বিষয় উপস্থাপন কৰে। সিহঁতে নকয়, এই আয়াতত সেই শব্দটো কি, যিয়ে হজৰত ঈছা (আঃ)ক পৃথক কৰিছে। আল্লাহ তা'লা এই আয়াতত কোনো বিষয় **বাহেছ** (তৰ্ক)ৰ কাৰণে ৰখা নাই। **قد خلت** ৰ অৰ্থ নিজেই কৰি দিছে। اَفَاۡئِنْ مَّاتَ اَوْ قُتِلَ অৰ্থাৎ তাৰ পিছত সি যদি মৃত্যুবৰণ কৰে অথবা নিহত হয়। ইয়াৰ বাহিৰে যদি তৃতীয় কোনো অৱস্থা থাকিলেহেঁতেন তেনেহলে কিয় কৈ নিদিলে যে, اَوْرَفَعَ بِجَسَدِهِ الْعَنصرى اِلَى السَّمَاءِ অৰ্থ ঃ- তাক সশৰীৰে আকাশত উঠোৱা হৈছে।

খোদা তা'লাই এয়া পাহৰি গৈছিল নে যি সিহঁতে স্মৰণ কৰিছে? نعوذ بالله من ذالک

যদি কেৱল মাত্ৰ এই আয়াতটো থাকিলেহেঁতেন তথাপি যথেষ্ট আছিল কিন্তু মই কৈছোঁ আঁ-হজৰত (ছাঃ)ৰ জীৱন সিহঁতৰ ওচৰত এনেকুৱা প্ৰিয় আৰু আপোন আছিল যি এতিয়ালৈকে তেখেত (ছাঃ)ৰ মৃত্যুৰ কথা মনত পেলাই এই ব্যক্তিসকল (মৌলবীসকল) ক্ৰন্দন কৰে। তেনেহলে চাহাবাসকলৰ কাৰণে সেই সময় আৰু বেছি কষ্টকৰ আৰু বেদনাপূৰ্ণ আছিল। মোৰ মতে মোমিন সেইজন হ'ব পাৰে যি তেখেত (ছাঃ)ক অনুসৰণ কৰিব আৰু সেই স্থানৰ কিছু মৰ্যাদা পাব পাৰে। যিদৰে আল্লাহ তা'লা কৈছে,

قُلْ اِنْ كُنْتُمْ تُحِبُّوْنَ اللّٰهَ فَاتَّبِعُوْنِيْ يُحْبِبْكُمُ اللّٰهُ (3:32)

অৰ্থাৎ কোৱা, যদি তোমালোকে আল্লাহক ভাল পোৱা তেন্তে মোৰ অনুসৰণ কৰা; আল্লাই তোমালোকক ভাল পাব।

ভালপোৱাৰ দাবী এয়াই যে, প্ৰেমাস্পদসকলৰ কৰ্মৰ সৈতে যেন বিশেষ ভালপোৱা থাকে। মৃত্যুবৰণ কৰা ৰছুল কৰীম (ছাঃ)ৰ ছুন্নত। তেখেত (ছাঃ) মৃত্যুবৰণ কৰি দেখুইৱাছে। অৰ্থাৎ কোনে আছে যিয়ে জীৱিত থাকিব অথবা জীৱিত থকাৰ আকাঙ্খা কৰিব অথবা আন কোনোবাৰ কাৰণে জীৱিত থকাৰ প্ৰস্তাৱ কৰিব যে সি জীৱিত থাকক। ভালপোৱাৰ দাবী এইটোৱেই তেখেত (ছাঃ)ৰ অনুসৰণত বিলীন হৈ আত্মাৰ আবেগসমূহক দমন কৰিব আৰু চিন্তা কৰিব,মই কাৰ উম্মত। এনে অৱস্থাত যি ব্যক্তি হজৰত ঈছা (আঃ) সম্পৰ্কে জীৱিত আছে বুলি এতিয়ালৈকে বিশ্বাস পোষণ কৰে তেওঁ কেনেকৈ হুজুৰ পাক (ছাঃ)ৰ ভালপোৱা আৰু অনুসৰণৰ দাবী কৰিব পাৰে? কাৰণ সিহঁতে পছন্দ কৰে মছীহ (আঃ)ক উত্তম আখ্যা দিয়া আৰু তেখেত (ছাঃ)ক মৃত বুলি কোৱা হওঁক,সিহঁতে পছন্দ কৰে তেখেতক (মছীহক) জীৱিত বিশ্বাস কৰা হওঁক।

মই সঁচা কৈছোঁ, আঁ-হজৰত (ছাঃ) যদি জীৱিত থাকিল হয় তেন্তে এজন ব্যক্তিও কাফিৰ নাথাকিল হয়। হজৰত ঈছা (আঃ)ৰ জীৱনত কেৱল ৪০ কৌটি খৃষ্টানৰ বাহিৰে আৰু কি প্ৰতিফল দেখুৱাইছে? চিন্তা কৰি চোৱা, তোমালোকে কি তেখেতৰ জীৱিত থকাৰ বিশ্বাস পৰীক্ষা কৰি দেখা নাই নে? এইটোৰ ফল কি

ভয়ানক হোৱা নাই নে ? মুছলমানসকলৰ এনেকুৱা কোনো সম্প্ৰদায়ৰ নাম লোৱা যাৰ পৰা কোনোবাই খৃষ্টান হোৱা নাই। অৰ্থাৎ মই বিশ্বাসৰ সৈতে ক'ব পাৰোঁ আৰু এয়া সম্পূৰ্ণ সঠিক কথা যে, প্ৰত্যেক শ্ৰেণীৰ মুছলমান খ্ৰীষ্টান হৈছে আৰু সিহঁতৰ সংখ্যা এক লাখৰও অধিক। মুছলমানসকলক খৃষ্টান বনোৱা এটা অস্ত্ৰ খৃষ্টাসকলৰ হাতত আছে আৰু সেইটো হৈছে (ঈছা (আঃ)ৰ জীৱিত থকাৰ বিষয়। সিহঁতে কয়, এই বৈশিষ্ট আন কোনোবাৰ মাজত প্ৰমাণ কৰা। তেওঁ যদি খোদা হৈ নাথাকে তেন্তে কিয় তাক এই বৈশিষ্ট্য দিয়া হৈছে ? যি জন **حیّ** (চিৰঞ্জীৱি) আৰু **قیّوم** (চিৰস্থায়ী) **نعوذ باللّٰہ من ذالک** (অৰ্থাৎ আমি ইয়াৰ পৰা আল্লাহৰ ওচৰত আশ্ৰয় ভিক্ষা কৰো)। জীৱিত থকাৰ বিষয়টোৱে সিহঁতক সাহসী বনাইছে। সিহঁতে মুছলমানসকলৰ ওপৰত সেই আক্ৰমণ কৰিছে যাৰ প্ৰতিফল সম্বন্ধে মই তোমালোকৰ ওচৰত কৈছো। ইয়াৰ বিপৰীতে তোমালোকে যদি পাদ্ৰীসকলৰ ওচৰত প্ৰমাণ কৰি দিয়া যে মছীহ (আঃ) মৃত্যুবৰণ কৰিছে তেন্তে ফল কি হ'ব ? মই বাৰে বাৰে পাদ্ৰীসকলক সুধিছো। সিহঁতে কৈছে মছীহ (আঃ) মৃত্যুবৰণ কৰাটো যদি প্ৰমাণ হৈ যায় তেন্তে আমাৰ ধৰ্ম জীৱিত নাথাকে।

আৰু এটা চিন্তাৰ বিষয় হৈছে মছীহ (আঃ)ৰ জীৱিত থকাৰ বিশ্বাসটো তোমালোকে পৰীক্ষা কৰি দেখিছা নে ? এতিয়া মৃত্যু হোৱাৰ বিশ্বাসটোও পৰীক্ষা কৰা আৰু চোৱা এই বিশ্বাসে খৃষ্টান ধৰ্মৰ ওপৰত কেনে আঘাত হানে। যেতিয়াই মোৰ কোনো শিষ্য এই বিষয়ে খৃষ্টানসকলৰ সৈতে আলোচনা কৰিব বিচাৰে তেতিয়াই সিহঁতে অস্বীকাৰ কৰে। কাৰণ সিহঁতে জানে এই পথত সিহঁতৰ পৰাজয় শিৰোধাৰ্য্য। মৃত্যুৰ দ্বাৰা সিহঁতৰ **কাফ্‌ফাৰা** (প্ৰায়শ্চিত্তবাদ) **উলুহীয়্যত** (ঐশ্বৰত্ত) আৰু **ইবনীয়্যত** (পুত্ৰত্ব) প্ৰমাণিত নহয়। তাৰ পিছত এই বিষয়টোক কিছুদিন পৰীক্ষা কৰা তেতিয়া সত্য নিজে নিজেই প্ৰকাশিত হ'ব।

মনত ৰাখিবা কোৰাণ শ্বৰীফ আৰু হাদীছসমূহত এই প্ৰতিশ্ৰুতি আছিল যে ইছলাম বিস্তাৰ লাভ কৰিব, অন্যান্য ধৰ্মসমূহৰ ওপৰত বিজয় লাভ কৰিব আৰু ক্ৰুছ ধ্বংস হ'ব। এতিয়া চিন্তাৰ বিষয় হৈছে পৃথিৱীৰ উপকৰণৰ স্থান। এজন ব্যক্তি অসুস্থ হলে ইয়াতে কি সন্দেহ , শ্বিফা (আৰোগ্য) আল্লাই দি থাকে, কিন্তু ইয়াৰ কাৰণে ঔষধসমূহৰ বৈশিষ্ট্যও তেওঁ (আল্লাই) ৰাখিছে। যেতিয়া কোনো ঔষধ দিয়া

হয় তেতিয়া সেইটো কাম কৰে। পিয়াহ্ লাগিলে সেয়া নিবাৰণকাৰী আল্লাহ্। সেই নিবাৰণৰ কাৰণে পানীও তেওঁ নিৰ্দিষ্ট কৰিছে। তেনেকৈ ভুক লাগিলে সেয়া নিবৃতকাৰী তেওঁয়েই অৰ্থাৎ খাদ্যও তেওঁ নিৰ্দিষ্ট কৰিছে। ঠিক এনেদৰে তেওঁ ইছলামৰ বিজয় আৰু ক্ৰুছ ধ্বংস হোৱাটো নিৰ্দিষ্ট কৰিছে। ইয়াৰ কাৰণে তেওঁ উপকৰণ নিৰ্ধাৰণ কৰিছে আৰু এটা নিয়ম নিৰ্দিষ্ট কৰিছে। এই নিমিত্তে কোৰাণ মজীদ আৰু হাদীছসমূহৰ ভিত্তিত স্বীকৃত যে শেষ যুগত যেতিয়া খৃষ্টানসকলৰ প্ৰাধান্য হ'ব। সেই সময়ত মছীহ মাওউদৰ হাতত ইছলামৰ বিজয় হ'ব। তেওঁ সকলো ধৰ্ম আৰু জাতিৰ ওপৰত ইছলামক জয়যুক্ত কৰি দেখুৱাব, দাজ্জাল বধ কৰিব, ক্ৰুছ ধ্বংস কৰিব আৰু যুগটো হ'ব শেষ যুগ। নৱাব ছিদ্দিক হাছান খাঁ আৰু অন্যান্য বুজুৰ্গসকলে (মুৰব্বীসকলে) শেষ যুগ সম্পৰ্কে গ্ৰন্থ লিখিছে সিহঁতেও এই বিষয়টো স্বীকাৰ কৰিছে। এতিয়া সেই অনুযায়ী এই ভৱিষ্যদ্বাণীৰ পূৰ্ণতাৰ কাৰণে কোনো উপকৰণ আৰু মাধ্যম হ'ব। কিয়নো আল্লাহ তা'লা উপকৰণৰ মাধ্যমত কাৰ্য্য কৰে। ঔষধে আৰোগ্য দান আৰু খাদ্য আৰু পানীৰ মাধ্যমত ভুক আৰু পিয়াহ নিবাৰণ কৰে। তেনেকুৱাই যেতিয়া খৃষ্টান ধৰ্মৰ প্ৰাধান্য হয় আৰু মুছলমানসকলৰ প্ৰত্যেক সম্প্ৰদায়ৰ পৰা এই দলত অন্তৰ্ভুক্ত হৈছে সেয়ে আল্লাহ তা'লা নিজৰ প্ৰতিশ্ৰুতি অনুযায়ী ইছলামক বিজয়দান কৰাৰ ইচ্ছা কৰিছে। এই কাৰণে অৱশ্যই কোনো মাধ্যম আৰু উপকৰণৰ প্ৰয়োজন আছে আৰু সেয়া হৈছে মছীহৰ এই মৃত্যুৰ অস্ত্ৰ। এই অস্ত্ৰৰ মাধ্যমত ক্ৰুছীয় ধৰ্মৰ ওপৰত মৃত্যু অৱধাৰিত হ'ব আৰু তেওঁলোকৰ মেৰুদণ্ড ভাঙি যাব। মই সঁচাকৈ কৈছো খৃষ্টানসকলৰ বিভ্ৰান্তি দূৰ কৰাৰ কাৰণে মছীহ (আঃ)ক মৃত সাব্যস্ত কৰাৰ বাহিৰে ডাঙৰ আৰু কি উপকৰণ হ'ব পাৰে ? নিজৰ ঘৰত শুই একান্তমনে চিন্তা কৰক। বিৰোধীতাৰ অৱস্থাতো উন্মাদনা আহি থাকে তথাপি পৱিত্ৰ ব্যক্তিসকলে চিন্তা কৰি থাকে। মই যেতিয়া দিল্লীত বক্তব্য দিছিলো তেতিয়া পৱিত্ৰ ব্যক্তিসকলে মানি লৈছিল আৰু কৈছিল, নিঃসন্দেহ হজৰত ঈছা (আঃ)ৰ উপাসনাৰ মূল ভিত্তি হৈছে তেখেতৰ জীৱিত থকাটো। যেতিয়ালৈকে এই বিশ্বাস দূৰ নহ'ব তেতিয়ালৈকে ইছলামৰ কাৰণে বিজয়ৰ পথ উন্মোচিত নহ'ব বৰং খৃষ্টানসকলে ইয়াৰ পৰা প্ৰেৰণা পাব।

যিসকলে ঈছা (আঃ)ৰ জীৱনক ভাল পায় সেইসকলে চিন্তা কৰা উচিত যে

দুজন সাক্ষীৰ মাধ্যমত ফাঁচি হৈ যায় অথচ এতিয়া ইমান ব্যাপক সাক্ষী থকা সত্ত্বেও সিহঁতে অস্বীকাৰ কৰি আছে। আল্লাহ তা'লা কোৰাণ মজীদত কৈছে,

(3:56) يٰعِيْسٰٓى اِنِّىْ مُتَوَفِّيْكَ وَرَافِعُكَ اِلَىَّ

অৰ্থ ঃ হে ঈছা, নিশ্চয় মই তোমাৰ মৃত্যু ঘটাম আৰু মোৰ সন্মুখত তোমাক উন্নীত কৰিম।

ইয়াৰ পিছত হজৰত মছীহ (আঃ)ৰ নিজৰ স্বীকাৰোক্তিও এই কোৰাণ মজীদত আছে,

(5:118) فَلَمَّا تَوَفَّيْتَنِىْ كُنْتَ اَنْتَ الرَّقِيْبَ عَلَيْهِمْ

অৰ্থ ঃ কিন্তু যেতিয়া তুমি মোৰ মৃত্যু ঘটলা তুমিয়েই সিহঁতৰ ৰক্ষক থাকিলা। **তাওৱাফফাৰ** অৰ্থ মৃত্যু যি কোৰাণ মজীদৰ পৰা প্ৰমাণিত। কিয়নো এই শব্দটো আঁ-হজৰত (ছাঃ) সম্পৰ্কেও আছে। যেনেকৈ কোৱা হৈছে,

(10:47) وَاِمَّا نُرِيَنَّكَ بَعْضَ الَّذِىْ نَعِدُهُمْ اَوْ نَتَوَفَّيَنَّكَ

অৰ্থ ঃ আৰু সিহঁতৰ সম্বন্ধে আমি যি অঙ্গীকাৰ কৰিছোঁ তাৰে এভাগ (তোমাৰ জীৱনতেই) নিশ্চয় পূৰ্ণ কৰি দেখুৱাম, অথবা (তাকে পূৰ্ণ কৰিম) তোমাৰ মৃত্যু ঘটোৱাৰ পাছত ।

আঁ-হজৰত (ছাঃ)ও **فلمّا توفّيتنى** কৈছিল যাৰ অৰ্থ মৃত্যু। ঠিক তেনেকুৱাই হজৰত ইউছুফ (আঃ) আৰু আনসকলৰ সম্পৰ্কেও এই শব্দ আছে। এনে অৱস্থাত ইয়াৰ অৰ্থ কেনেকৈ ভিন্ন হ'ব পাৰে। মছীহ (আঃ)ৰ মৃত্যুৰ সম্পৰ্কে এইটো এটা ডাঙৰ দলিল। ইয়াৰ বাহিৰেও আঁ-হজৰত (ছাঃ) মে'ৰাজৰ ৰাতিত ঈছা (আঃ)ক মৃত সকলৰ সৈতে দেখিছিল। মে'ৰাজ সম্পৰ্কিত হাদীছটো কোনেও অস্বীকাৰ কৰিব নোৱাৰে। সেইটো খুলি চাই লোৱা। তাতে ঈছা (আঃ)ৰ বৰ্ণনা মৃত্যুৰ সৈতে আহিছে নে আন কোনো ভাবে ? তেখেত (ছাঃ) যিভাবে হজৰত ইব্ৰাহিম

(আঃ), মুছা (আঃ) আৰু অন্যান্য নবীসকলক দেখিছে ঠিক তেনেকুৱাই হজৰত ঈছা (আঃ)কো দেখিছে। সিহঁতৰ মাজত কোনো স্বতন্ত্র নাছিল। হজৰত ইব্রাহিম (আঃ),হজৰত মুছা (আঃ) আৰু অন্যান্য নবীসকল মৃত্যুবৰণ কৰিছে এই বিষয়ে কোনেও অস্বীকাৰ কৰিব নোৱাৰে। ৰূহ কবযকাৰী সিহঁতক আন জগতত পঠিয়াছে তথাপি সিহঁতৰ মাজত এজন ব্যক্তি জীৱিত সশৰীৰে কেনেকৈ আকাশত উঠি গ'ল। এই সাক্ষীসমূহ এজন সত্যবাদী মুছলমানৰ বাবে যথেষ্ট।

ইয়াৰ পিছত আন হাদীছসমূহত ঈছা (আঃ)ৰ বয়স ১২০ বা ১২৫ বছৰ কোৱা হৈছে। এই বিষয়সমূহৰ ওপৰত নিবিড় দৃষ্টি দি চিন্তা কৰিলে তাৎক্ষণিক ভাবে এই সিদ্ধান্ত লোৱা যায় যে, মছীহ (আঃ) জীৱিত আকাশত যোৱাটো তাকৰা বিৰোধী। ইয়াৰ বাহিৰে কোনো পূৰ্ব-দৃষ্টান্তও নাই আৰু বিবেকও এই সিদ্ধান্তই দিছিল। কিন্তু পৰিতাপ ! সেই লোকসকল বিন্দু পৰিমাণ ভ্ৰূক্ষেপ নকৰিলে আৰু খোদা ভীতিৰ সৈতে কাৰ্য্য নকৰি তৎক্ষণাত মোক **দাজ্জাল** বুলি কলে। চিন্তা কৰাৰ বিষয় যে, এইটো কি সামান্য বিষয় আছিল ? পৰিতাপ!

যেতিয়া কোনো আপত্তি নাথাকিল তেতিয়া মধ্য যুগত **ইজমা** (একগোট) হৈছে বুলি কৈ দিলে। মই কৈছো, কেতিয়া ? প্ৰকৃত **ইজমা** চাহাবাসকলৰ ইজমা আছিল। ইয়াৰ পিছত যদি কোনো **ইজমা** হৈ থাকে তেনেহলে এতিয়া বিভিন্ন সম্প্ৰদায়ক একত্ৰিত কৰি দেখুৱা। মই সঁচাকৈ কৈছো, এইটো সম্পূৰ্ণ ভ্ৰান্ত বিষয়। মছীহ (আঃ) জীৱিত থকাৰ ওপৰত কেতিয়াও **ইজমা** হোৱা নাই। সিহঁতে গ্ৰন্থ খুলি দেখা নাই নহলে সিহঁতে জানিছিল যে ছুফীগণ মৃত্যুৰ ওপৰত বিশ্বাসী। সিহঁতে দ্বিতীয় আগমনক **বুৰূযী** ৰূপত বিশ্বাস কৰে।

মোট কথা যেনেকৈ মই আল্লাহ তা'লাৰ প্ৰশংসা কৰো তদ্ৰূপ মই আঁ-হজৰত (ছাঃ)ৰ ওপৰত দৰূদ পাঠ কৰিছোঁ কাৰণ, তেখেত (ছাঃ)ৰ কাৰণে আল্লাহ তা'লা এই ছিলছিলা (শৃংখলা) প্ৰতিষ্ঠিত কৰিছে। সেইজনাৰ কল্যাণ আৰু বৰকতৰ ফলত সাহায্যসমূহ হৈছে। মই স্পষ্ট ভাবে বৰ্ণনা কৰিছোঁ আৰু এইটো মোৰ ধৰ্ম আৰু বিশ্বাস যে আঁ-হজৰত (ছাঃ)ৰ অনুকৰণ আৰু পদাঙ্ক অনুসৰণৰ বাহিৰে কোনো ব্যক্তি আধ্যাত্মিক কল্যাণ আৰু আশীষ লাভ কৰিব নোৱাৰে।

ইয়াৰ পিছত ইয়াৰ লগত মই যদি আৰু এটা উল্লেখযোগ্য বিষয় বৰ্ণনা নকৰো

তেনেহলে অকৃতজ্ঞতা হ'ব আৰু সেয়া হৈছে, আল্লাহ তা'লা আমাক এনেকুৱা এটা ৰাজ্য আৰু শাসন ব্যৱস্থাত জন্ম দিছে যি সকলো ফালৰ পৰা শান্তিদায়ক। সিহঁতে আমাক স্বীয় ধৰ্মৰ প্ৰচাৰ আৰু প্ৰকাশনাৰ কাৰণে পূৰ্ণ স্বাধীনতা দিছে। এই বৰকতপূৰ্ণ যুগ আমাৰ কাৰণে প্ৰত্যেক ধৰণৰ উপকৰণ সহজলভ্য। আমি অত্যন্ত জোৰালি ভাবে খৃষ্টান ধৰ্মৰ অসাৰতা প্ৰমাণ কৰিছোঁ তথাপি কোনেও আমাক বাধা দিয়া নাই, ইয়াতকৈ ডাঙৰ স্বাধীনতা আৰু কি হ'ব পাৰে। অথচ ইয়াৰ পূৰ্বে এসময় আছিল যাৰ অবলোকনকাৰী এতিয়াও বিদ্যমান আছে। তেতিয়া কোনো মুছলমান স্বীয় মছজিদত আজান পৰ্যন্ত দিব নোৱাৰিছিল অন্যান্য বিষয় দূৰৰ কথা। হালাল(বৈধ)বস্তু খোৱাত বাধা দিয়া হৈছিল অথচ এই বিষয়ে নিয়মানুযায়ী কোনো তদন্তও হোৱা নাছিল। আল্লাহ তা'লাৰ দয়া আৰু কৃপাত আমি এনেকুৱা এখন ৰাজ্যত বাস কৰিছোঁ যি এই সকলোবোৰ ত্ৰুটিৰ পৰা পৱিত্ৰ। অৰ্থাৎ ইংৰাজ ৰাজ্য যি শান্তি প্ৰিয়। সিহঁতৰ ধৰ্মৰ বিৰুদ্ধে কোনো আপত্তি নাই আৰু সিহঁতৰ নিয়ম হৈছে, প্ৰত্যেক ধৰ্ম স্বাধীনভাবে নিজৰ দায়িত্ব পালন কৰিব। আল্লাহ তা'লা যিহেতু প্ৰত্যেক ঠাইত মোৰ প্ৰচাৰ পঠোৱাৰ পৰিকল্পনা লৈছে যাৰ কাৰণে সেইজনাই আমাক এই ৰাজ্যত সৃষ্টি কৰিছে। যেনেকৈ আঁ-হজৰত (ছাঃ) **নওশিৰওৱান** (ইৰানৰ এজন ন্যায়পৰায়ণ বাদশ্বাহ)ৰ যুগৰ প্ৰশংসা কৰিছিল তদ্ৰূপ মই এই চৰকাৰৰ প্ৰশংসা কৰিছোঁ। এইটো নিয়মৰ কথা যে খোদা তা'লাৰ ফালৰ পৰা প্ৰত্যাদিষ্ট ব্যক্তি যিহেতু ইনছাফ(ন্যায়) আৰু সততা লৈ আহে এই কাৰণে তাৰ আগমনৰ পূৰ্বেই ন্যায় আৰু সততা জাৰি হোৱা আৰম্ভ হৈ যায়। মই বিশ্বাস কৰোঁ সেই ৰোমৰ শাসন যি মছীহ (আঃ)ৰ যুগত আছিল, যদিও সেইটো আৰু এইটো আইনৰ মিল আছে তথাপি এই শাসনকৰ্তা উৎকৃষ্ট আৰু উত্তম। এই ৰাজ্যৰ আইন কোনোবাৰ কাৰণে গোপন নাছিল। ন্যায় এইটো যি তুলনামূলকভাবে দেখিলে বুজা যাব ৰোম ৰাজ্যত অৱশ্যেই দমন নীতি আছিল। সেই কাৰণে ইহুদীসকলৰ ভয়ত খোদা তা'লাৰ পৱিত্ৰ আৰু নিৰ্বাচিত মছীহ (আঃ)ক কাৰাৰুদ্ধ কৰাৰ কাপুৰুষতা আছিল। এনেধৰণৰ মোকৰ্দমা (গোচৰ) মোৰ ওপৰতো হৈছিল। মছীহ (আঃ)ৰ বিৰুদ্ধে ইহুদীসকলে মোকৰ্দমা কৰিছিল কিন্তু এই ৰাজ্যত মোৰ বিৰুদ্ধে যিজনে মোকৰ্দমা কৰিছিল সেইজন সন্মানিত পাদ্ৰী আৰু ডাক্তৰ আছিল। অৰ্থাৎ ডাক্তৰ মাৰ্টিন ক্লাৰ্ক

তেওঁ মোৰ ওপৰত হত্যা কৰাৰ দোষাৰোপ কৰে। তেওঁ পৰিপূৰ্ণ সাক্ষী উপস্থাপন কৰিছিল। এই ছিলছিলাৰ চৰম বিৰোধী মৌলবী আবু ছঈদ মহম্মদ হুছেইন বাটালৱীও সাক্ষ্য দিয়াৰ বাবে আদালতত উপস্থিত হৈ মোৰ বিৰুদ্ধে সাক্ষী দিয়ে আৰু মোকৰ্দমা পূৰ্ণভাবে মোৰ বিৰুদ্ধে প্ৰমাণ কৰাৰ চেষ্টা কৰে। এই মোকৰ্দমা গুৰদাছপুৰত ডেপুটি কমিচনাৰ কেপ্তান ডগলাছৰ সভাপতিত্বত হৈছিল। তেওঁ সম্ভৱত; এতিয়া শ্বিমলাত আছে। তাৰ সমীপত মোকৰ্দমা নিপুণতাৰে উপস্থাপন কৰা হয়। মোৰ বিৰুদ্ধে অত্যন্ত জোৰালি ভাবে সকলোবোৰ সাক্ষী দিয়া হয়। এনেকুৱা অৱস্থাত এনে পৰিস্থিতিত কোনো বিজ্ঞ আইনবিদও ক'ব নোৱাৰে মই দোষমুক্ত সাব্যস্ত হ'ম। সময় আৰু পৰিস্থিতিৰ চাহিদানুযায়ী এইটো উচিত আছিল যিয়ে মোক ছেছন সোপৰ্দ (কোৰ্টৰ অধীন) কৰি দিলেহেঁতেন আৰু তাৰ পৰাই ফাঁচিৰ আদেশ অথবা ক'লা পানিৰ শাস্তি দিলেহেঁতেন। কিন্তু আল্লাহ্ তা'লা যেনেকৈ মোক মোকৰ্দমাৰ আগতে সংবাদ প্ৰদান কৰিছিল আৰু সেই অনুযায়ী সেই সময়ৰ আগতেই মই নিৰ্দোষী সাব্যস্ত হ'ম বুলি প্ৰকাশ কৰি দিছিলো। অৰ্থাৎ এই ভৱিষ্যৎবাণী মোৰ জামাতৰ বহুতৰেই জনা আছিল। ইয়াৰ পিছত মোকৰ্দমা যেতিয়া এই পৰ্যায় পালে তেতিয়া শত্ৰু আৰু বিৰুদ্ধবাদীসকলৰ এইটো ধাৰণা হৈছিল যে,বিচাৰকসকলে মোক ছেছন সোৰ্পদ (কোৰ্টৰ অধীন)কৰি দিব। এনে অৱস্থাত তেওঁ (বিচাৰক) পুলিচ কেপ্তেনক কলে মোৰ এয়াই ধাৰণা হয় এই মোকৰ্দমা সজা মোকৰ্দমা। মোৰ হৃদয়ে এইটো বিশ্বাস নকৰে যি বাস্তৱতে এনেকুৱা চেষ্টা কৰা হৈছিল যে তেওঁ (মছীহ মাওউদ) ডাক্তৰ ক্লাৰ্কক হত্যা কৰাৰ কাৰণে লোক পঠিয়াইছিল। আপুনি আকৌ ইয়াৰ তদন্ত কৰক। এয়া সেই সময় আছিল যেতিয়া মোৰ বিৰুদ্ধবাদীসকল কেৱল প্ৰত্যেক ধৰণৰ পৰিকল্পনাতেই লাগি নাছিল বৰং যিসকলৰ দোৱা কবুলিয়তৰ দাবী আছিল সিহঁতে দোৱাত মগ্ন আছিল। সিহঁতে কান্দি কান্দি দোৱা কৰিছিল মই যেন শাস্তি পাওঁ।কিন্তু খোদা তা'লাৰ মোকাবিলা কোনে কৰিব পাৰে ? মই জানো কেপ্তেন ডগলাছ চাহাবৰ ওচৰত বহুত মধ্যস্থতাকাৰী আহিছিল কিন্তু তেওঁ ন্যায়পৰায়ণ মেজিষ্ট্ৰেট আছিল। তেওঁ কৈছিল মোৰ দ্বাৰা এনেকুৱা ঘৃণনীয় কাম কৰাটো অসম্ভৱ।

অৰ্থাৎ আকৌ যেতিয়া এই মোকৰ্দমা তদন্তৰৰ বাবে কেপ্তেন লিমাৰচাগুৰ

দায়িত্বত ন্যস্ত হ'ল তেতিয়া কেপ্তেন চাহাবে আব্দুল হামিদক মাতি কলে তুমি সঁচা সঁচা কোৱা। আব্দুল হামীদে সেই ঘটনাই পুনৰাবৃত্তি কৰে যি সেই ডেপুটি কমিচনাৰ চাহাবৰ সন্মুখত বৰ্ণনা কৰিছিল। তাক শিকোৱা হৈছিল, বৰ্ণনাত যদি সামান্য তাৰতম্য হয় তেনেহলে তুমি ধৰা পৰিবা। সেই কাৰণে সি তাকে কৈ থাকিল। কিন্তু কেপ্তান চাহাবে তেওঁক কয়, তুমি আগতো এয়াই বৰ্ণনা দিছা, চাহাব (ডেপুটি কমিচনাৰ) ইয়াতে সন্তুষ্ট নহয়। কিয়নো তুমি সঁচা সঁচা কোৱা নাই। আকৌ যেতিয়া কেপ্তেন লিমাৰচাণ্ড তাক সুধিলে তেতিয়া সি ক্ৰন্দনাৱস্থাত কেপ্তেন লিমাৰচাণ্ডৰ ভৰিত পৰে আৰু কৈ থাকে মোক ৰক্ষা কৰা। কেপ্তেন চাহাবে তাক সান্তনা দি কয়, এতিয়া কোৱা। তেতিয়া সি মূল ঘটনা প্ৰকাশ কৰে। সি সঁচা স্বীকাৰোক্তি দিয়ে যে, এই বিবৃতি ক'বলৈ মোক হুমকি দিয়ে। মিৰ্যা চাহাব কেতিয়াও মোক হত্যা কৰিবলৈ পঠোৱা নাছিল। কেপ্তেন চাহাবে এই বৰ্ণনা শুনি অতি আনন্দিত হ'ল আৰু তেওঁ ডেপুটি কমিচনাৰক মোকৰ্দমাৰ প্ৰকৃত ঘটনা উদঘাটন হৈছে বুলি টেলিগ্ৰাম পঠায়। ইয়াৰ পিছত এই মোকৰ্দমা আকৌ গুৰদাছপুৰত দাখিল কৰা হয়। তাতে কেপ্তেন লিমাৰচাণ্ড চাহাবৰ পৰা শপত লয়। তেওঁ তাৰ হলফিয়া (শপত) বৰ্ণনা লিপিবদ্ধ কৰে। মই দেখিছিলোঁ ডেপুটি কমিচনাৰ প্ৰকৃত ঘটনা উন্মোচিত হোৱাত বৰ আনন্দিত হৈছিল আৰু যিসকল খৃষ্টান মোৰ বিৰুদ্ধে মিছা সাক্ষী দিছিল সেইসকলৰ ওপৰতো ক্ৰোধান্বিত হৈছিল। তেওঁ কলে আপুনি সিহঁতৰ বিৰুদ্ধে মোকৰ্দমা কৰিব পাৰে। মই যিহেতু বিবাদ কৰাটো বেয়া পাওঁ গতিকে মই গোচৰ অভিযোগ নকৰো।মোৰ মোকৰ্দমা আকাশত দায়েৰ কৰা আছে। ইয়াৰ পিছত সেই সময়তে ডগলছ চাহাব ৰায় লেখিলে। সেই দিনত ব্যাপক লোক সমাগম হৈছিল। তেওঁ সিদ্ধান্ত দিয়াৰ সময়ত মোক অভিনন্দন জনালে যে আপুনি  নিৰপৰাধ সাব্যস্ত হ'ল।

এতিয়া কোৱা ! এই প্ৰশাসনৰ এইটো কেনেকুৱা বৈশিষ্ট্য যি ন্যায় আৰু ইনছাফৰ কাৰণে স্বকীয় ধৰ্মৰ এজন নেতা আৰু আন কোনো বিষয়ৰো ভ্ৰূক্ষেপ নকৰে। মই লক্ষ্য কৰিছিলোঁ, সেই সময়ত এক জগত মোৰ শত্ৰু আছিল আৰু বাস্তৱত এয়াই হয় পৃথিৱীয়ে যেতিয়া কষ্ট দিয়া আৰম্ভ কৰি দিয়ে তেতিয়া চাৰিওফালৰ

পৰা বিপদ আহে। খোদা তা'লা নিজৰ সত্যবাদী বান্দাসকলক ৰক্ষা কৰে।

তাৰ পিছত মোৰ ওপৰত জনাব ডুইৰ এটা মোকৰ্দমা হৈছিল, টেক্সৰও এটা মোকৰ্দমা হৈছিল। তথাপি খোদা তা'লা মোক সকলো মোকৰ্দমাৰ সৈতে নিৰপৰাধ সাব্যস্ত কৰিছে। শেষত কৰম দ্বীনৰ মোকৰ্দমা হৈছিল। এই মোকৰ্দমাত মোৰ বিৰুদ্ধে সৰ্বশক্তি  প্ৰয়োগ কৰা হয় আৰু ভৰা হৈছিল যে এই ছিলছিলা এতিয়া শেষ হৈ যাব। বাস্তৱত এই ছিলছিলা যদি খোদা তা'লাৰ পৰা নহ'লহেঁতেন আৰু ইয়াৰ সাহায্য ও সহযোগিতাৰ কাৰণে থিয় নিদিলেহেঁতেন তেতিয়া ইয়াৰ নিঃশেষ হৈ যোৱাৰ কোনো সন্দেহ নাথাকিলেহেঁতেন। দেশৰ এক প্ৰান্তৰ পৰা আন প্ৰান্তলৈ কৰম দ্বীনক সহায় কৰা হৈছিল আৰু প্ৰত্যেক ধৰণৰ সহযোগিতা তাক দিয়া হৈছিল। আনকি বহুতো মৌলবী উপাধি প্ৰাপ্ত মোৰ বিৰুদ্ধে এই মোকৰ্দমাত যি পৰিপূৰ্ণ সত্য বিৰোধী  সাক্ষ্য দিছিল, আৰু এয়াও বৰ্ণনা কৰে যে তুমি ব্যভিচাৰী, পাপী, দুৰাচাৰী (নাউযুবিল্লাহ মিন যালিক)। এই মোকৰ্দমা দীৰ্ঘ সময় লৈকে চলি থাকে। সেই সময়ত বহু নিদৰ্শন প্ৰকাশিত হয়। অৱশেষত মেজিষ্ট্ৰেট যিজন হিন্দু আছিল, মোক ৫০০ (পাঁচ শ) টকা জৰিমনা কৰায়। কিন্তু খোদা তা'লা আগতেই মোক এই সংবাদ দি দিছিল,

**"উচ্চ আদালত তাক নিৰপৰাধ প্ৰমাণ কৰি দিছে"**

এই কাৰণে যেতিয়া সেই আপীল ডিভিচনাল জজৰ সন্মুখত উপস্থাপন কৰা হয় তেতিয়া তেওঁ তাৎক্ষণিক খোদা-প্ৰদত্ত বিচক্ষণতাৰ মাধ্যমত মোকৰ্দমাৰ আচল উদ্দেশ্য উপলব্ধি কৰিব পাৰে আৰু কয়, মই কৰম দ্বীনৰ বিষয়ে যি লিখিছিলোঁ সেয়া সম্পূৰ্ণ সঠিক। অৰ্থাৎ মোৰ সেইটো লিখাৰ অধিকাৰ আছিল। অৰ্থাৎ তেওঁ যি সিদ্ধান্ত দিছিল সেয়া প্ৰকাশ হৈ গৈছে। সৰ্বশেষত তেওঁ মোক নিৰপৰাধ সাব্যস্ত কৰিছে আৰু জৰিমনা ঘূৰাই দিছে। প্ৰাথমিক আদালতকও উপযুক্ত সতৰ্ক কৰিছে কিয় এই মোকৰ্দমা ইমান সময়লৈকে ৰখা হ'ল। অথচ মোৰ বিৰুদ্ধবাদীসকলে মোক ধ্বংস আৰু পদদলিত কৰাৰ কাৰণে যেতিয়া কোনো সুযোগ পায় তেতিয়া সিহঁতে বিন্দু মাত্ৰ কাৰ্পণ্য নকৰে আৰু কোনো ত্ৰুটি নকৰে। তথাপি আল্লাহ তা'লা কেৱল স্বীয় ফজলৰ দ্বাৰা মোক প্ৰত্যেক জুইৰ পৰা ৰক্ষা কৰিছে। ঠিক তেনেকুৱাই

যিদৰে তেওঁ নিজৰ ৰছুলসকলক ৰক্ষা কৰি আহিছে। মই এই ঘটনাসমূহ সন্মুখত ৰাখি অতি বলেৰে কৈছো যে, এই চৰকাৰ সেই ৰোম চৰকাৰতকৈ অধিক উত্তম যিসময়ত মছীহ (আঃ)ক কষ্ট দিয়া হৈছিল। গৰ্ভনৰ পিলাতুছ যাৰ সন্মুখত প্ৰথমতে মোকৰ্দমা দাখিল হৈছিল তেওঁ সম্ভৱতঃ মছীহ (আঃ)ৰ শিষ্য আছিল। তাৰ ঘৈণীয়েকও মছীহ (আঃ)ৰ শিষ্য আছিল। তথাপি তেওঁ মছীহ (আঃ)ৰ তেজেৰে নিজৰ হাতক ৰঞ্জিত কৰিছে যদিও তেওঁ তাৰ শিষ্য আৰু গভৰ্নৰ আছিল। তেওঁ সেই সাহসিকতাৰ সৈতে কাম কৰা নাই যি কেপ্তেন ডগলাছ কৰিছিল। তাতে মছীহ (আঃ)নিষ্পাপ আছিল আৰু ইয়াতে মইয়ো নিষ্পাপ।

মই সঁচা সঁচা অভিজ্ঞতাৰ ভিত্তিত কৈছো যে, আল্লাহ তা'লা সত্যৰ কাৰণে এই জাতিক এক সাহস দিছে।গতিকে মই এই ঠাইতে মুছলমান সকলক উপদেশ দিওঁ যে, সিহঁতৰ কৰ্তব্য সিহঁতে যেন বিশুদ্ধ অন্তৰত এই চৰকাৰৰ আনুগত্য কৰে। এইটো ভালদৰে স্মৰণ ৰাখিব যে, যি ব্যক্তি তাৰ উপকাৰীৰ কৃতজ্ঞতা স্বীকাৰ নকৰে সি খোদা তা'লাৰও কৃতজ্ঞতা স্বীকাৰ কৰিব নোৱাৰে। যি পৰিমাণৰ শান্তি আৰু আৰাম এই যুগত আছে তাৰ দৃষ্টান্ত পোৱা নাযায়। ৰেল, টেলিফোন, ডাকঘৰ, পুলিচ ইত্যাদি ব্যৱস্থাপনাসমূহ চোৱা এইবোৰৰ মাধ্যমে কি ধৰণৰ উপকাৰ হৈছে। কোৱা আজিৰ পৰা ষাঠি-সত্তৰ বছৰ আগতে এনেকুৱা আৰাম আৰু প্ৰশান্তি আছিল নেকি ? ইয়াৰ পিছত নিজেই বিচাৰ কৰা, আমাৰ কাৰণে সহস্ৰ কৃপা থকা সত্ত্বেও আমি কিয় কৃতজ্ঞ নহ'ম। অধিকাংশ মুছলমান মোৰ ওপৰত আপত্তি কৰে, তোমালোকৰ ছিলছিলাত এই দোষ আছে যে, তোমালোকে জিহাদ ৰহিত কৰিছা। পৰিতাপ ! সেই সকল নিৰ্বোধ কেৱল জিহাদৰ মূলমন্ত্ৰ সম্পৰ্কে অজ্ঞ। সিহঁতে ইছলাম আৰু আঁ-হজৰত (ছাঃ)ক কলংকিত কৰিছে। আঁ-হজৰত (ছাঃ) কেতিয়াও ধৰ্ম প্ৰচাৰৰ কাৰণে তৰোৱাল উঠোৱা নাছিল। তেখেত (ছাঃ) আৰু তেখেতৰ জমাতৰ ওপৰত যেতিয়া বিৰুদ্ধবাদীসকলৰ নিৰ্যাতনৰ সীমা অতিক্ৰম কৰি যায়, তেখেত (ছাঃ)ৰ নিষ্ঠাবান পুৰুষ আৰু মহিলা অনুসাৰীসকলক শ্বহীদ কৰা হয় তাৰ পিছত তেখেত (ছাঃ) মদিনালৈ প্ৰব্ৰজন কৰে তেতিয়া তেখেত (ছাঃ) মোকাবিলাৰ নিৰ্দেশ লাভ কৰে। তেখেত (ছাঃ) তৰোৱাল উঠোৱা নাছিল

বৰং শত্ৰুসকলে তৰোৱাল উঠাইছিল। বেছিভাগ সময়ত জালিম (নির্যাতন) স্বভাৱৰ কাফিৰ (অবিশ্বাসী) তেখেত (ছাঃ)ৰ মূৰৰ পৰা ভৰিলৈকে ৰক্তাক্ত কৰিছিল তথাপি তেখেত (ছাঃ) মোকাবিলা কৰা নাছিল। ভালদৰে মনত ৰাখিব, ইছলামত তৰোৱাল উঠোৱা যদি ফৰজ হ'লহেঁতেন তেনেহলে আঁ-হজৰত (ছাঃ) মক্কাতে তৰোৱাল উঠালেহেঁতেন কিন্তু সেয়া কৰা নাছিল। তৰোৱালৰ যি বৰ্ণনা আছিল সেইটো সেই সময়ত উঠোৱা হৈছিল যেতিয়া অনিষ্টকাৰী কাফিৰসকলে তৰোৱাল লৈ মদিনা লৈকে আক্ৰমণ কৰিছিল। সেই সময়ত সিহঁতৰ হাতত তৰোৱাল আছিল। এতিয়া তৰোৱাল নাই,আৰু মোৰ বিৰুদ্ধে মিছা অপবাদ ৰটনা কৰে আৰু ফতোৱাৰ মাধ্যমেৰে কাম কৰা হৈছে আৰু ইছলামৰ বিৰুদ্ধে কেৱল মাত্ৰ কলমৰ দ্বাৰা কাম লোৱা হয়। ইয়াৰ পিছত যিয়ে কলমৰ উত্তৰ তৰোৱালৰ দ্বাৰা দিয়ে সি নিৰ্বোধ আৰু অত্যাচাৰীৰ বাহিৰে কি হ'ব পাৰে ?

আঁ- হজৰত (ছাঃ) কাফিৰসকলৰ সীমাহীন নিৰ্যাতন আৰু অত্যাচাৰীৰ সময়ত তৰোৱাল উঠাইছিল এই বিষয়টোক কেতিয়াও পাহৰি নাযাবা। সেই হিফাজত (সুৰক্ষা) আত্মৰক্ষামূলক হিফাজত (সুৰক্ষা) বুলি বিবেচিত যি সিদ্ধ। এজন চোৰ যদি ঘৰত প্ৰৱেশ কৰে আৰু সি আক্ৰমণ কৰি মাৰি পেলাব খুজে তেতিয়া সেই চোৰক নিজৰ ৰক্ষাৰ খাতিৰত মাৰি পেলোৱাটো অন্যায় নহয়।

অৰ্থাৎ অৱস্থা যেতিয়া এনে ৰূপ ধাৰণ কৰে যে, আঁ-হজৰত (ছাঃ)ৰ ফিদায়ী (আত্ম বিসৰ্জনকাৰী) সেৱকসকল আৰু দুৰ্বল মুছলমান মহিলাসকলক অত্যন্ত নিৰ্মম আৰু নিৰ্লজ্জতাৰ সৈতে শ্বহীদ কৰা হৈছিল তেতিয়া সিহঁতক শাস্তি দিয়া উচিত নাছিলনে ? সেই সময়ত আল্লাহ তা'লা যদি ইছলামৰ অস্তিত্ব নোহোৱাটো ইচ্ছা কৰিলেহেঁতেন তেনেহলে অৱশ্যেই এনেকুৱা হ'লহেঁতেন, তৰোৱালৰ নাম নাহিলহেঁতেন কিন্তু তেওঁ ইচ্ছা কৰিছিল যাতে ইছলাম দুনিয়াত বিস্তাৰ লাভ কৰে আৰু সেয়া পৃথিৱীৰ মুক্তিৰ উৎস হয়, সেয়ে আত্মৰক্ষাৰ্থে তৰোৱাল উঠোৱা হৈছিল। মই দাবীৰ সৈতে কৈছো ইছলামৰ সেই সময়ত তৰোৱাল উঠোৱাৰ কোনো নিয়ম, ধৰ্ম আৰু চাৰিত্ৰিক দৃষ্টিকোণৰ পৰা আপত্তিৰ কাৰণ হ'ব নোৱাৰে। যিসকলে এক গালত চৰ খালে আনটো গাল আগবঢ়াই দিয়াৰ শিক্ষা দিয়ে সিহঁতেও ধৈৰ্য ধাৰণ

কৰিব নোৱাৰিল হয়। যিসকলৰ ওচৰত পোক-পতংগ মাৰি পেলোৱাটো পাপ বুলি বিবেচিত সিহঁতেও ধৈৰ্য ধাৰণ কৰিব নোৱাৰিলে হয়। তেনেহলে ইছলামৰ ওপৰত আপত্তি কিয় কৰা হয় ?

যিসকলে কয় ইছলাম তৰোৱালৰ মাধ্যমে বিস্তাৰ লাভ কৰিছে মই সেই সকল অজ্ঞ মুছলমানসকলক এইটো স্পষ্টকৈ কৈছো সিহঁতে নিষ্পাপ নবী (ছাঃ)ৰ ওপৰত মিছা আৰোপ কৰিছে আৰু ইছলামক কলঙ্কিত কৰিছে। ভাল- দৰে স্মৰণ ৰাখিবা, ইছলাম সদায় নিজৰ পৱিত্ৰ শিক্ষা, হিদায়ৎ, নিজৰ জ্যোতিৰ্ময় ফলাদি, বৰকত আৰু মো'জেজা (নিদৰ্শন)ৰ মাধ্যমে বিস্তাৰ লাভ কৰিছে। আঁ-হজৰত (ছাঃ)ৰ মহান নিদৰ্শনাৱলী আৰু তেখেতৰ চৰিত্ৰৰ পৱিত্ৰতাৰ বৈশিষ্টৱলী একে প্ৰসাৰিত কৰিছে। সেই সমূহ নিদৰ্শন আৰু বৈশিষ্টৱলী শেষ হৈ যোৱা নাই বৰং সকলো সময়ত আৰু সৰ্বদা প্ৰত্যেক যুগত সতেজ বিদ্যমান আছে। এই কাৰণেই আমি আমাৰ নবী (ছাঃ)ক জীৱিত নবী কওঁ।

এই কাৰণে তেখেত (ছাঃ)ৰ শিক্ষা আৰু হিদায়তসমূহ সদায় নিজৰ ফল দি থাকে। ভৱিষ্যতত ইছলাম যেতিয়া উন্নতি কৰিব তেতিয়া ইয়াৰ পথ এটাই হ'ব আন কোনো পথ নহ'ব। সেইহেতু ইছলাম প্ৰচাৰৰ কাৰণে যেতিয়া-তেতিয়া তৰোৱাল ধাৰণ কৰা হোৱা নাই তেন্তে এনেকুৱা ধাৰণা কৰা পাপ, কিয়নো এতিয়া সকলোৱে শান্তিত বসবাস কৰিছে। নিজৰ ধৰ্ম প্ৰচাৰৰ কাৰণে যথেষ্ট মাধ্যম আৰু সামগ্ৰী বিদ্যমান আছে। মোক অত্যন্ত পৰিতাপৰ সৈতে ক'ব লগা হৈছে, খ্ৰীষ্টান আৰু অন্যান্য আপত্তিকাৰীসকল ইছলামৰ ওপৰত আক্ৰমণ কৰাৰ সময়ত কেতিয়াও বাস্তৱত চিন্তা নকৰে। সিহঁতে দেখিছিল যে সেই সময়ত সকলো বিৰুদ্ধবাদী ইছলাম আৰু মুছলমানসকলৰ সমূলে বিনাশৰ চেষ্টাত নিয়োজিত আছিল সকলোৱে মিলি মুছলমানসকলৰ বিৰুদ্ধে পৰিকল্পনা কৰিছিল আৰু কষ্ট দিছিল। সেইসমূহ দুঃখ আৰু কষ্টৰ সময়ত সিহঁতে নিজৰ আত্মৰক্ষা নকৰি কি কৰিলেহেঁতেন ? কোৰাণ শ্বৰীফত এই আয়াত বিদ্যমান হৈছে,

أُذِنَ لِلَّذِيْنَ يُقٰتَلُوْنَ بِاَنَّهُمْ ظُلِمُوْا (22:40)

অৰ্থঃ- যিবিলাকৰ বিৰুদ্ধে যুদ্ধ চলোৱা হৈছে সেইবিলাকক (আত্মৰক্ষা কৰিবলৈ) অনুমতি দিয়া হৈছে।

ইয়াৰ পৰা বুজা যায় যে, এই নিৰ্দেশ তেতিয়া দিয়া হৈছিল যেতিয়া মুছলমানসকলৰ ওপৰত নিৰ্যাতনৰ সীমা অতিক্ৰম কৰি গৈছিল। সেই সময়ত এই অনুমতি আছিল, বেলেগ সময়ৰ কাৰণে এই নিৰ্দেশ নাই। কিন্তু মছীহ্ মাওউদৰ বাবে এই নিদৰ্শন নিৰ্ধাৰিত কৰা হৈছে যে,يضع الحرب (মুছলিম প্ৰথম খণ্ড, কিতাবুল ইমান আৰু মছনদ আহমদ বিন হাম্বল) অৰ্থাৎ যুদ্ধ ৰহিত কৰিব।

সেই হেতু তেখেতৰ সত্যতাৰ নিদৰ্শন হৈছে, তেখেতে যুদ্ধ নকৰিব। ইয়াৰ কাৰণ এয়া যে, সেই যুগত বিৰুদ্ধবাদীসকলে ধৰ্মীয় যুদ্ধ এৰি দিব। অৰ্থাৎ এই মোকাবিলা ভিন্ন এক ধৰণ আৰু পদ্ধতি অৱলম্বন কৰিছে আৰু সেয়া হৈছে কলমৰ সহায়েৰে ইছলমাৰ ওপৰত আপত্তি কৰা। খৃষ্টানসকলক চোৱা, সিহঁতৰ একো একোটা পত্ৰিকা পঞ্চাশ পঞ্চাশ হাজাৰ সংখ্যাত প্ৰকাশিত হৈছে। প্ৰত্যেক ধৰণৰ চেষ্টা চলিছে মানুহ যেন ইছলামৰ প্ৰতি অনীহা প্ৰকাশ কৰে। অৰ্থাৎ এই মোকাবিলাৰ কাৰণে আমাক কলমৰ সহায়ত কাম কৰাটো উচিত নে তীৰ চলোৱা উচিত ? এই সময়ত কোনোবাই যদি এনেকুৱা ধাৰণা কৰে তেন্তে তেওঁতকৈ অধিক নিৰ্বোধ আৰু ইছলামৰ শত্ৰু কোনে হ'ব পাৰে ? এই ধৰণৰ কথা কোৱা ইছলামক কলংকিত কৰাৰ বাহিৰে আৰু কি হ'ব পাৰে ? আমাৰ বিৰুদ্ধবাদীসকল যেতিয়া সত্যৰ ওপৰত প্ৰতিষ্ঠিত নহয় তেন্তে কেনেকুৱা আশ্চৰ্য আৰু পৰিতাপ হ'ব যে, আমি সত্যৰ ওপৰত প্ৰতিষ্ঠিত হৈয়ো তৰোৱালৰ নাম ল'ম ? এতিয়া তোমালোকে কোনোবাক তৰোৱাল দেখুৱাই কোৱা মুছলামন হৈ যোৱা নহলে হত্যা কৰিম। তাৰ পিছত চোৱা ইয়াৰ কি পৰিণাম হয় ? সি পুলিচ আনি গ্ৰেপ্তাৰ কৰি তৰোৱালৰ মজা দেখুৱাব।

এই ধাৰণাসমূহ সম্পূৰ্ণ অৰ্থহীন। এইবিলাক মস্তিষ্কৰ পৰা উলিয়াই দিয়া উচিত। এতিয়া ইছলামৰ উজ্জ্বল আৰু আলোকিত চেহেৰা প্ৰদৰ্শন কৰাৰ সময় আহিছে। এইটো সেই যুগ যেতিয়া ইছলামৰ জ্যোৰ্তিময় চেহেৰাত লগোৱা সকলো-

ধৰণৰ আপত্তিসমূহ দূৰীভূত কৰা হ'ব। মই আক্ষেপৰ সৈতে এইটো প্ৰকাশ কৰিছোঁ যে,খোদা তা'লা খৃষ্টান ধৰ্মাবলম্বীসকলক ইছলামত প্ৰৱেশ কৰাৰ কাৰণে মুছলমানসকলক যি সুযোগ প্ৰদান কৰিছে আৰু বাট মুকলি কৰিছে, সেইটোক বেয়া দৃষ্টিত চোৱা আৰু অস্বীকাৰ কৰা হৈছে।

মই মোৰ ৰচনাৱলীৰ মাধ্যমত এই পদ্ধতিক পূৰ্ণভাৱে উত্থাপন কৰিছোঁ যি ইছলামক সফল আৰু অন্যান্য ধৰ্মৰ ওপৰত বিজয় কৰিছে। মোৰ ৰচনাৱলী ইউৰোপ আৰু আমেৰিকাত যায়। খোদা তা'লা সেই জাতিক যি দূৰদৃষ্টি দিছে তাৰ দ্বাৰা সিহঁতে এই বিষয়ে বুজি লৈছে। অথচ মই যেতিয়া এজন মুছলমানৰ সন্মুখত এইবিলাক উত্থাপন কৰো তেতিয়া তাৰ মুখত ফেনা আহি পৰে। সি যেন উন্মাদ হৈ যায় আৰু হত্যাও কৰিব খুজে। অথচ কোৰাণ শ্বৰীফত এইটো শিক্ষা আছিল,

(41:35) اِدْفَعْ بِالَّتِيْ هِيَ اَحْسَنُ

**অৰ্থ** ঃ- অসতৰ প্ৰতিৰোধ কৰাহঁক তাৰে সৈতে যি আটাইতকৈ উৎকৃষ্ট ।

এই শিক্ষাৰ উদ্দেশ্য হৈছে, প্ৰতিপক্ষ যদি শত্ৰুও হয় তেতিয়া নম্ৰতা আৰু উত্তম ব্যৱহাৰৰ মাধ্যমত যেন বন্ধুত ৰূপান্তৰিত হৈ যায় আৰু আৰাম আৰু স্বাচ্ছন্দেও এই কথাসমূহ শ্ৰৱণ কৰে। মই মহা পৰাক্ৰমশালী আল্লাহৰ শপত লৈ কৈছো, মই তাৰ পক্ষৰ পৰা আহিছো। তেওঁ ভাল কৈ জানে যে, মই মিছলীয়া আৰু প্ৰতাৰক নহওঁ। তোমালোকে যদি মোৰ খোদা তা'লাৰ শপত লোৱা আৰু সেই নিদৰ্শনসমূহ যি তেওঁ মোৰ সমৰ্থনত প্ৰকাশ কৰিছে সেয়া চোৱাৰ পিছতো মোক মিছলীয়া আৰু প্ৰতাৰক কোৱা, তেনেহলে মই তোমালোকক খোদা তা'লাৰ শপত দিও যে, এনেকুৱা প্ৰতাৰকৰ দৃষ্টান্ত উপস্থাপন কৰা যি প্ৰতিদিন আল্লাহ তা'লাৰ ওপৰত প্ৰতাৰণা আৰু মিছা আৰোপ কৰিছে তথাপিও তাক সাহায্য আৰু সহযোগিতা কৰি আছে। তাক ধ্বংস কৰা উচিত আছিল কিন্তু বিষয়টো ইয়াত সম্পূৰ্ণ বিপৰীত। মই খোদা তা'লাৰ শপত লৈ কৈছো, মই সত্যবাদী আৰু সেইজনাৰ ফালৰ পৰা আহিছো। অথচ মোক মিছলীয়া আৰু প্ৰতাৰক কোৱা হৈছে। তথাপি আল্লাহ তা'লা মোৰ বিৰুদ্ধে জাতিয়ে সৃষ্টি কৰা প্ৰত্যেক ধৰণৰ মোকৰ্দমা আৰু বিপদৰ পৰা

মোক ৰক্ষা কৰিছে আৰু সহায় কৰিছে। এনেকুৱা সহায় যি লাখ লাখ মানুহৰ হৃদয়ত মোৰ বাবে ভাল পোৱা সৃষ্টি কৰি দিছে। মই মোৰ সত্যতাক দৃঢ় প্ৰত্যয়ৰ সৈতে উপস্থাপন কৰিছোঁ। যদি তোমালোকে এনেকুৱা কোনো প্ৰতাৰকৰ দৃষ্টান্ত উপস্থাপন কৰিব পাৰা তেন্তে কৰা যি কোনো মিছলীয়া আৰু আল্লাহ তা'লাৰ সম্পৰ্কে প্ৰতাৰণা কৰে, অথচ আল্লাহ তা'লা তেওঁক এনে সকলোধৰণৰ সহায় আগবঢ়াইছে আৰু দীৰ্ঘ সময়লৈকে তেওঁক জীৱিত ৰাখিছে আৰু তেওঁৰ আকাঙ্খাসমূহ পূৰ্ণ কৰিছে।

নিশ্চিত ভাৱে জানি লোৱা খোদা তা'লাৰ প্ৰেৰিতসকল সেই সকলো নিদৰ্শন আৰু সমৰ্থনসমূহৰ মাধ্যমত পৰিচিত হৈ থাকে যি খোদা তা'লা সিহঁতৰ কাৰণে প্ৰদৰ্শন কৰে। মই মোৰ কথাত সত্য। খোদা তা'লা স্বকীয় হৃদয়সমূহক দেখে সেইজনা মোৰ হৃদয়ৰ অৱস্থাসমূহৰ সম্পৰ্কে জানে আৰু জ্ঞাত। তোমালোকে কি এয়াও ক'ব নোৱাৰা যি ফিৰাউনৰ জাতিৰ এজন ব্যক্তিয়ে কৈছিল,

وَاِنْ يَّكُ كَاذِبًا فَعَلَيْهِ كَذِبُهٗ
وَاِنْ يَّكُ صَادِقًا يُّصِبْكُمْ بَعْضُ الَّذِىْ يَعِدُكُمْ

(40:29)

(অৰ্থঃ- আৰু তেওঁ যদি এজন মিছলীয়া হয়, তেওঁৰ ওপৰত মিছা কোৱাৰ পাপ আহিব; কিন্তু তেওঁ যদি সত্যবাদী হয়, তেতিয়াহলে তেওঁ যিবিলাক পৰিণামৰ ভয় তোমাক দেখুৱাইছে তাৰ অন্ততঃ কিছুমান নিশ্চয়েই তোমাৰ ক্ষেত্ৰত ঘটিব।)

তোমালোকে এয়া বিশ্বাস নকৰানে যে আল্লাহ তা'লা মিছলীয়াসকলৰ সকলোতকৈ ডাঙৰ শত্ৰু। তোমালোক সকলোৱে মিলি মোৰ ওপৰত আক্ৰমণ কৰা খোদা তা'লাৰ শাস্তি ইয়াতকৈ অধিক প্ৰকোপ হৈ থাকে। ইয়াৰ পিছত সেইজনাৰ শাস্তিৰ পৰা কোনেও ৰক্ষা কৰিব নোৱাৰে? মই যি আয়াত পাঠ কৰিছোঁ তাত এই বিষয়টোও স্মৰণ ৰখাৰ যোগ্য যে, সতৰ্কীকৰণ ভৱিষ্যৎবাণীসমূহ সম্পূৰ্ণৰূপে পূৰ্ণ নকৰি আংশিকৰূপে পূৰ্ণ কৰি দিব কৈছে। ইয়াৰ মাজত প্ৰজ্ঞা নিহিত আছেনে? প্ৰজ্ঞা এই যে সতৰ্কীকৰণ ভৱিষ্যৎবাণীসমূহ চৰ্তযুক্ত হৈ থাকে।

সেইবিলাক তৌবা, ইস্তিগফাৰ আৰু সত্যৰ ফালে প্ৰত্যাবৰ্তনৰ ফলত ৰহিত হৈ থাকে। ভৱিষ্যৎবাণী দুই ধৰণৰ হৈ থাকে। এটা ওৱাদা (প্ৰতিশ্ৰুতি) সম্পৰ্কিত যেনে,

(24:56) وَعَدَ اللّٰهُ الَّذِيْنَ اٰمَنُوْا مِنْكُمْ

(অৰ্থ ঃ- তোমালোকৰ মাজৰ যিসকলে (আল্লাহত) বিশ্বাস স্থাপন কৰিছে আৰু সজ কাম কৰে তেওঁলোকক আল্লাই প্ৰদান কৰিছে এই প্ৰতিশ্ৰুতি।)

আহলে চুন্নত বিশ্বাস কৰে, এই ধৰণৰ ভৱিষ্যৎবাণীসমূহ লঙ্ঘনীয় নহয়। কিয়নো খোদা তা'লা **কৰীম** (দয়ালু)। অৰ্থাৎ সতৰ্কবাণীৰ ভৱিষ্যৎবাণীসমূহ সেইজনাই সতৰ্ক কৰি এৰি দিয়ে। এই কাৰণে সেইজনা **ৰহীম** (কৃপাকাৰী)। সেই ব্যক্তি নিৰ্বোধ আৰু ইছলামৰ পৰা বহু দূৰত, যিয়ে কয় সতৰ্কবাণীৰ সকলো ভৱিষ্যৎবাণী পূৰ্ণ হৈ থাকে, সি কোৰাণ কৰীমক ত্যাগ কৰে। কিয়নো কোৰাণ কৰীমত এয়াও কোৱা হৈ যে,

(40:29) يُصِبْكُمْ بَعْضُ الَّذِىْ يَعِدُكُمْ

(অৰ্থ ঃ- তেওঁ যিবিলাক পৰিণামৰ ভয় তোমাক দেখুৱাইছে তাৰ অন্ততঃ কিছুমান নিশ্চয়েই, তোমাৰ ক্ষেত্ৰত ঘটিব।)

পৰিতাপ ! অনেক ব্যক্তি মৌলবী আখ্যা পোৱা সত্ত্বেও কোৰাণ, হাদীছ আৰু নবীসকলৰ চুন্নত সম্পৰ্কে অৱগত নহয়। কেৱল বিদ্বেষৰ ফেনা হয়। আৰু প্ৰতাৰণা কৰে। স্মৰণ ৰখা উচিত **الكريم اذا وعد وفٰى** বাৰে বাৰে কৃপাকাৰীৰ বাবে আৱশ্যক, তেওঁ শাস্তিৰ উপযুক্ত সাব্যস্ত কৰিও ক্ষমা কৰি দিয়ে। এসময়ত এজন ব্যক্তি মোৰ সন্মুখত মিছা সাক্ষী দিছিল আৰু তাৰ অপৰাধও প্ৰমাণিত হৈছিল। সেই মোকৰ্দমা এজন ইংৰাজৰ ওচৰত আছিল। সি হঠাৎ চিঠি পায়, তাক বেলেগ ঠাইত বদলি (স্থানান্তৰ) কৰা হয়। সি বৰ দুঃখিত হয়।অপৰাধী ব্যক্তি বৃদ্ধ আছিল। বিচাৰকে কেৰাণীক কয়, এই অপৰাধী কাৰাগৰত মৃত্যু বৰণ কৰিব। কেৰাণী কলে, হুজুৰ সি ল'ৰা-ছোৱালী সম্পন্ন। এনেতে সেই ইংৰাজজনে কলে, শাস্তি লিপিবদ্ধ হৈ গৈছে এতিয়া আৰু কি হ'ব পাৰে ? ইয়াৰ পিছত কলে ঠিক আছে

শাস্তিটো ক্ষমা কৰি দিয়া। এতিয়া চিন্তা কৰা ইংৰাজৰও দয়া হ'ব পাৰে। খোদা তা'লাৰ কি (দয়া) হ'ব নোৱাৰে ?

বৰঞ্চ এই বিষয়েও চিন্তা কৰা দান খায়ৰাত কিয় প্ৰচলিত আছে, প্ৰত্যেক জাতিত ইয়াৰ প্ৰচলন আছে। প্ৰকৃতগতভাৱে মানুহ কষ্ট আৰু দুৰ্যোগৰ সময়ত ছাদকা কৰিব খুজে, খায়ৰাত কৰে আৰু কয়, ছাগলী দিয়া, কাপোৰ দিয়া, এইটো দিয়া, সেইটো দিয়া। এইবিলাকৰ মাধ্যমত যদি দুৰ্যোগ দূৰীভূত নহয় তেনেহলে মানুহ কিয় বাধ্য হৈ এনেকুৱা কৰে ? ইয়াৰ দ্বাৰা দুৰ্যোগ দূৰীভূত হৈ থাকে, এক লাখ চব্বিশ হাজাৰ পয়গম্বৰৰ পৰা এই বিষয়টো সন্মিলিতভাৱে প্ৰমাণিত। মই নিশ্চিত ভাবে জানো, এইটো কেৱল মুছলমানসকলৰ বিশ্বাস নহয় বৰং ইহুদী,খৃষ্টান আৰু হিন্দুসকলৰও বিশ্বাস। মোৰ মতে সমগ্ৰ পৃথিৱীত কোনেও ইয়াৰ অবিশ্বাসী নহয়। এইটো পৰিষ্কাৰ হৈ গ'ল যে, আল্লাহৰ ইচ্ছাত এইটো (দুৰ্যোগ) দূৰীভূত হৈ যায়।

ভৱিষ্যৎবাণী আৰু আল্লাহৰ ইচ্ছাৰ মাজত পাৰ্থক্য কেৱল এটাই, ভৱিষ্যৎবাণীৰ সংবাদ নবীক দিয়া হয় আৰু আল্লাহৰ ইচ্ছা সম্পৰ্কে কোনেও জ্ঞাত নহয় বৰং সেয়া গোপন থাকে। খোদাৰ সেই ইচ্ছা যদি নবীৰ মাধ্যমত প্ৰকাশ কৰি দিয়া হয় তেনেহলে সেইটো ভৱিষ্যৎবাণী হৈ নাথাকে। ভৱিষ্যৎবাণী যদি পৰিবৰ্তিত হ'ব নোৱাৰে তেনেহলে আল্লাহৰ ইচ্ছাও ছাদকা আৰু খায়ৰাত (দান)ৰ মাধ্যমত পৰিবৰ্তিত হ'ব নোৱাৰে। এয়া সম্পূৰ্ণ ভুল ধাৰণা,কিয়নো সতৰ্কীকৰণ সম্পৰ্কিত ভৱিষ্যৎবাণী-সমূহ পৰিবৰ্তিত হৈ থাকে। এই কাৰণে আল্লাহ তা'লা কয়,

وَاِنْ يَّكُ صَادِقًا يُّصِبْكُمْ بَعْضُ الَّذِىْ يَعِدُكُمْ

(40:29)

(অৰ্থ ঃ- কিন্তু তেওঁ যদি সত্যবাদী হয়, তেতিয়াহলে তেওঁ যিবিলাক পৰিণামৰ ভয় তোমাক দেখুৱাইছে তাৰ অন্ততঃ কিছুমান নিশ্চয়েই,তোমাৰ ক্ষেত্ৰত ঘটিব।)

খোদা তা'লা সাক্ষ্য প্ৰদান কৰিছে যে, আঁ-হজৰত (ছাঃ)ৰ বহুতো ভৱিষ্যৎবাণীও পৰিবৰ্তিত হৈছিল। মোৰ যদি কোনো ভৱিষ্যৎবাণীত এনেধৰণৰ আপত্তি হয় তেনেহলে মোক ইয়াৰ উত্তৰ দিয়া। এই বিষয়ে মোক যদি মিছা সাব্যস্ত কৰা তেন্তে মোৰ নহয়

বৰং আল্লাহ তা'লাৰ ওপৰত মিছা প্ৰতিপাদকাৰী সাব্যস্ত হ'ব। মই অত্যন্ত দৃঢ়তাৰ সৈতে কৈছো, এয়া সকলো আহলে চুন্নত জমাত আৰু সমগ্ৰ জগতত স্বীকৃত বিষয় যে, কাকতি-মিনতিৰ মাধ্যমত শাস্তিৰ প্ৰতিশ্ৰুতি পৰিবৰ্তিত হৈ থাকে। হজৰত ইউনুছ (আঃ)ৰ দৃষ্টান্ত তোমালোকে পাহৰি গৈছা নে? হজৰত ইউনুছ (আঃ)ৰ জাতিৰ পৰা যি শাস্তি ৰহিত হৈছিল তাৰ কাৰণ কি? "দুৰ্ৰে মনছুৰ" ইত্যাদি চোৱা আৰু বাইবেলত ইউনাহ নবীৰ অধ্যায় আছে। নিশ্চিত শাস্তিৰ প্ৰতিশ্ৰুতি আছিল কিন্তু ইউনুছৰ জাতি শাস্তিৰ লক্ষণ চাই তৌবা কৰিছিল আৰু সেইজনাৰ (আল্লাহৰ) ফালে প্ৰত্যাগমন কৰিছিল। খোদা তা'লা সিহঁতক ক্ষমা কৰি দিয়ে আৰু শাস্তি ৰহিত হৈ যায়। ইফালে ইউনুছ (আঃ) নিৰ্দিষ্ট সময়ত শাস্তিৰ প্ৰতীক্ষায় আছিল। লোকসকলৰ ওচৰত সংবাদ সুধিছিল। এজন জমিদাৰক সুধিছিল, "নিনেভাৰ" অৱস্থা কি? সি কলে,অৱস্থা ভাল। তেতিয়া হজৰত ইউনুছ (আঃ) অত্যন্ত ব্যথিত হয় আৰু কয়, لن ارجع الى قومى كذّابًا অৰ্থাৎ মই মোৰ জাতিৰ ওচৰত মিছলীয়া সাব্যস্ত হৈ ঘূৰি নাযাও। এই দৃষ্টান্ত আৰু কোৰাণ শ্বৰীফত শক্তিশালী সাক্ষ্যৰ উপস্থিতিত মোৰ প্ৰথমৰ পৰা চৰ্ত সাপেক্ষে কোনো ধৰণৰ ভৱিষ্যৎবাণীত আপত্তি কৰা তাকৰা বিৰোধী। মুত্তাকীৰ এয়া নিৰ্দৰ্শন নহয় যি বিনা চিন্তা ভাবনায় মুখেৰে কথা ওলাব আৰু মিছা প্ৰতিপাদনত তৈয়াৰী হ'ব।

হজৰত ইউনুছ (আঃ)ৰ ঘটনা অত্যন্ত কষ্টদায়ক আৰু শিক্ষনীয়। সেইবিলাক গ্ৰন্থসমূহত লিপিবদ্ধ আছে, মনোযোগ সহকাৰে পঢ়া। তেখেতক নদীত নিক্ষেপ কৰা হয় আৰু তেখেত মাছৰ পেটত যায় তেতিয়া তেখেতৰ তৌবা গৃহীত হয়। হজৰত ইউনুছ (আঃ)ৰ ওপৰত এই শাস্তি আৰু ক্ৰোধ কিয় হৈছিল? কাৰণ সতৰ্কীকৰণ ভৱিষ্যৎবাণীসমূহ ৰহিত কৰাৰ ক্ষেত্ৰত তেখেতে আল্লাহ তা'লাক সৰ্বশক্তিশালী বুলি জ্ঞান কৰা নাছিল। তেন্তে তোমালোকে মোৰ ক্ষেত্ৰত কিয় খৰ-ধৰ কৰিছা? মোক মিছলীয়া সাব্যস্ত কৰাৰ কাৰণে সকলো নবীক মিছা কৈছা।

স্মৰণ ৰাখিবা, খোদা ত'লাৰ নাম গফুৰ (ক্ষমাশীল) হোৱা সত্ত্বেও সেইজনা প্ৰত্যাবৰ্তনকাৰীসকলক ক্ষমা নকৰিব কিয়? জাতিত এই ধৰণৰ বহুতো ভুল

ভ্ৰান্তিৰ  সৃষ্টি হৈছে। এই ভুল ভ্ৰান্তিসমূহৰ মাজত জিহাদ সম্পৰ্কিত ভুল ভ্ৰান্তিও আছে। মই আৰ্শ্চাযান্বিত যে মই যেতিয়া কওঁ (বৰ্তমান তৰোৱাল)ৰ জিহাদ অবৈধ, তেতিয়া সিহঁতৰ চকু ৰঙা হৈ উঠে অথচ সিহঁতে নিজেই স্বীকাৰ কৰে খুনী মাহদীৰ হাদীছসমূহ সন্দেহযুক্ত। মৌলবী মহম্মদ হুছেইন বাটালবী এই সম্পৰ্কে পত্ৰিকা লিখিছে আৰু  মিঞা নযীৰ হুছেইন দেহলৰীৰ মতও এয়াই আছিল। তেওঁ এইবোৰক সঠিক বুলি ধাৰণা কৰা নাছিল। তথাপি কিয় মোক মিছলীয়া বুলি কয় ? সঁচা কথা এয়া মছীহ মাওউদ ও মাহদীৰ কাম হ’ব, তেওঁ ধৰ্মীয় যুদ্ধ ৰহিত কৰিব আৰু কলম, দোৱা আৰু সূক্ষ্ম দৃষ্টিৰ মাধ্যমে ইছলামৰ শুনাম উন্নত কৰিব। পৰিতাপৰ বিষয় যে, মানুহৰ যি পৰিমাণৰ মনোযোগ দুনিয়াৰ ফালে সেই পৰিমাণৰ মনোযোগ ধৰ্মৰ ফালে নাই, এই কাৰণে সিহঁতে এই বিষয়ে বুজিব নোৱাৰে। সিহঁতে পৃথিৱীৰ অনাচাৰ আৰু অপৰিত্ৰতাত নিমজ্জিত থাকি এই আকাঙ্খা কি ভাবে ৰাখে যে সিহঁতৰ ওপৰত কোৰাণ কৰিমৰ সূক্ষ্ম তত্ত্ব উন্মচিত হ’ব। ইয়াত পৰিষ্কাৰ লিখা আছে,

لَا يَمَسُّهٗٓ اِلَّا الْمُطَهَّرُوْنَ ۝٨٠ (56:80)

(অৰ্থ ঃ যাক পৱিত্ৰসকলৰ বাহিৰে কোনেও ছুব নোৱাৰে।)

এই বিষয়ে মনোযোগ সহকাৰে চিন্তা কৰা। মোৰ আৱিৰ্ভাব হোৱাৰ কাৰণ কি ?

মোৰ আগমনৰ কাৰণ আৰু উদ্দেশ্য কেৱল ইছলামৰ সংস্কাৰ আৰু সহযোগিতা কৰা। ইয়াৰ পৰা এইটো বুজা উচিত নহয় যে, মই নতুন চৰিয়তৰ শিক্ষা অথবা নতুন কোনো নিৰ্দেশ দিয়াৰ বাবে আহিছো অথবা মোৰ ওপৰত নতুন গ্ৰন্থ অৱতীৰ্ণ হ’ব। কেতিয়াও নহয়। কোনো ব্যক্তি যদি এনেকুৱা ভাবে তেন্তে সি মোৰ দৃষ্টিত বেদীন (অধাৰ্মীক) আৰু পথভ্ৰষ্ট। আঁ-হজৰত (ছাঃ)ৰ ওপৰত চৰিয়ত আৰু নবুওত শেষ হৈ গৈছে। এতিয়া কোনো চৰিয়ত আহিব নোৱাৰে। কোৰাণ মজিদ “খাতামুল কুতুব” এতিয়া ইয়াত বিন্দু বা নোক্তাৰ পৰিৱৰ্তন আৰু পৰিবৰ্ধন সম্ভৱ নহয়। এয়া সঁচা যে, আঁ-হজৰত (ছাঃ)ৰ বৰকত আৰু কল্যাণ আৰু কোৰাণ শ্বৰীফৰ শিক্ষা আৰু হিদায়তৰ ফল শেষ হৈ যোৱা নাই। সেইবিলাকৰ সতেজতা সৰ্বযুগত বিদ্যমান।

সেই কল্যাণ আৰু বৰকতসমূহৰ প্ৰমাণৰ কাৰণে খোদা তা'লা মোক থিয় কৰাইছে। বৰ্তমান ইছলামৰ যি অৱস্থা সেয়া গোপন হৈ থকা নাই। সৰ্বসন্মতিক্ৰমে এইটো স্বীকৃত, মুছলমানসকল সকলো ধৰণৰ দুৰ্বলতা আৰু অবনতিৰ স্বীকাৰ। প্ৰত্যেক ফালৰ পৰা সিহঁত অধঃপতনলৈ গৈ আছে। সিহঁতে মুখেৰে কয় কিন্তু হৃদয়ত ঠাই নিদিয়ে, ইছলাম অসহায় হৈ গৈছে। এনেকুৱা অৱস্থাত আল্লাহ তা'লা নিজৰ প্ৰতিশ্ৰুতি অনুযায়ী মোক প্ৰেৰণ কৰিছে, যেন মই ইছলামৰ সমৰ্থন আৰু অভিভাবকত্ব কৰো। কিয়নো সেইজনা কৈছে,

(15:10) اِنَّا نَحۡنُ نَزَّلۡنَا الذِّکۡرَ وَ اِنَّا لَہٗ لَحٰفِظُوۡنَ ۝

(অৰ্থ ঃ- এই উপদেশ-পুথিখন অৱতীৰ্ণ কৰিছোঁ আমিয়ে, আৰু নিশ্চয় আমিয়ে তাৰ সংৰক্ষক।)

এতিয়া যদি সহায় সহযোগিতা আৰু সুৰক্ষিত কৰা নহয় তেন্তে কেতিয়া সময় আহিব ? এতিয়া চৌধ্যশ হিজৰীত সেই অৱস্থা আহি গৈছে যি বদৰৰ সময়ত হৈছিল। যাৰ সম্পৰ্কে আল্লাহ তা'লা কৈছে,

(3:124) وَلَقَدۡ نَصَرَکُمُ اللّٰہُ بِبَدۡرٍ وَّ اَنۡتُمۡ اَذِلَّۃٌ

(অৰ্থ ঃ- আৰু বাস্তৱিকতে ইয়াৰ আগত যেতিয়া তোমালোক দুৰ্বল আছিলা আল্লাই তোমালোকক বদৰত সহায় কৰিছিল।)

প্ৰকৃততে এই আয়াতত এটা ভৱিষ্যৎবাণী আছিল। অৰ্থাৎ চৌধ্যশ হিজৰীত ইছলাম যেতিয়া দুৰ্বল আৰু অসহায় হৈ যাব সেই সময়ত আল্লাহ তা'লা স্বয়ং সুৰক্ষিত কৰাৰ প্ৰতিশ্ৰুতি অনুযায়ী ইছলামক সহায় কৰিব। তেন্তে তোমালোকে কিয় আশ্চৰ্য্য হৈছা যে, আল্লাহ ইছলামক সহায় কৰিছে ? মোৰ এই বিষয়ে দুঃখ নাই যে মোৰ নাম **দাজ্জাল** আৰু **কায্যাব** (মিছলীয়া) ৰখা হয় আৰু মোৰ বিৰুদ্ধে অপবাদ কৰা হয়। মোৰ সৈতে সেই আচৰণ কৰা আৱশ্যক আছিল যি মোৰ পূৰ্বে খোদা তা'লাই প্ৰেৰিত কৰা সকলৰ সৈতে কৰা হৈছিল যেন মইয়ো পুৰণি এক চুন্নতৰ পৰা অংশ পাওঁ। মইতো সেই দুঃখ আৰু কষ্টৰ কিছু অংশ লাভ কৰা নাই। তেখেত (ছাঃ) ইছলামৰ কাৰণে সেই দুঃখ সহ্য কৰিছিল যি কলম দি লিখোতে

আৰু ভাষাত বৰ্ণনা কৰোঁতে অক্ষম। সেই দৃষ্টান্ত নবীসকলৰ ইতিহাসত কাৰো ক্ষেত্ৰত পোৱাটো সম্ভৱ নহয়। ইয়াৰ পৰা বুজা যায় যে, তেখেত (ছাঃ) কিমান মহান আৰু দৃঢ় সংকল্পৰ নবী আছিল।খোদা তা'লাৰ সহায় আৰু সহযোগিতা যদি তেখেত (ছাঃ)ৰ সৈতে নাথাকিলেহেঁতেন তেতিয়া সেই দুঃখ কষ্টৰ পাহাৰক সহ্য কৰা অসম্ভৱ আছিল। বেলেগ কোনো নবী হলে সেয়া কৰিব নোৱাৰিলেহেঁতেন। কিন্তু যি ইছলাম তেখেত (ছাঃ) ইমান দুঃখ কষ্টৰ মাধ্যমে প্ৰচাৰ কৰিছিল সেই ইছলামৰ আজি যি অৱস্থা হৈছে মই সেই বিষয়ে মই কি ক'ম?

ইছলামৰ অৰ্থ এয়া আছিল যে, মানুহ খোদা তা'লাৰ ভালপোৱা আৰু আনুগত্যত বিলীন হৈ যাব। এটা ছাগলীৰ ডিঙি যি ভাবে কছাইৰ সমূখত ৰাখে তদ্ৰূপ মুছলমানসকলৰ ডিঙি খোদা তা'লাৰ আনুগত্যৰ বাবে ৰাখি দিয়া উচিত। ইয়াত এই উদ্দেশ্য আছিল যে, খোদা তা'লাক যেন একক আৰু অংশীবিহীন জ্ঞান কৰে। আঁ-হজৰত (ছাঃ) যেতিয়া আৱিৰ্ভূত হৈছিল তেতিয়া এই একত্ববাদ নাইকীয়া হৈছিল এই দেশত (ভাৰত উপমহাদেশ) আৰ্য সমাজসকল মূৰ্তি পূজাত ভৰ্তি আছিল। যেনে পণ্ডিত দয়ানন্দ স্বৰস্বতীও এইটোকে স্বীকাৰ কৰিছিল। এনেকুৱা সময় আৰু অৱস্থাত মহম্মদ (ছাঃ)ৰ আৱিৰ্ভাব আৱশ্যক আছিল। এই যুগতো সেই যুগৰ দৰে মূৰ্তি-পূজা,মানুহ-পূজা আৰু নাস্তিকতা বিস্তাৰিত হৈছে। ইছলামৰ মূল উদ্দেশ্য আৰু ৰূহ (আত্মা) অৱশিষ্ট নাই। ইছলামৰ মূল শিক্ষা আছিল খোদা তা'লাৰ ভালপোৱাত বিলীন হৈ যোৱা আৰু খোদা তা'লাৰ বাহিৰে আন কাকো উপাস্য বুলি জ্ঞান নকৰা। আৰু উদ্দেশ্য আছিল যে, মানুহ যেন দুনিয়াৰ ফালে অগ্ৰসৰ নহৈ খোদাৰ ফালে অগ্ৰসৰ হয়। এই উদ্দেশ্যে ইছলামৰ শিক্ষাক দুই ভাগত বিভক্ত কৰা হৈছে। প্ৰথমত ঃ **হুকুকুল্লাহ** (আল্লাহৰ অধিকাৰ ), দ্বিতীয় **হুকুকুল ইবাদ** (ভৃত্য সকলৰ অধিকাৰ) **হুকুকুল্লাহ** হৈছে আল্লাহৰ অনুসৰণ বাধ্যতামূলক, **হুকুকুল ইবাদ** হৈছে খোদা তা'লাৰ স্ৰষ্টাৰ সৈতে ভালপোৱা।এই পদ্ধতি সঠিক নহয় যে, কেৱল ধৰ্মীয় বিৰোধীতাৰ কাৰণে কোনোবাক কষ্ট দিয়া। ভালপোৱা আৰু আচৰণ ভিন্ন বিষয়, আৰু ধৰ্মীয় বিৰোধ ভিন্ন বিষয়। মুছলমান সকলৰ পৰা সেই দল যিসকল জিহাদ সম্পৰ্কে ভুল-ভ্ৰান্তিত নিমজ্জিত সেইসকল কাফিৰ সকলৰ সম্পদ অবৈধ ভাবে

গ্ৰহণ কৰাও সঠিক আৰু বৈধ বুলি ভাবে। এই সকল লোক মোৰ সম্পৰ্কেও ফতোৱা দিছে যে, তাৰ সম্পদ লুণ্ঠন কৰা। এয়াও কৈছে যে, সিহঁতৰ স্ত্ৰী সকলক বাহিৰ কৰি লৈ আহা। অথচ ইছলামত এই অপৱিত্ৰ শিক্ষা নাছিল। ইছলাম এক পৱিত্ৰ আৰু স্বচ্ছ ধৰ্ম। ইছলামৰ দৃষ্টান্ত আমি এই ভাবে দিব পাৰো, পিতা যিভাবে নিজৰ পিতৃত্বৰ অধিকাৰ খোজে তেনেকৈ তেওঁ খোজে সন্তানসকলৰ পৰস্পৰ পৰস্পৰৰ সৈতে যেন ভালপোৱা থাকে। তেওঁ নুখোজে এজনে আনজনক হত্যা কৰক। ইছলামৰ  শিক্ষা এয়া যে কোনোবাই যেন খোদা তা'লাৰ সৈতে অংশী নাপাতে, তাতে এই শিক্ষাও আছে যে মানৱ জাতিৰ মাজত যেন ভালপোৱা আৰু ঐক্যতা থাকে। এই কাৰণে এই ঐক্যতা সৃষ্টিৰ বাবে বা-জমাত নমাজত বেছি পুণ্য ৰখা হৈছে। অৰ্থাৎ এই ঐক্যক কাৰ্য্যত পৰিণত কৰাৰ বাবে ইমানখিনি হিদায়ত আৰু জোৰ দিয়া হৈছে যে, নিজৰ মাজত পোনকৈ শাৰি পাতি আৰু আন সকলৰ সৈতে মিলি থিয় হোৱা। এইবিলাকৰ উদ্দেশ্য হৈছে সামগ্ৰিকভাবে সকলোৱে যেন এজন ব্যক্তিৰ নিৰ্দেশ বহন কৰে। এজনৰ নূৰ যেন আন জনলৈ অনুপ্ৰৱেশ কৰিব পাৰে। সেই পাৰ্থক্য যেন নাথাকে যাৰ মাধ্যমত আত্মঅহমিকা আৰু স্বাৰ্থপৰতা সৃষ্টি হয়।

এইটো ভালদৰে স্মৰণ ৰাখিবা, এজনে আনজনৰ পৰা নূৰ আকৰ্ষণ কৰিব পৰা ক্ষমতা মানুহৰ মাজত আছে। ইয়াৰ পিছত এই ঐক্যতাৰ কাৰণে নিৰ্দেশ আছে যে, প্ৰতিদিনৰ নমাজ মহল্লাৰ মছজিদত, সপ্তাহৰ নমাজ চহৰৰ মছজিদত তাৰ পিছত বছৰৰ নমাজ সকলোৱে একত্ৰিত হৈ ঈদগাহত আৰু সমগ্ৰ পৃথিৱীৰ মুছলমান বছৰত এবাৰ বায়তুল্লাহত একত্ৰিত হ'ব। এই সকলো নিৰ্দেশৰ উদ্দেশ্য সেই ঐক্যতা হয়।

আল্লাহ তা'লাৰ হক (অধিকা) সমূহৰ দুটা অংশ আছে। এটা হ'ল **হকুকুল্লাহ** আৰু আনটো হ'ল **হকুকুল ইবাদ**। কোৰাণ কৰিমত এই সম্পৰ্কে বহু বৰ্ণনা আছে। এক স্থানত আল্লাই কৈছে,

فَاذْكُرُوا اللّٰهَ كَذِكْرِكُمْ اٰبَآءَكُمْ اَوْ اَشَدَّ ذِكْرًا (2:201)

(অৰ্থ ঃ- আল্লাহক স্মৰণ কৰিবা যেনেকৈ তোমালোকে নিজ পিতৃসকলক স্মৰণ

কৰা, বৰঞ্চ তাতোকৈ আন্তৰিকতাৰে সৈতে স্মৰণ কৰিবা।)

ইয়াত দুটা গোপন ৰহস্য আছে। প্ৰথমত ঃ আল্লাহৰ স্মৰণক পিতৃসকলৰ স্মৰণৰ সৈতে সাদৃশ্য কৰা হৈছে। দ্বিতীয়তে এই ৰহস্য আছে যি পিতৃসকলৰ ভলপোৱা প্ৰকৃতিগত আৰু সত্তাগত হৈ থাকে। চোৱা ! মা যেতিয়া সন্তানক মাৰে তেতিয়া সি মা মা কৈ চিঞৰ-বাখৰ কৰি থাকে। অৰ্থাৎ এই আয়াতত আল্লাহ তা'লা মানুহক সেই শিক্ষা দিছে যাতে সি খোদা তা'লাৰ সৈতে সত্তাগত ভালপোৱা সৃষ্টি কৰে। এই ভালপোৱাৰ পৰা নিজে-নিজে আল্লাহৰ নিৰ্দেশৰ প্ৰতি আনুগত্য সৃষ্টি হয়। এক সূক্ষ্ম-তত্ত্ব জ্ঞানৰ মূল অৱস্থান য'ত নেকি মানুহৰ যোৱা উচিত। অৰ্থাৎ তাৰ মাজতে যেন আল্লাহ তা'লাৰ প্ৰতি প্ৰকৃতিগত আৰু সত্তাগত ভালপোৱাৰ সৃষ্টি হয়। আন এক স্থানত আল্লাই এনেভাবে বৰ্ণনা কৰিছে,

اِنَّ اللّٰهَ يَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآئِ ذِى الْقُرْبٰى

(16:91)

(অৰ্থ ঃ- নিশ্চয় আল্লাই ন্যায় কাৰ্য্য আৰু হিত সাধন আৰু আত্মীয়-স্বজনক দান কৰিবলৈ আদেশ দিছে।)

এই আয়াতত যি তিনিটা সোপানৰ বৰ্ণনা দিছে সেয়া মানুহে অৰ্জন কৰা উচিত। প্ৰথম শ্ৰেণী হৈছে **আদল** (ন্যায়), আদল হৈছে মানুহৰ প্ৰতিদানৰ বিনিময়ত পুণ্য কৰা। এইটো পৰিষ্কাৰ বিষয় যে, এনেকুৱা পুণ্য কোনো উন্নত মৰ্যাদাৰ বিষয় নহয় বৰঞ্চ সকলোতকৈ নিম্ন পৰ্যায় হৈছে ন্যায় কৰা। যদি এই সোপানত উন্নীত হোৱা তেন্তে পৰৱৰ্তী সোপান হৈছে **এহছান** (আনুকূল্য)ৰ সোপান অৰ্থাৎ বিনা প্ৰতিদানত পুণ্য কৰা। কিন্তু ইয়াত এয়া সঠিক নহয় যে, কোনোবাই বেয়া কৰিলে তাৰ সৈতে পুণ্য কৰা, কোনোবাই এক গালত চৰ মাৰিলে আন এটা গাল পাতি দিয়া। স্মৰণ ৰাখিবা এই শিক্ষা সাধাৰণভাবে কৰ্ম সম্পাদনত সম্ভৱ নহয়। যেনেকৈ ছাদী কৈছে, দুষ্ট লোকৰ সৈতে সদাচৰণ কৰা তদ্ৰূপ পুণ্যবান লোকৰ সৈতে বেয়া আচৰণ কৰা। এইকাৰণে ইছলাম প্ৰতিশোধৰ সীমাত যি উচ্চ মাৰ্গৰ শিক্ষা দিছে আন কোনো ধৰ্ম ইয়াৰ মোকাবিলা কৰিব নোৱাৰে আৰু সেইটো হৈছে,

وَجَزٰٓؤُا سَيِّئَةٍ سَيِّئَةٌ مِّثْلُهَا ۚ فَمَنْ عَفَا وَاَصْلَحَ (42:41)

(অৰ্থ ঃ- এটা আঘাতৰ প্ৰতিশোধ একেধৰণৰেই আঘাত; কিন্তু যি জনে ক্ষমা কৰে আৰু তাৰ দ্বাৰা উন্নতি সাধন কৰে।)

ইছলাম ভুলক ক্ষমা কৰাৰ শিক্ষা দিয়ে কিন্তু এয়া নহয় যে, ইয়াৰ পৰা বেয়া বৃদ্ধি পাব।

অৰ্থাৎ **আদল** (ন্যায়)ৰ পিছত দ্বিতীয় শ্ৰেণী হৈছে **এহছান** (আনুকূল্য) অৰ্থাৎ কোনো প্ৰতিদান অবিহনে সহায় কৰা। কিন্তু এই আচৰণতও এক ধৰণৰ স্বাৰ্থপৰতা থাকে, কোনো কোনো সময়ত মানুহে সেই এহছান বা নেকীৰ কথা জাগৰণ কৰে। এই কাৰণে ইয়াতকৈ ডাঙৰ এটা শিক্ষা দিয়া হৈছে আৰু সেয়া হৈছে اِيْتَآئِ ذِى الْقُرْبٰى ইয়াতে তেওঁ কোনো প্ৰতিদান, পুৰস্কাৰ আৰু শ্ৰদ্ধাৰ আকাঙ্খা নকৰে। তেওঁ তাৰ লগত যি পুণ্য কৰে সেয়া কেৱল প্ৰকৃতিগত ভালপোৱাতেই কৰে। বাদশ্বাহ যদি নিৰ্দেশ দিয়ে যে, তুমি তাক গাখীৰ নিদিবা, সি যদি তোমাৰ গাফলতিৰ (অৱহেলাৰ) কাৰণে মৃত্যুবৰণ কৰে, তথাপি তোমাক কোনো শাস্তি দিয়া নহ'ব বৰং পুৰস্কাৰ দিয়া হ'ব। এই পৰিস্থিতিত সি বাদশ্বাহৰ নিৰ্দেশ মানি লোৱাৰ বাবে প্ৰস্তুত নহয় বৰঞ্চ তাক গালি-গলাজ কৰিব যে,সি মোৰ সন্তানৰ শত্ৰু। ইয়াৰ কাৰণ এই যে, তাই (মা) প্ৰকৃতিগত ভালপোৱাত এনে কৰিছে। এইটো উচ্চ স্তৰৰ শিক্ষা যি ইছলামে উত্থাপন কৰে। এই আয়াত **হকুকুল্লাহ** আৰু **হকুকুল ইবাদ** দুয়োটাকে পৰিবেষ্টিত কৰি আছে। **হকুকুল্লাহৰ** দৃষ্টিকোণৰ পৰা এই আয়াতৰ অৰ্থ হৈছে, তোমালোক ন্যায়ৰ সৈতে আল্লাহ তা'লাৰ ইবাদত কৰা যিজনাই তোমালোকক সৃষ্টি কৰিছে আৰু লালন-পালন কৰিছে। যিয়ে আল্লাহৰ এই আনুগত্যৰ মৰ্যাদাত থাকি উন্নতি কৰে তেতিয়া সি যেন এহছানৰ (আনুকূল্য) অনুবৰ্তিতাত ইতায়াত (আনুগত্য) কৰে, কিয়নো সি মোহছেন (আনুকূল্যকাৰী), তাৰ এহছানসমূহক কোনেও গণনা কৰিব নোৱাৰে। মোহছেনৰ চৰিত্ৰ আৰু অভ্যাস সমূহক দৃষ্টিৰ সন্মুখত ৰাখিলে এহছান সতেজ থাকে। এই কাৰণে আঁ-হজৰত

(ছাঃ)এহছানৰ বিষয়টো এইধৰণে বৰ্ণনা কৰিছে যে, এনেকৈ আল্লাহ তা'লাক ইবাদত কৰা যেন আল্লাহক দেখিছা অথবা কমপক্ষে এইটো যে, আল্লাহ তোমাক দেখিছে। এই স্তৰলৈ মানুহৰ মাজত এটা পৰ্দা থাকে। তাৰ পিছত তৃতীয় স্তৰটো হৈছে, **ইতায়ি যিল কুৰবা**। অৰ্থাৎ আল্লাহ তা'লাৰ সৈতে তাৰ সত্তাগত ভালপোৱা সম্পৰ্ক সৃষ্টি হৈ যায়। **হকুকুল ইবাদৰ** দৃষ্টিকোণৰ পৰা মই ইয়াৰ অৰ্থ পূৰ্বে বৰ্ণনা কৰিছোঁ। মই এয়াও বৰ্ণনা কৰিছোঁ যে, কোৰাণ শ্বৰীফৰ এই শিক্ষা আন কোনো গ্ৰন্থত দিয়া নাই। কোৰাণৰ এই শিক্ষা এনেকুৱা পূৰ্ণাঙ্গীন যে কোনেও ইয়াৰ দৃষ্টান্ত উপস্থাপন কৰিব নোৱাৰে। অৰ্থাৎ

(42:41) وَجَزٰٓؤُا سَيِّئَةٍ سَيِّئَةٌ مِّثۡلُهَا

(অৰ্থ ঃ- মনত ৰাখিবা যে এটা আঘাতৰ প্ৰতিশোধ একেধৰণৰেই আঘাত।)

ইয়াত ক্ষমাৰ কাৰণে এই চৰ্ত ৰখা হৈছে, সি যেন সংশোধিত হয়। ইহুদী ধৰ্মৰ শিক্ষা আছিল চকুৰ পৰিৱৰ্তে চকু আৰু দাঁতৰ পৰিৱৰ্তে দাঁত। সিহঁতৰ মাজত প্ৰতিশোধৰ জুই ইমান বৃদ্ধি পাইছিল আৰু এই অভ্যাস ইমান প্ৰগাঢ় হৈ গৈছিল যে, পিতৃ যদি প্ৰতিশোধ নলয় তেনেহলে ল'ৰা আৰু তাৰ নাতিৰ দায়িত্বত এই নিৰ্দেশ আছিল সি যেন প্ৰতিশোধ লয়। এই পদ্ধতিত সিহঁতৰ মাজত বিদ্বেষৰ অভ্যাস বৃদ্ধি পাইছিল, সিহঁতে কঠোৰ হৃদয়ৰ অধিকাৰী আৰু নিৰ্দয় হৈছিল। খৃষ্টানসকল এই শিক্ষাৰ বিপৰীতে যি শিক্ষা দিয়ে সেয়া হ'ল কোনোবাই যদি এটা গালত চৰ মাৰে তেন্তে আন এটা গাল আগবঢ়াই দিয়া, বিনা পৰিশ্ৰমে এক ক্ৰোশ লৈ গলে দুই ক্ৰোশ আগবাঢ়ি যোৱা ইত্যাদি। এই শিক্ষাত যি ত্ৰুটি আছে সেয়া পৰিষ্কাৰ, ইয়াক আমল কৰা সম্ভৱ নহয়। খৃষ্টান চৰকাৰসমূহ কাৰ্য-ক্ষেত্ৰত প্ৰমাণ কৰিছে যে,এই শিক্ষা ত্ৰুটিপূৰ্ণ। কোনো খৃষ্টানৰ এই সাহস হ'ব নেকি যে, কোনো দুষ্ট চৰ মাৰি দাঁত পেলাই দিলে সি আন গাল আগবঢ়াই দিব যে আহা এতিয়া আন দাঁতবিলাকও পেলাই দিয়া। ইয়াতে দুষ্ট আৰু সাহসী হৈ যাব আৰু সাৰ্বজনিন শান্তিত বাধাৰ সৃষ্টি হ'ব। তথাপি আমি কেনেকৈ মানি লম যে, এই শিক্ষা উত্তম অথবা খোদা তা'লাৰ ইচ্ছানুযায়ী হ'ব পাৰে। এইটো যদি বাস্তৱায়ন হয় তথাপি কোনো দেশতে ব্যৱস্থাপনা

সম্ভৱ নহয়। এখন দেশ যদি কোনো শত্ৰুৱে কাঢ়ি লয় তেন্তে বেলেগ এখন নিজে নিজেই দি দিব লগা হয়। এজন অফিচাৰ গ্ৰেপ্তাৰ হলে বেলেগ দুজনক দিব লগীয়া হয়। এই বিলাক শিক্ষাৰ মাজত ত্ৰুটি আছে আৰু এইবিলাক সঠিক নহয়।অথবা এয়া হ'ব পাৰে যে এই শিক্ষাসমূহ নিৰ্দিষ্ট এটা সময়ৰ বিধান আছিল।সেই সময় যেতিয়া অতিবাহিত হৈ গ'ল,তেতিয়া বেলেগ ব্যক্তি সকলৰ অৱস্থানুযায়ী সেই শিক্ষা আৰু ৰৈ নাথাকিল।ইহুদী সকলৰ যুগত সিহঁতে চাৰি শ বছৰ কাল দাসত্বৰ জীৱন কটাইছিল। দাসত্বৰ জীৱনৰ কাৰণে সিহঁতৰ হৃদয়ত কষ্ট বৃদ্ধি পাইছিল আৰু সিহঁত বিদ্বেষ পৰায়ণ হৈছিল। এইটো যুক্তি সঙ্গত কথা কোনোবাই যদি বাদশ্বাহৰ যুগত বাস কৰে তাৰ চৰিত্ৰও সেই ধৰণৰ হয়। শিখসকলৰ যুগত অধিকাংশ মানুহ ডকাইতত পৰিণত হৈছিল। ইংৰাজসকলৰ যুগত শিক্ষা আৰু সভ্যতা প্ৰসাৰ লাভ কৰিছে আৰু প্ৰত্যেক ব্যক্তি এই চেষ্টাত নিয়োজিত হৈছে। সাৰাংশ হৈছে, বনি ইস্ৰাইল ফিৰাউনৰ অধীনত আছিল আৰু সেই কাৰণে সিহঁতৰ মাজত নিৰ্যাতনৰ প্ৰৱণতা বৃদ্ধি পাইছিল। এই কাৰণে তৌৰাতৰ যুগত বিশেষ আদল (ন্যায়)ৰ প্ৰয়োজন আছিল। কিয়নো সিহঁত ন্যায় সম্পৰ্কে অনভিজ্ঞ আছিল আৰু সিহঁতৰ মাজত স্বেচ্ছা-চাৰিত্ৰতাৰ অভ্যাস আছিল। সিহঁতে বিশ্বাস কৰি লৈছিল যে, দাঁতৰ পৰিৱৰ্তে দাঁত ভাঙা আৱশ্যক আৰু এইটো আমাৰ কৰ্তব্য। এই কাৰণে আল্লাহ তা'লা সিহঁতক শিক্ষা দিলে যে, বিষয়টো কেৱল **আদলত** সীমাবদ্ধ নহয় বৰং **এহছানও** (আনুকূল্য) আৱশ্যক। সেই কাৰণে মছীহ (আঃ)ৰ মাধ্যমেৰে সিহঁতৰ এই শিক্ষা দিয়া হৈছে যে, এক গালত চৰ মাৰিলে আনটো আগবঢ়াই দিয়া। সমস্ত শক্তি যেতিয়া এহছানৰ ওপৰত দিয়া হ'ল তেতিয়া সৰ্বশেষত আঁ-হজৰত (ছাঃ)ৰ জৰিয়তে আল্লাহ তা'লা এই শিক্ষাক মূলমন্ত্ৰলৈ পৌছাই দিয়ে। সেই শিক্ষা বেয়াৰ পৰিৱৰ্তে সিমানেই বেয়া। তথাপি যি ব্যক্তি সংশোধনৰ উদ্দেশ্যত ক্ষমা কৰে তাৰ প্ৰতিদান আল্লাহ তা'লাৰ ওচৰত আছে। ক্ষমাৰ শিক্ষা দিছে লগতে সংশোধনৰ বাধ্যবাধকতা ৰাখিছে, ক্ষেত্ৰ বিশেষে ক্ষমা ক্ষতিৰ কাৰক হৈ পৰে। অৰ্থাৎ ইয়াত চিন্তা কৰা উচিত, উদ্দেশ্য সংশোধনৰ হলে ক্ষমা কৰা উচিত। যেনেকৈ দুজন সেৱকৰ মাজত এজন বৰ ভাল বংশৰ, বাধ্য আৰু হিতাকাঙ্খী কিন্তু ঘটনাক্ৰমে তাৰ

পৰা কোনো ভুল হৈ গলে সেই সময়ত তাক ক্ষমা কৰাটো যথাৰ্থ। তাক শাস্তি দিয়াটো ঠিক নহয়। আনফালে এজন দুষ্টই প্ৰত্যেক দিন ক্ষতি কৰে আৰু দুষ্টামীৰ পৰা বিৰত নহয়, তাক যদি এৰি দিয়া হয় তেন্তে সি আৰু নিৰ্ভীক হৈ যাব,সেয়েহে তাক শাস্তি দিয়া উচিত। বস্তুতঃ এইভাবে ক্ষেত্ৰ আৰু পৰিস্থিতি নিৰ্ণয়ৰ মাধ্যমত কাৰ্য কৰাই ইছলামৰ শিক্ষা যি পুৰ্ণাঙ্গ। আঁ-হজৰত (ছাঃ) খাতামান্নাবীঈন আৰু কোৰাণ শ্বৰীফ খাতামাল কুতুব, ইয়াৰ পিছত নতুন কোনো শিক্ষা বা চৰিয়ত আহিব নোৱাৰে। ইয়াত আন কোনো কলিমা বা নমাজ সম্ভৱ নহয়।আঁ-হজৰত (ছাঃ)য়ে যি কৈছে, সেয়া কৰি দেখুৱাইছে আৰু কোৰাণ শ্বৰীফত যি আছে সেইবোৰ এৰি নাজাত (মুক্তি) লাভ কৰা সম্ভৱ নহয়। যিয়ে এইবিলাক পৰিত্যাগ কৰিব সি জাহান্নামত প্ৰৱেশ কৰিব। এইটো আমাৰ ধৰ্ম আৰু বিশ্বাস। ইয়াৰ সৈতে এয়াও স্মৰণ ৰখা উচিত যে, এই উম্মতৰ কাৰণে কথোপকথন আৰু বাক্যালাপৰ দুৱাৰ মুকলি আছে। অৰ্থাৎ এই দুৱাৰ কোৰাণ মজিদত আৰু আঁ-হজৰত (ছাঃ)ৰ সত্যতাৰ ওপৰত সতেজ সাক্ষ্য। এইকাৰণে খোদা তা'লা চুৰা ফাতিহাত এই দোৱা শিকোৱাইছে,

اِهۡدِنَا الصِّرَاطَ الۡمُسۡتَقِيۡمَ ۙ‏ ٦

صِرَاطَ الَّذِيۡنَ اَنۡعَمۡتَ عَلَيۡهِمۡ ۙ (1:6,7)

(অৰ্থ ঃ- আমাক সজ বাটেদি লৈ বলাঁ; যিসকলৰ প্ৰতি অনুগ্ৰহ কৰিছা,তেওঁলোকৰ বাটেদি।)

اَنۡعَمۡتَ عَلَيۡهِمۡ ৰ বাটৰ বাবে যি দোৱা শিকোৱাইছে তাত নবীসকলৰ **কামালত** (চৰম উৎকৰ্ষতা) লাভৰ ফালে ইংগিত আছে। উল্লেখ থাকে যে, নবীসকলক যি **কামাল** দিয়া হৈছে সেয়া খোদাৰ তত্ত্ব-জ্ঞানৰ **কামাল**। এই পুৰস্কাৰ সিহঁতৰ কথোপকথন আৰু বাক্যালাপৰ মাধ্যমে লাভ হৈছিল যি তোমালোকও আকাঙ্খী। অৰ্থাৎ এই পুৰস্কাৰ সম্বন্ধে চিন্তা কৰা, কোৰাণ শ্বৰীফ এই দোৱাৰ নিৰ্দেশ দিছে কিন্তু এই নিৰ্দেশৰ ফল একোৱে নহ'ল অথবা এই উম্মতৰ কোনো ব্যক্তিও এই সৌভাগ্য লাভ নকৰিলে আৰু কিয়ামত পৰ্যন্ত এই দুৱাৰ বন্ধ হৈ গ'ল। তেন্তে কোৱা ইয়াত ইছলাম আৰু আঁ-হজৰত (ছাঃ)ৰ কোনো বৈশিষ্ট্য প্ৰমাণিত হ'ব নে

অসন্মান হ'ব ? মই সঁচা সঁচা কৈছো, যি ব্যক্তি এনেকুৱা বিশ্বাস স্থাপন কৰে সি ইছলামক কলংকিত কৰে আৰু সি চৰিয়তৰ মূলমন্ত্ৰক বুজা নাই। ইছলামৰ উদ্দেশ্যৱলীৰ মাজত এই বিষয়টো আছিল যে মানুহে যেন কেৱল মৌখিক ভাবেই **ওৱাদাহু লাশ্বৰীক** (এক অদ্বিতীয়)নকয় বৰং বাস্তৱত উপলব্ধিও কৰে। বেহেস্ত আৰু দোজখৰ ওপৰত ঈমান যেন কল্পনাপ্ৰসূত নহয় বৰং বাস্তৱ জীৱনত বেহেস্তৰ অৱস্থা সম্পৰ্কে যেন সংবাদ পায় আৰু সেই সকলো পাপৰ পৰা যেন মুক্তি পায় য'ত হিংস্ৰ মানুহ নিমজ্জিত। এই মহান উদ্দেশ্য মানুহৰ আছিল আৰু আছে। এইটো ইমান পাক আৰু পৱিত্ৰ উদ্দেশ্য যি আন কোনো জাতিয়ে নিজৰ ধৰ্মত এনেকুৱা নমুনা আৰু দৃষ্টান্ত দেখুৱাব নোৱাৰে। ক'ব গলে প্ৰত্যেকেই ক'ব পাৰে কিন্তু কোন আছে যিয়ে বাস্তৱত দেখুৱাব পাৰে ?

মই আৰ্য্য আৰু খৃষ্টানসকলক সুধিছোঁ যে, সেই খোদা যাক তোমালোকে বিশ্বাস কৰা তাৰ কোনো প্ৰমাণ উপস্থাপন কৰা। সিহঁতে কেৱল মৌখিক আহমিকা আৰু গৌৰৱৰ বাহিৰে একোৱেই দেখুৱাব নোৱাৰে। সেই সত্য খোদা যাক কোৰাণ শ্বৰীফত উপস্থাপন কৰিছে তাৰ পৰা এই সকল অজ্ঞ, এইটো জনাৰ বাবে কথোপকথন এটা মাধ্যম যাৰ কাৰণে ইছলাম অইন সকলোবোৰ ধৰ্মৰ পৰা স্বতন্ত্ৰ আছিল। কিন্তু পৰিতাপ! এই মুছলমানসকল মোৰ বিৰোধীতাৰ কাৰণে সেয়াও অস্বীকাৰ কৰিছে।

নিশ্চিয় মনত ৰাখিব মানুহ পূৰ্ণাঙ্গীণভাবে আল্লাহ তা'লাৰ ওপৰত ঈমান অনাৰ পিছত পাপৰ পৰা পৰিত্ৰাণৰ শক্তি লাভ কৰিব পাৰে। পাপৰ পৰা মুক্তি লাভ কৰাই মানুহৰ জীৱনৰ ডাঙৰ উদ্দেশ্য। চোৱা ! এটা সাপ দেখিবলৈ ধুনীয়া, শিশুৱে সেইটোক হাতেৰে ধৰিবলৈ আকাঙ্খা কৰিব পাৰে আৰু হাত প্ৰসাৰিতও কৰিব পাৰে কিন্তু এজন বুদ্ধিমান জানে যে, সাপে কামুৰিব আৰু মাৰি পেলাব পাৰে। সি কেতিয়াও সাপৰ ফালে অগ্ৰসৰ নহ'ব বৰং সি যদি জানে কোনো ঘৰত সাপ আছে তেন্তে সি তাত প্ৰৱেশ নকৰিব। তেনেকৈ বিষ, যাক সি মৃত্যুৰ উপায়ান্তৰ বুলি জানে সেইটো খাবলৈ বীৰত্ব নেদেখুৱাব। গতিকে পাপক যেতিয়ালৈকে ভয়ানক বিষ হিচাবে বিশ্বাস নকৰিব তেতিয়ালৈকে তাৰ পৰা ৰক্ষা পোৱাটো সম্ভৱ নহয়। এই বিশ্বাস আধ্যাত্মিক তত্ত্ব-জ্ঞানৰ বাহিৰে সৃষ্টি হোৱাটো অসম্ভৱ। তাৰ

পিছত এইটো কি বিষয় যে, মানুহ খোদা তা'লাৰ ওপৰত ঈমান আনা সত্ত্বেও আৰু পাপক পাপ বুলি জানিও পাপৰ ওপৰত বীৰত্ব দেখুৱায়। এইটোৰ কাৰণ ইয়াৰ বাহিৰে আৰু কি যে, সেই আধ্যাত্মিক তত্ত্ব-জ্ঞান আৰু অর্ন্তদৃষ্টি শূন্য যিয়ে পাপ সম্পাদন স্বভাৱ সৃষ্টি কৰে। এই বিষয় যদি সৃষ্টি নহয় তেনেহলে মানিব লাগিব যে ইছলামৰ স্বীয় মূল উদ্দেশ্য শূন্য। মই কৈছো এনে নহয় বৰং ইছলাম পূৰ্ণভাবে উদ্দেশ্য সম্পূর্ণ কৰে। এইটোৰ মাধ্যম কেৱল এটাই সেয়া হৈছে, খোদাৰ সৈতে কথোপকথন আৰু বাক্যালাপ। কিয়নো ইয়াৰ মাধ্যমে আল্লাহ তা'লাৰ সত্তাত পূর্ণ বিশ্বাস সৃষ্টি হয়। ইয়াৰ পৰা বুজা যায় যে, বাস্তৱত আল্লাহ তা'লা পাপত অসন্তুষ্ট আৰু সেইজনাই পাপীক শাস্তি দিয়ে। পাপ এক বিষ, বিশেষ কৰি যি প্ৰথমতে সৰুৰ পৰা আৰম্ভ হয় ক্ৰমান্বয়ে ডাঙৰ হৈ থাকে আৰু পৰিণাম **কুফাৰী** (অস্বীকাৰ)ত পৰিণত হয়।

মই প্ৰাসঙ্গিকভাবে আৰু এটা কথা কওঁ যে, প্ৰত্যেক জাতি নিজ নিজ ঠাইত নিজৰ পাপৰ পৰা পৰিত্ৰাণ পোৱাৰ কাৰণে চিন্তিত। উদাহৰণস্বৰূপ, আৰ্য্য চাহাবসকলে এই বিশ্বাসত বিশ্বাসী যে, পাপৰ শাস্তিৰ বাহিৰে পৱিত্ৰ হোৱাৰ আন কোনো পদ্ধতি নাই। এটা পাপৰ পৰিৱৰ্তে কেইবা লাখ জন্ম চক্ৰ আছে। যেতিয়ালৈকে মানুহ সেই জন্ম-চক্ৰৰ কষ্ট সহ্য নকৰে তেতিয়ালৈকে সি পৱিত্ৰ হ'ব নোৱাৰে।। কিন্তু এইবিলাকত বহুতো কষ্ট আছে। সকলোতকৈ ডাঙৰ বিষয় হৈছে সমস্ত সৃষ্টি যেতিয়া পাপী তেতিয়া ইয়াৰ পৰা পৰিত্ৰাণ কেতিয়া হ'ব? ইয়াতকৈ আশ্চৰ্যজনক বিষয় হৈছে সিহঁতৰ দৃষ্টিত এই বিষয় স্বীকৃত যে, পৰিত্ৰাণ প্ৰাপ্তসকলৰও এটা সময় **মুক্তিখানা** (পৰিত্ৰাণৰ স্থান)ৰ পৰা উলিয়াই দিয়া হ'ব। তেনেহ'লে এনে পৰিত্ৰাণৰ পৰা কি লাভ হ'ল? যেতিয়া এই প্ৰশ্ন কৰা হয় যে, নাজাত (মুক্তি)ৰ পৰা কিয় উলিয়াই দিছা তেতিয়া কিছুমানে কয় উলিয়াই দিয়াৰ বাবে এটা পাপ ৰাখি দিয়া হয়। চিন্তা কৰি কোৱা এইটো কি সৰ্বশক্তিমান খোদাৰ কাৰ্য হ'ব পাৰে? অৰ্থাৎ প্ৰত্যেক আত্মা যেতিয়া স্বীয় আত্মাৰ স্ৰষ্টা, খোদা তা'লা তাৰ স্ৰষ্টা নহয় (আল্লাহ ক্ষমা কৰক) তেনেহ'লে তাৰ অধীনস্থ থকাৰ প্ৰয়োজনেই বা কি?

দ্বিতীয় দৃষ্টিকোণ খৃষ্টানসকল সিহঁতে পাপৰ পৰা পৱিত্ৰ হোৱাৰ এটা ব্যৱস্থাত এই চিন্তা কৰে যে, হজৰত ঈছা (আঃ)ক খোদা আৰু খোদাৰ পুত্ৰ মানি লোৱা, আৰু এয়াও বিশ্বাস কৰা যে, তেখেত (আঃ) আমাৰ পাপৰ বোজা বহন কৰিছে আৰু ক্ৰুছৰ মাধ্যমত অভিশপ্ত হৈছে। **নাউযুবিল্লাহ মিন যালিক** ( আমি ইয়াৰ পৰা আল্লাহ তা'লাৰ ওচৰত আশ্ৰয় ভিক্ষা খোজো)। এতিয়া চিন্তা কৰা, মুক্তি পোৱাৰ লগত এই পদ্ধতিৰ কি সম্পৰ্ক আছে? পাপৰ পৰা পৰিত্ৰাণৰ বাবে আৰু এটা বৃহৎ পাপ উদ্ভাৱন কৰি মানুহক খোদা বনোৱা হৈছে। ইয়াতকৈ ডাঙৰ বেলেগ কোনো পাপ হ'ব পাৰে নে? অৰ্থাৎ খোদা বনাই তাৎক্ষণিক ভাৱে তেখেতক অভিশপ্ত আখ্যা দিয়া হৈছে। আল্লাহ তা'লাৰ সৈতে ইয়াতকৈ বৰ বেয়া দাবী আৰু অসন্মানী আৰু কি হ'ব পাৰে? আহাৰ,নিদ্ৰাৰ মুখাপেক্ষী এজন ব্যক্তিক খোদা বনাই লোৱা হৈছে। অথচ তৌৰাতত লিপিবদ্ধ আছিল আকাশ আৰু ভূমিত যেন আন খোদা নহয়। তাৰ পিছত এই শিক্ষা দুৱাৰ আৰু চৌকাঠসমূহত লিপিবদ্ধ কৰি ৰাখিছিল। সেয়া এৰি এই নতুন খোদা বনোৱা হৈছে যাৰ (ত্ৰিত্ত্ববাদৰ) কোনো সংবাদ তৌৰাতত নাই।

মই বিজ্ঞ ইহুদীসকলক সুধিছোঁ তোমালোকৰ ওচৰত এনেকুৱা কোনো খোদাৰ সংবাদ আছে নেকি যে, মৰিয়মৰ গৰ্ভৰ পৰা আহিব আৰু ইহুদীসকলৰ হাতত মাৰ খাই থাকিব। ইয়াতে ইহুদী আলিমসকলে উত্তৰ দিয়ে এইটো কেৱল প্ৰতাৰণা, তৌৰাতৰ পৰা এনেধৰণৰ কোনো খোদাৰ সন্ধান পোৱা নাই। আমাৰ খোদা সেইজনা যিজন কোৰাণ শ্বৰীফৰ খোদা। অৰ্থাৎ কোৰাণ শ্বৰীফত যিভাবে খোদা তা'লাৰ একত্ববাদৰ সংবাদ দিছে তদ্ৰূপ আমি তৌৰাতৰ দৃষ্টিকোণৰ পৰা খোদা তা'লাক এক-অদ্বিতীয় জ্ঞান কৰো। ইয়াৰ বাহিৰে কোনো মানুহক খোদা হিচাবে গণ্য কৰিব নোৱাৰো। এইটো গুৰুত্বপূৰ্ণ কথা ইহুদীসকলক যদি কোনো খোদাৰ সংবাদ দিয়া হ'লহে তেন্তে সিহঁতে হজৰত মছীহ (আঃ)ৰ এনেকুৱা কঠিন বিৰোধীতা কিয় কৰিলে হয়? এনে কি সিহঁতে তেখেতক ক্ৰুছ বিদ্ধ কৰে আৰু **কুফৰ** কোৱাৰ অভিযোগ উত্থাপন কৰে। ইয়াৰ পৰা পৰিষ্কাৰ বুজা যায় যে, সিহঁতে এই বিশ্বাসক মানিবলৈ সমুলি প্ৰস্তুত নাছিল। বস্তুত খৃষ্টানসকলে পাপ মুক্ত কৰাৰ বাবে যি

চিকিৎসা আগবঢ়াইছে সেয়া এনেকুৱা চিকিৎসা যিয়ে স্বয়ং পাপৰ জন্ম দিয়ে। ইয়াত পাপৰ পৰা মুক্তি পোৱাৰ কোনো সম্পৰ্ক নাই। সিহঁতে পাপক পাপ মুক্ত কৰাৰ প্ৰতিকাৰ প্ৰস্তাৱ কৰিছে যি কোনো অৱস্থা আৰু পৰিস্থিতিতেই সমীচীন নহয়। সিহঁত নিজেই নিজৰ নিৰ্বোধ বন্ধু। সিহঁতৰ উপমা সেই বান্দৰৰ সদৃশ যি নিজে ৰক্ষা পাবলৈ স্বীয় মালিকক হত্যা কৰিছে। পাপৰ পৰা পৰিত্ৰাণৰ বাবে এনেকুৱা এক পাপ প্ৰস্তাৱ কৰিছে যি কোনো অৱস্থাতেই ক্ষমা কৰা নহ'ব। অৰ্থাৎ **শিৰক** (অংশী) পাতিছে আৰু দুৰ্বল মানুহক খোদা বনাই লৈছে। মুছলমানসকলৰ বাবে কিমান আনন্দৰ বিষয় যে, সিহঁতৰ খোদা এনেকুৱা খোদা নহয় যাৰ ওপৰত কোনো আপত্তি অথবা আক্ৰমণ হ'ব পাৰে। সিহঁতে তাৰ শক্তি, কুদৰত আৰু ছিফাত (গুণাৱলী) সমূহৰ ওপৰত ঈমান ৰাখে। অথচ যিসকলে মানুহক খোদা বনাইছে আৰু তাৰ কুদৰতসমূহক অস্বীকাৰ কৰিছে সিহঁতৰ কাৰণে খোদা বিদ্যমান থকা বা নথকা সমান। উদাহৰণস্বৰূপে আৰ্য্যসকলৰ বিশ্বাস যে অণু-পৰমাণু নিজেই নিজ সত্তাৰ খোদা আৰু সেইজনা (আল্লাহ) একোৱেই সৃষ্টি কৰা নাই। এতিয়া কোৱা,অণু পৰমাণুৰ স্ৰষ্টা যদি খোদা নহয় তেন্তে অণু পৰমাণু প্ৰতিষ্ঠিত কৰাৰ কাৰণে খোদাৰ প্ৰয়োজন কি ? শক্তি যেতিয়া নিজে নিজেই বিদ্যমান আৰু সেইবিলাকৰ সংযোজন আৰু বিয়োজনৰ শক্তিও নিজেই ৰাখে তেন্তে ন্যায়ৰ সৈতে কোৱা, সিহঁতৰ কাৰণে খোদাৰ সত্তাৰ প্ৰয়োজন কি ? মই ভাবো এই আকীদা পোষণকাৰী আৰ্য্য আৰু নাস্তিকসকলৰ মাজত মাত্ৰ উনিশ বিশৰ পাৰ্থক্য। কেৱল ইছলাম এনে এক ধৰ্ম যি পূৰ্ণ আৰু জীৱিত। এতিয়া পুনৰায় ইছলামৰ শান-শওকত (মহান সৌন্দৰ্য্য) প্ৰতিষ্ঠিত হোৱাৰ সময় আহি গৈছে। এই উদ্দেশ্যক লৈ মই আগমন কৰিছোঁ।

বৰ্তমান আকাশৰ পৰা যি পোহৰ আৰু কল্যাণ অৱতীৰ্ণ হৈছে মুছলমানসকলে সেইবিলাকক সন্মান কৰা উচিত। আল্লাহ তা'লাৰ কৃতজ্ঞতা প্ৰকাশ কৰা উচিত যে, সেইজনা সঠিক সময়ত সিহঁতৰ কাৰণে সহায়ৰ হাত আগবঢ়াইছে। আল্লাহ তা'লা স্বীয় ওৱাদানুযায়ী (প্ৰতিশ্ৰুতি অনুযায়ী) এই বিপদৰ সময়ত সহায় কৰিছে। তথাপি সিহঁতে যদি খোদা তা'লাৰ এই নিয়ামতক সন্মান নকৰে তেন্তে খোদা তা'লা

সিহঁতৰও কোনো ভ্ৰূক্ষেপ নকৰিব। সেইজনা স্বীয় কাৰ্য অৱশ্যই বাস্তৱায়ন কৰিব কিন্তু সিহঁতৰ বাবে হ'ব পৰিতাপ!

মই অত্যন্ত পূৰ্ণ বিশ্বাস আৰু বিবেকৰ সৈতে কৈছো যে, আল্লাহ তা'লাৰ ইচ্ছা আন ধৰ্মসমূহ সমাপ্ত কৰি ইছলামক জয়যুক্ত আৰু শক্তিশালী কৰিব। এতিয়া কোনো হাত আৰু শক্তি এনেকুৱা নাই যে, আল্লাহৰ পৰিকল্পনাৰ মোকাবিলা কৰিব পাৰে।

(85:17) فَعَّالٌ لِّمَا يُرِيْدُ ﴿١٧﴾

(অৰ্থ ঃ- সেইজনা যি তেওঁৰ ইচ্ছা কাৰ্য্যকৰী কৰাব পাৰে)

হে মুছলমানসকল ! স্মৰণ ৰাখিবা আল্লাহ তা'লা মোৰ মাধ্যমে তোমালোকক এই সংবাদ দিছে আৰু মই মোৰ সেই সংবাদ পৌছাই দিছোঁ। এতিয়া ইয়াক শ্ৰৱণ কৰা বা নকৰা তোমালোকৰ দায়িত্ব। হজৰত ঈছা (আঃ) মৃত্যুবৰণ কৰিছে এইটো সত্য কথা। মই খোদা তা'লাৰ শপত লৈ কৈছো,যি প্ৰতিশ্ৰুত আহিব লগা আছিল সেইজন মইয়ে। এইটো নিশ্চিত বিষয় যে, ঈছাৰ মৃত্যুত ইছলামৰ জীৱন নিহিত।

এই বিষয়ত চিন্তা কৰিলে বুজিব পাৰিবা যে, এই বিষয়টো খৃষ্টান ধৰ্মৰ নিঃশেষকাৰী। এইটো খৃষ্টান ধৰ্মৰ অত্যন্ত শক্তিশালী স্তম্ভ আৰু ইয়াৰ ওপৰতেই এই ধৰ্মৰ অট্টালিকা নিৰ্মাণ কৰা হৈছে। ইয়াক নিঃশেষ হ'বলৈ দিয়া। মোৰ বিৰুদ্ধবাদীসকল যদি খোদাভীতি আৰু তাকৱাৰ সৈতে কাম কৰিলেহেঁতেন তেন্তে এই বিষয়টো অত্যন্ত পৰিষ্কাৰ ভাবে মীমাংসা হ'লহেঁতেন। এনেকুৱা এজনৰ নাম কোৱা, যিয়ে হিংস্ৰতা পৰিত্যাগ কৰি মোৰ ওচৰত আহিছে আৰু নিজৰ সান্তনা খুজিছে। সিহঁতৰ অৱস্থাতো এয়াই যে, মোৰ নাম উচ্চাৰণ কৰোঁতেই সিহঁতৰ মুখৰ পৰা ফেনা আহিবলৈ ধৰে আৰু সিহঁতে গালি-গলাজ কৰিবলৈ আৰম্ভ কৰে। এনেদৰে কোনো ব্যক্তিয়ে সত্যৰ সন্ধান পাবনে ?

মই কোৰাণ শ্বৰীফৰ অকাট্য যুক্তি, হাদীছ আৰু চাহাবাসকল (ৰাঃ)ৰ ইজমা উপস্থাপন কৰিছোঁ তথাপি সিহঁতে এই কথাবিলাক শ্ৰৱণ নকৰি **কাফিৰ, কাফিৰ** আৰু **দাজ্জাল দাজ্জাল** বুলি কৈ চিঞৰ-বাখৰ কৰে। মই স্পষ্টভাবে কৈছো

তোমালোকে কোৰাণ শ্বৰীফৰ পৰা প্ৰমাণ কৰা, মছীহ্ জীৱিত আকাশত উঠি গৈছে। আঁ-হজৰত (ছাঃ)ৰ বৰ্ণনাৰ বিৰুদ্ধে কোনো বিষয় উপস্থাপন কৰা অথবা আবু বক্কৰ (ৰাঃ)ৰ সময়ত আঁ-হজৰত (ছাঃ)ৰ মৃত্যুত প্ৰথমে যি ইজমা হৈছিল সেইটোৰ বিপৰীত কোনো প্ৰমাণ উপস্থাপন কৰা, তেতিয়া (সিহঁতৰ) কোনো ধৰণৰ উত্তৰ পোৱা নাযায়। ইয়াৰ বাহিৰে কিমান যে মানুহ চিঞৰ-বাখৰ কৰে আগমনকাৰী মছীহ ইবনে মৰিয়ম যদি ইস্ৰাইলী নবী নহয় তেন্তে আগমনকাৰীৰ নাম এয়া কিয় ৰখা হৈছে ? মই কৈছো যে, এই আপত্তি অত্যন্ত নিৰ্বোধ সুলভ। আশ্চৰ্যৰ বিষয় আপত্তিকাৰীসকল নিজৰ সন্তানসকলৰ নাম মুছা, ঈছা, দাউদ, আহমদ, ইব্ৰাহিম আৰু ইছমাইল ৰাখিব পাৰে আৰু আল্লাহ যদি কাৰোৰ নাম ঈছা ৰাখে তেনেহ'লে তাত কি আপত্তি। এই স্থানত চিন্তাৰ বিষয় এয়া আছিল যে, আগমনকাৰী নিদৰ্শনসহ আহিছে নে নাই ? সিহঁতে যদি এই নিদৰ্শনসমূহক দেখিলে হয় তেন্তে অস্বীকাৰৰ সাহস নকৰিলে হয়, কিন্তু সিহঁতে নিদৰ্শন আৰু সাহায্যসমূহৰ ভৰসা নকৰি দাবী শুনোতেই কৈ দিলে,**আন্তা কাফেৰ** (অৰ্থাৎ তুমি কাফিৰ)।

এইটো নিয়মৰ কথা যে, খোদা তা'লাৰ নবী আৰু প্ৰত্যাদিষ্টসকলৰ চিনাক্ত কৰাৰ মাধ্যম হৈছে সিহঁতৰ মো'জেযা আৰু নিদৰ্শন। যেনেকৈ চৰকাৰৰ ফালৰ পৰা যদি কোনোবাক বিচাৰক বনোৱা হয় তেন্তে তাক নিদৰ্শন দিয়া হয়। তদ্ৰূপ খোদা তা'লাৰ প্ৰত্যাদিষ্টসকলক চিনাক্ত কৰাৰ বাবেও নিদৰ্শন হৈ থাকে। মই দাবীৰ সৈতে কৈছো খোদা তা'লা মোৰ সাহায্যাৰ্থে এটা দুটা,এশ দুশ নহয় বৰং লাখ লাখ নিদৰ্শন প্ৰকাশ কৰিছে। সেই নিদৰ্শনসমূহ এনেকুৱা নহয় যে,কোনেও সেইবিলাক নাজানে বৰং লাখ সংখ্যাধিক সেইবিলাকৰ সাক্ষী আছে। মই ক'ব পাৰো এই জলছাতও এনেকুৱা শ শ সাক্ষী উপস্থিত আছে। মোৰ কাৰণে আকাশৰ পৰা নিদৰ্শন প্ৰকাশিত হৈছে আৰু পৃথিৱীৰ পৰাও নিদৰ্শন প্ৰকাশিত হৈছে।

সেইবিলাক নিদৰ্শন যি মোৰ দাবীৰ সৈতে বিশেষ সম্পৰ্কযুক্ত আছিল আৰু পূৰ্ববৰ্তী নবীসকল আৰু আঁ-হজৰত (ছাঃ)ৰ মাধ্যমে ভৱিষ্যৎবাণী কৰা হৈছিল সেইবিলাক পূৰ্ণ হৈ গৈছে। উদাহৰণস্বৰূপ সেইবিলাক(নিদৰ্শনসমূহ)ৰ পৰা এটা নিদৰ্শন হৈছে, চন্দ্ৰ আৰু সূৰ্য গ্ৰহণ যি আপোনালোক সকলোৱে অবলোকন

কৰিছে। ছহী হাদীছত সংবাদ দিয়া হৈছিল মছীহ আৰু মাহদীৰ সময়ত ৰমজান মাহত চন্দ্ৰ আৰু সূৰ্য গ্ৰহণ হ'ব। কোৱা, এই নিদৰ্শন পূৰ্ণ হৈছে নে নাই ? কোনোবা আছে নেকি যিয়ে ক'ব পাৰে আল্লাই এই নিদৰ্শন দেখুৱা নাই ? তেনেকৈ এই সংবাদও দিয়া হৈছিল যে, সেই যুগত প্লেগ মহামাৰী বিয়পিব, ইমান ভয়ানক হ'ব যে ১০ জনৰ মাজত ৭ জনৰ মৃত্যু হ'ব, এতিয়া কোৱা প্লেগৰ নিদৰ্শন প্ৰকাশ হৈছে নে নাই ? আৰু লিখা আছিল যে, সেই সময়ত এক প্ৰকাৰ নতুন বাহন আৱিষ্কাৰ হ'ব যাৰ কাৰণে উট অচল হৈ পৰিব। ৰেল প্ৰৱৰ্তনৰ মাধ্যমত এই নিদৰ্শন পূৰ্ণ হোৱা নাই নে ? নিদৰ্শনৰ ধাৰাবাহিকতা ইমান ব্যাপক যি মই কিমান দূৰলৈ গণনা কৰিম। এতিয়া চিন্তা কৰা, মই দাবীকাৰক দাজ্জাল আৰু কাফিৰ আখ্যায়িত হৈছোঁ। তেন্তে এইটো কি শাস্তি হ'ল যে, মই মিছলীয়া হোৱা সত্বেও সকলোবোৰ নিদৰ্শন পূৰ্ণ হৈ গ'ল। তাৰ পিছত আগমনকাৰী যদি আন কোনোবা হৈ থাকে তেনেহ'লে সি কি পাব ? সামান্যতম ন্যায় কৰা আৰু খোদাক ভয় কৰা। খোদা তা'লা কি কোনো মিছলীয়াক এনেধৰণৰ সহায় কৰে নে ? অদ্ভুত বিষয় হৈছে, মোৰ মোকাবিলাত যিয়ে আহিছে সি বিফল আৰু ব্যৰ্থ হৈছে। বিৰুদ্ধবাদীসকল মোক যি কষ্ট আৰু বিপদত পেলাইছে মই তাৰ পৰা নিৰাপদ আৰু সফল হৈ ওলাই আহিছো। সেয়া সত্বেও মই যদি মিছলীয়া হওঁ কোনোবাই শপত খাই ক'ব পাৰিবনে যে, মিছলীয়াৰ সৈতে এনেকুৱা ব্যৱহাৰ হৈ থাকে।

মোক পৰিতাপৰ সৈতে ক'ব লগা হৈছে যে, এই ভিন্নমত পোষণকাৰী আলিমসকলৰ কি হৈছে, সিহঁতে কিয় ভালদৰে কোৰাণ শ্বৰীফ আৰু হাদীছসমূহ নপঢ়ে ? সিহঁতে নেজানে নে যে উম্মতৰ যিমান সন্মানিত ব্যক্তিবৰ্গ মৃত্যুবৰণ কৰিছে, সিহঁত সকলোৱে মছীহ মাওউদৰ আগমন চৈধ্য শতাব্দীত (হ'ব বুলি) উল্লেখ কৰিছে। সকলো দিব্যদৰ্শন লাভকাৰীসকলৰ দিব্যদৰ্শন ইয়াতেই আহি থাম গৈছে।

**হুজাজুল কিৰামাত** পৰিষ্কাৰ ভাবে আছে যে (ইমাম মাহদীৰ আগমন) চৈধ্য শতাব্দী অতিক্ৰম নকৰিব।এই সকল ব্যক্তি মেম্বাৰত থিয় হৈ বৰ্ণনা কৰিছিল যে, তেৰ শতাব্দীৰ পৰা প্ৰাণীবোৰেও ক্ষমা ভিক্ষা খুজিছে। চৈধ্য শতাব্দী বৰকতপূৰ্ণ হ'ব কিন্তু এইটো কি হ'ল সেই চৈধ্য শতাব্দীত যি এজন প্ৰতিশ্ৰুত ইমাম আহিব লগা

আছিল সেই স্থানত সত্যবাদী অহাৰ পৰিৱৰ্তে মিছলীয়া আহি গ'ল আৰু তাৰ সমৰ্থনত হাজাৰ হাজাৰ, লাখ লাখ নিদৰ্শনও প্ৰকাশ পালে আৰু খোদা তা'লা প্ৰত্যেক ক্ষেত্ৰত আৰু মোকাবিলাত তাক সহায় কৰিছে। এই কথাবিলাক চিন্তা-ভাৱনা কৰি উত্তৰ দিয়া। এনেতে মুখৰ পৰা এটা কথা ওলাই দিয়াটো সহজ কিন্তু খোদা তা'লাৰ প্ৰতি ভয় ৰাখি কথা কোৱাটো কঠিন।

ইয়াৰ বাহিৰে এই কথাৰ ফালেও দৃষ্টি দিয়া উচিত খোদা তা'লা এজন মিছলীয়াক আৰু প্ৰতাৰক মানুহক ইমান ব্যাপক অৱকাশ নিদিয়ে যাতে সি আঁ-হজৰত (ছাঃ)তকৈয়ো বেছি বয়স পাব। মোৰ বয়স ৬৭ বছৰ আৰু মোৰ প্ৰত্যাদিষ্ট হোৱাৰ বয়স ২৩ বছৰতকৈ অধিক হৈ গৈছে। মই যদি মিছলীয়া আৰু প্ৰতাৰক হ'ল হয় তেনেহ'লে আল্লাহ তা'লা এই বিষয়টোক ইমান দীৰ্ঘায়িত হ'ব নিদিলে হয়। কিছুমান ব্যক্তিয়ে এয়াও কয় যে, তুমি অহাত কি উপকাৰ হৈছে? স্মৰণ ৰাখিবা মোৰ অহাৰ উদ্দেশ্য দুটা। প্ৰথম,এই সময়ত অন্যান্য ধৰ্ম ইছলামৰ ওপৰত যি প্ৰাধান্য আছে আৰু অনুমান হয় সিহঁতে ইছলামক গিলি পেলাইছে, ইছলাম অত্যন্ত দুৰ্বল আৰু এতীম শিশুৰ নিচিনা হৈ গৈছে। এতিয়া খোদা তা'লা মোক প্ৰেৰণ কৰিছে যেন অকাৰ্যকৰ ধৰ্মসমূহৰ আক্ৰমণৰ পৰা ইছলামক ৰক্ষা কৰো। ইছলামৰ শক্তিশালী দলিল আৰু সত্যতাৰ প্ৰমাণসমূহ উপস্থাপন কৰো। সেই প্ৰমাণসমূহ জ্ঞানমূলক দলিলৰ বাহিৰেও ঐশ্বৰিক নুৰ আৰু ঐশ্বৰিক কল্যাণ আছে যি সৰ্বদা ইছলামৰ সাহায্যত প্ৰকাশিত হৈ আহিছে। এতিয়া যদি তোমালোকে পাদ্ৰীসকলৰ ৰিপোৰ্টসমূহ পঢ়া তেতিয়া বুজিব পাৰিবা। সিহঁতে ইছলামৰ বিৰুদ্ধে কি কি ব্যৱস্থা লৈছে আৰু সিহঁতৰ একো একোখন পুস্তক ব্যাপক সংখ্যাত প্ৰকাশিত হৈছে। এনে অৱস্থাত ইছলামৰ নাম উজ্জ্বল কৰা আৱশ্যক আছিল। অতএৱ এই উদ্দেশ্যত আল্লাহ তা'লা মোক প্ৰেৰণ কৰিছে। মই নিশ্চিত কৈছো, ইছলামৰ বিজয় অৱশ্যই হ'ব আৰু সেইবিলাকৰ চিহ্ন প্ৰকাশিত হৈ গৈছে। হয় এইটো সত্য কথা যে,এই বিজয়ৰ কাৰণে কোনো তৰোৱাল বা বন্দুকৰ প্ৰয়োজন নাই। খোদা তা'লা মোক অস্ত্ৰ দি পঠোৱা নাই। এই সময়ত যি ব্যক্তি এনেধৰণৰ ধাৰণা কৰিব সি ইছলামৰ মূৰ্খ বন্ধু। ধৰ্মৰ উদ্দেশ্য হৃদয় সমূহক জয় কৰা, এই উদ্দেশ্য তৰোৱালৰ

দ্বাৰা লাভ কৰা সম্ভৱ নহয়। মই বাৰম্বাৰ কৈ আহিছো আঁ-হজৰত (ছাঃ)ৰ তৰোৱাল ধাৰণ কৰাটো কেৱল স্বীয় সুৰক্ষা আৰু আত্মৰক্ষাৰ কাৰণে আছিল। সেয়া সেই সময় আছিল যেতিয়া বিৰুদ্ধবাদী আৰু অস্বীকাৰকাৰীসকলে নিৰ্যাতনৰ সীমা অতিক্ৰম কৰিছিল আৰু অসহায় মুছমানসকলৰ তেজত মাটি ৰঙা হৈ গৈছিল।

প্ৰকৃততে মোৰ আগমনৰ উদ্দেশ্য হৈছে অন্যান্য ধৰ্মৰ ওপৰত ইছলামক বিজয়ী কৰা।

দ্বিতীয় উদ্দেশ্য হৈছে, সেই সকল লোক যিসকলে কয় আমি নমাজ পঢ়ো, অমুক কৰো,তমুক কৰো এইবিলাক কেৱল মৌখিক কথা। ইয়াৰ কাৰণে আৱশ্যক মানুহৰ মাজত যেন সেই পৰিৱৰ্তন সাধন হয় যি ইছলামৰ মূল ভিত্তি। মই কেৱল এইটো জানো, কোনো ব্যক্তি মোমিন আৰু মুছলমান হ'ব নোৱাৰে যেতিয়ালৈকে আবু বক্কৰ, ওমৰ, উছমান, আলী (ৰাঃ)ৰ নিচিনা গুণবিশিষ্ট নহয়। পৃথিৱীৰ সৈতে সিহঁতৰ ভালপোৱা নাছিল বৰং সিহঁতে নিজৰ জীৱন খোদা তা'লাৰ পথত উৎসৰ্গ কৰি ৰাখিছিল। এতিয়া যিবিলাক আছে সেয়া সকলো পাৰ্থিৱ, পৃথিৱীত ইমান লোভ সৃষ্টি হৈছে যে, খোদা তা'লাৰ কাৰণে কোনো স্থান অৱশিষ্ট থাকিবলৈ দিয়া নাই। বাণিজ্য, অট্টালিকা আনকি নমাজ, ৰোজাও যদি কৰে সেয়াও দুনিয়াৰ কাৰণে। পাৰ্থিৱতাৰ সান্নিধ্য লাভৰ বাবে সকলোবোৰ কৰে কিন্তু ধৰ্মৰ ক্ষেত্ৰত বিন্দু পৰিমাণও ভ্ৰূক্ষেপ নকৰে। এতিয়া প্ৰত্যেক ব্যক্তি উপলব্ধি কৰিব পাৰেনে যে ইছলামক মান্য আৰু গ্ৰহণ কৰাৰ উদ্দেশ্য কি এইখিনিয়ে আছিল যি ভাৱি লোৱা হৈছে? অথবা ভিন্ন কোনো উৎকৃষ্ট উদ্দেশ্য আছে নে? আমি কেৱল এইটো জানো মোমিনক পৱিত্ৰ কৰা হৈ থাকে আৰু তাৰ মাজত ফিৰিস্তাসকলৰ গুণ সৃষ্টি হৈ থাকে। আল্লাহ তা'লাৰ নৈকট্য যিমানেই বৃদ্ধি হৈ থাকে সি সিমানেই খোদা তা'লাৰ কালাম শুনে আৰু তাৰ পৰা সান্তনা পায়। তোমালোকৰ প্ৰত্যেকৰে নিজ নিজ হৃদয়ে চিন্তা কৰা উচিত যে, সেই মৰ্যাদা লাভ হৈছে নে? মই সঁচা সঁচা কৈছো যে, তোমালোক কেৱল চামৰা আৰু বাকলিৰ ওপৰত সন্তুষ্ট হৈছা। অথচ এইটো কোনো বিষয় নহয়, খোদা তা'লা মূলটো বিচাৰে। অতএৱ ইছলামৰ ওপৰৰ বাহিৰৰ আক্ৰমণসমূহ যিভাবে প্ৰতিৰোধ কৰা মোৰ কাম তদ্ৰূপ ইছলামৰ

বাস্তৱতা আৰু ৰুহ (আত্মা) সৃষ্টি কৰাও মোৰ কাম। মই সঠিক মুছলমানসকলৰ হৃদয়ত খোদা তা'লাৰ পৰিৱৰ্তে পৃথিৱীৰ মূৰ্তিক যি সন্মান দিয়া হৈছে, পৃথিৱীৰ আশা-আকাঙ্খা, মোকৰ্দ্দমা আৰু মীমাংসাৰ যি মূৰ্তি আছে, সেই মূৰ্তিক যেন চূৰ্ণ-বিচূৰ্ণ কৰা হয় আৰু সিহঁতৰ হৃদয়ত যেন আল্লাহ তা'লাৰ মাহাত্ম্য আৰু প্ৰতাপ সৃষ্টি হয়, ইয়াৰ বাহিৰে ঈমানৰ গছ যেন সতেজ ফল দিয়ে। এতিয়া গছৰ আকৃতিটো আছে কিন্তু মূল নাই। কিয়নো মূল গছ সম্পৰ্কে আল্লাহ তা'লা কৈছে,

أَلَمْ تَرَ كَيْفَ ضَرَبَ اللَّهُ مَثَلًا كَلِمَةً طَيِّبَةً كَشَجَرَةٍ طَيِّبَةٍ أَصْلُهَا ثَابِتٌ وَفَرْعُهَا فِي السَّمَاءِ ﴿٢٥﴾ (14:25)

تُؤْتِي أُكُلَهَا كُلَّ حِينٍ بِإِذْنِ رَبِّهَا (14:26)

(অৰ্থ ঃ- তোমালোকে ভাবি চোৱা নাই নে, আল্লাই কিদৰে পৱিত্ৰ বাক্যৰ উপমা দিছে এজোপা পৱিত্ৰ গছৰ নিচিনা; তাৰ শিপা শকত আৰু তাৰ শাখাসমূহ আকাশ পাইছেগৈ।) (14:25)
(নিজ প্ৰভুৰ বিধিমতে ই নিয়মিত সময়ত ফল উৎপাদন কৰে।) (14:26)

أَصْلُهَا ثَابِتٌ ৰ অৰ্থ হৈছে, ঈমানৰ মূল দৃঢ়ভাবে প্ৰোথিত আৰু প্ৰতিষ্ঠিত। পূৰ্ণ বিশ্বাসৰ স্তৰ পাইছে আৰু সেয়া সদায় নিজৰ ফল দিছে। কোনো সময়ত শুকান বৃক্ষৰ নিচিনা নহয়। কোৱা, এতিয়া সেই অৱস্থা আছেনে? বহুতে কৈ থাকে প্ৰয়োজনই বা কি? সেই ৰোগী কিমান যে নিৰ্বোধ যিয়ে কয় ডাক্তৰৰ প্ৰয়োজনই বা কি? সি যদি ডাক্তৰৰ মুখাপেক্ষী হোৱাৰ প্ৰয়োজন অনুভৱ নকৰে তেনেহ'লে ইয়াৰ মৃত্যুৰ বাহিৰে আৰু কি হ'ব পাৰে? এতিয়া নিঃসন্দেহে মুছলমানসকল أَسْلَمْنَا ত আছে কিন্তু آمَنَّا ৰ অন্তৰ্ভুক্তত নাই। آمَنَّا সেই সময়ত লাভ হয় যেতিয়া এক নুৰ সঙ্গী হয়।

প্ৰকৃতপক্ষে এইবিলাক সেই কথা যাৰ কাৰণে মই প্ৰেৰিত হৈছো। এই কাৰণে মোক মিছলীয়া সাব্যস্ত কৰাৰ বাবে খৰ-ধৰ নকৰিবা বৰং খোদা তা'লাক ভয় কৰা আৰু তৌবা কৰা। কিয়নো তৌবাকাৰীসকলৰ জ্ঞান তীক্ষ্ণ হৈ থাকে। প্লেগৰ নিদৰ্শন অত্যন্ত ভয়ানক নিদৰ্শন এই সম্পৰ্কে খোদা তা'লাৰ যি কালাম অৱতীৰ্ণ হৈছে সেয়া হৈছে

إِنَّ اللَّهَ لَا يُغَيِّرُ مَا بِقَوْمٍ حَتَّىٰ يُغَيِّرُوا مَا بِأَنفُسِهِمْ ۗ

(13:12)

(অৰ্থ ঃ- নিশ্চয় কোনো জাতিয়ে নিজেই নিজৰ অৱস্থা পৰিৱৰ্তন নকৰিলে, আল্লাই সিহঁতৰ অৱস্থাৰ কোনো পৰিৱৰ্তন নকৰে।)

এয়া খোদা তা'লাৰ কালাম। সেই ব্যক্তিৰ কাৰণে অভিসম্পাত যিয়ে আল্লাহ তা'লাৰ সৈতে প্ৰতাৰণা কৰে। খোদা তা'লা কৈছে, মোৰ পৰিকল্পনা সেই সময়ত পৰিৱৰ্তন হ'ব যেতিয়া মানুহৰ হৃদয়সমূহ পৰিৱৰ্তন হ'ব। অৰ্থাৎ খোদা তা'লা আৰু তাৰ ক্ৰোধক ভয় কৰা। সাধাৰণ বিষয়ে কোনেও কাৰোৰ দায়িত্ব ল'ব নোৱাৰে, কাৰোৰ কোনো সাধাৰণ মোকৰ্দমা হলে অধিকাংশ লোক বিশ্বস্ততা এৰি দিয়ে। তেনেহলে আখিৰাতৰ সম্পৰ্কে কি ভৰসা কৰিব পাৰা ? আল্লাহ কয়,

(80:35) يَوْمَ يَفِرُّ الْمَرْءُ مِنْ أَخِيهِ ۝٣٥

(অৰ্থ ঃ- এটা দিনত যেতিয়া এজন মানুহে দৌৰি পলাব তেওঁৰ ভ্ৰাতৃৰ পৰা।)

বিৰুদ্ধ বাদীসকলৰ কৰ্তব্য আছিল সঠিক ধাৰণা ৰখা আৰু

(17:37) وَلَا تَقْفُ مَا لَيْسَ لَكَ بِهِ عِلْمٌ

(অৰ্থ ঃ- যি বিষয়ে তোমাৰ (সঠিক) জ্ঞান নাই তাৰ অনুধাৰন নকৰিবা।)

কিন্তু সিহঁতে খৰ-ধৰ কৰিলে। স্মৰণ ৰাখিবা পূৰ্বৰ জাতিসমূহ এইদৰেই ধ্বংস হৈছে। জ্ঞানী সেইজন যিয়ে বিৰোধীতা কৰাৰ পিছতো যেতিয়া তেওঁ বুজি পায় যে, তেওঁ ভ্ৰান্তিত আছে তেতিয়া তাক এৰি দিয়ে। খোদা তা'লাৰ ভয়

থাকিলে এই বিষয়ে লাভান্বিত হোৱা সম্ভৱ। প্ৰকৃতপক্ষে নিজৰ ভুল স্বীকাৰ কৰাই পুৰুষত্বৰ কাম। সি বীৰ আৰু খোদা তা'লা তাক পছন্দ কৰে।

এইবোৰ কথা এৰি ইয়াত মই **অনুমান** সম্পৰ্কে কিছু ক'ব বিচাৰো। কোৰাণ, হাদীছ আৰু চাহাবাসকলৰ ইজমাৰ অকাট্য প্ৰমাণসমূহে মোক সহায় কৰিছে। ঐশ্বৰিক নিদৰ্শন আৰু সাহায্যসমূহ মোক সমৰ্থন কৰিছে। সেয়া সত্বেও **অনুমানৰ** মাধ্যমত এই দলিল পূৰ্ণ কৰিব পৰা যায়। এই কাৰণে দেখা উচিত **অনুমানে** কি কয় ? দৃষ্টান্ত অবিহনে মানুহ কেতিয়াও এনেকুৱা কোনো বিষয়ক গ্ৰহণ কৰিবলৈ প্ৰস্তুত নহয়। উদাহৰণ স্বৰূপ কোনো ব্যক্তি যদি কয় বতাহ তোমাৰ সন্তানক আকাশত উৰাই লৈ গৈছে অথবা সন্তান কুকুৰ হৈ পলায়ন কৰিছে। তোমালোকে কি এই কথাযাৰ বিনা যুক্তিসংগত কাৰণ সন্ধান নকৰি মানি ল'বানে ? কেতিয়াও নহয়। এই কাৰণে কোৰাণ মজিদ কয়,

(16:44) فَسۡـَٔلُوۡۤا اَہۡلَ الذِّکۡرِ اِنۡ کُنۡتُمۡ لَا تَعۡلَمُوۡنَ ﴿۴۴﴾

(অৰ্থ ঃ- যদি এই বিষয়ে তোমালোকৰ জ্ঞান নাই, তেন্তে উপদেশ গ্ৰহণকাৰী সকলক সুধি চোৱা।)

এতিয়া মছীহ (আঃ)ৰ মৃত্যু সংক্ৰান্ত দলিলসমূহৰ বাহিৰে তেওঁৰ মৃত্যু আৰু আকাশত যোৱা সম্পৰ্কে চিন্তা কৰা। এয়া সকলোৰে জনা কথা যে, **কুফ্‌ফাৰ** (অবিশ্বাসী সকল) আঁ-হজৰত (ছাঃ)ৰ পৰা আকাশত উঠি যোৱাৰ সম্পৰ্কে মো'জেযা (নিদৰ্শন) খুজিছিল। আঁ-হজৰত (ছাঃ) সকলো ফালৰ পৰা পূৰ্ণাঙ্গীন আৰু উত্তম আছিল তেখেত (ছাঃ)ৰ উচিত আছিল আকাশত উঠি যোৱা। কিন্তু তেখেত (ছাঃ) খোদা তা'লাৰ ওহীৰ ভিত্তিত উত্তৰ দিলে,

قُلۡ سُبۡحَانَ رَبِّیۡ ہَلۡ کُنۡتُ اِلَّا بَشَرًا رَّسُوۡلًا ﴿۹۴﴾

(17:94)

(অৰ্থ ঃ- (হে মহম্মদ) এনেবোৰ অযথা কথাৰ এয়ে উত্তৰ দিয়া, মোৰ প্ৰভু পৰম পৱিত্ৰ; মই (আল্লাহৰ প্ৰেৰিত) ৰচুল হৈ অহা এজন মানুহ মাথোন।)

ইয়াৰ উদ্দেশ্য হৈছে, (হে মহম্মদ) তুমি কৈ দিয়া আল্লাহ তা'লা ওৱাদা বৰ্হিভূত কামৰ পৰা পৱিত্ৰ। তেওঁ যেতিয়া মানুহৰ বাবে সশৰীৰে আকাশত উঠি যোৱাটো নিষিদ্ধ কৰি ৰাখিছে তেতিয়া মই যদি যাওঁ তেন্তে মিছলীয়া প্ৰমাণিত হ'ম। অতএৱ তোমালোকৰ এই বিশ্বাস যদি সঠিক হয় যে, মছীহ আকাশত গৈছে তেনেহলে ইয়াৰ মোকাবিলাত কোনো পাদ্ৰী যদি এই আয়াত উপস্থাপনপূৰ্বক আঁ-হজৰত (ছাঃ)ৰ ওপৰত আপত্তি কৰে তেন্তে তোমালোকে ইয়াৰ কি উত্তৰ দিবা ? অৰ্থাৎ এনেকুৱা বিষয়সমূহ মান্য কৰাৰ কি প্ৰয়োজন যাৰ ভিত্তি কোৰাণ মজিদত বিদ্যমান নাই ? এইবাবে তোমালোকে ইছলাম আৰু আঁ-হজৰত (ছাঃ)ক কলঙ্কিত সাব্যস্ত কৰিবা। পূৰ্বৰ কিতাপসমূহত কোনো দৃষ্টান্ত বিদ্যমান নাই। সেই সকলো কিতাপসমূহৰ পৰা দলিল লোৱাটো নিষিদ্ধ নহয়। আঁ-হজৰত (ছাঃ) সম্পৰ্কে আল্লাহ তা'লা কয়,

(46:11) شَهِدَ شَاهِدٌ مِّنْ بَنِيٓ إِسْرَآءِيلَ

(অৰ্থ ঃ- ইজৰাইলৰ সতি -সন্ততিৰ এজনে তেওঁলোকৰ ভিতৰৰ আৱিৰ্ভাব সমৰ্থনত সাক্ষী দিয়ে।)

ইয়াৰ পিছত কৈছে,

كَفٰى بِاللّٰهِ شَهِيْدًاۢ بَيْنِيْ وَبَيْنَكُمْ ۙ

(13:44) وَمَنْ عِنْدَهٗ عِلْمُ الْكِتٰبِ ۝

(অৰ্থ ঃ- মোৰ আৰু তোমালোকৰ মাজত আল্লাহৰ সাক্ষী যথেষ্ট, যিজনৰ ধৰ্মগ্ৰন্থৰ জ্ঞান আছে।)

এইভাবে আল্লাহ তা'লা আন ঠাইত কয়,

(2:147) يَعْرِفُوْنَهٗ كَمَا يَعْرِفُوْنَ اَبْنَآءَهُمْ

(অৰ্থ ঃ- সিহঁতে নিজৰ পুতেকহঁতক চিনি পোৱাৰ দৰে তেওঁকো চিনি পায়।) (আল্লাহ তা’লা) যেতিয়া এইসমূহক আঁ-হজৰত (ছাঃ)ৰ নবুওত প্ৰমাণৰ কাৰণে উপস্থাপন কৰিছে তেতিয়া আমি এইবিলাকৰ পৰা দলিল লোৱাটো কিয় হাৰাম হৈ গ’ল ?

সেই সকলো কিতাপসমূহৰ মাজৰ পৰা মালাকী নবীৰ এটা অধ্যায় বাইবেলত আছে। সেইটোত মছীহৰ পূৰ্বে ইলিয়াছ নবীৰ দ্বিতীয়বাৰ আগমনৰ প্ৰতিশ্ৰুতি দিয়া হৈছিল। মছীহ ইবনে মৰিয়ম যেতিয়া আগমন কৰে তেতিয়া মালাকী নবীৰ সেই ভৱিষ্যৎবাণী অনুযায়ী হজৰত মছীহৰ ওচৰত ইলিয়াছৰ পুনৰ আগমনৰ প্ৰশ্ন ৰখা হয়। হজৰত মছীহ সিদ্ধান্ত দিলে, সেই আগমনকাৰী ইউহন্নাৰূপে আহি গৈছে।

দ্বিতীয়বাৰ আগমনৰ অৰ্থ কি সেইটো হজৰত ঈছা (আঃ)ৰ আদালতৰ পৰা সিদ্ধান্ত হৈ গৈছে। তাতে ইয়াহীয়াৰ নাম ইলিয়াছ সদৃশ্য ৰখা হোৱা নাই বৰং তাকেই ইলিয়াছ আখ্যা দিয়া হৈছে। এতিয়া এই কিয়াছও মোৰ সত্যায়ন কৰিছে। মই তো দৃষ্টান্ত উপস্থাপন কৰিছোঁ কিন্তু মোৰ অস্বীকাৰকাৰী সকলে কোনো দৃষ্টান্ত উপস্থাপন কৰা নাই। এই পৰ্যায়ত নিৰুপায় হৈ কেইবাজনো ব্যক্তিয়ে কয় যে, এই কিতাপসমূহ পৰিৱৰ্তিত আৰু পৰিবৰ্ধন হৈছে। পৰিতাপ ! এই ব্যক্তিসকল ইখিনিও নাজানে যে, আঁ-হজৰত (ছাঃ) আৰু চাহাবাসকল সেইসমূহৰ পৰা ছনদ গ্ৰহণ কৰিছিল। (উম্মতৰ) অধিকাংশ সন্মানিত ব্যক্তি এই কিতাপসমূহৰ পৰিৱৰ্তন অৰ্থবোধক হিচাপে লৈছে। বোখাৰী শ্বৰীফেও এয়াই কৈছে। ইয়াৰ বাহিৰে ইহুদী আৰু খৃষ্টানসকলৰ পৰস্পৰৰ সৈতে প্ৰাণৰ শত্ৰুতা আছে, কিতাপসমূহও পৃথক পৃথক। সিহঁতে (ইহুদীসকল) এতিয়াও বিশ্বাস কৰে ইলিয়াছ দ্বিতীয়বাৰ আগমন কৰিব। এই বাধা নাথাকিলে সিহঁতে মছীহক মানি ন’ললেহেঁতেন। মোৰ ওচৰত এজন বিজ্ঞ ইহুদীৰ কিতাপ আছে য’ত তেওঁ অত্যন্ত শক্তিশালীৰে আপীল কৰিছে, মোক যদি এই প্ৰশ্ন কৰা হয় তেন্তে মই মালাকী নবীৰ অধ্যায় খুলি সন্মুখত ৰাখি দিম। সেই অধ্যায়ত ইলিয়াছৰ দ্বিতীয়বাৰ আগমনৰ প্ৰতিশ্ৰুতি দিয়া আছে।

চিন্তা কৰি চোৱা লাখ লাখ ইহুদী সিহঁতৰ সেৱা কৰা সত্ত্বেও জাহান্নামী, গাহৰি আৰু বান্দৰ হ’ল। তেন্তে মোৰ মোকাবিলাত এই আপত্তি সঠিক হ’ব নে ? মছীহ

ইবনে মৰিয়মৰ বৰ্ণনাত ইহুদীসকল নিষ্কৃতি পাব পাৰে, কিয়নো সিহঁতৰ মাজত কোনো পূৰ্বৰ উপমা নাছিল কিন্তু এতিয়া কোনো আপত্তিৰ অৱকাশ নাই। মছীহৰ মৃত্যু কোৰাণ শ্বৰীফৰ পৰা প্ৰমাণিত। আঁ-হজৰত (ছাঃ)ৰ বৰ্ণনাই এইটোৰ সত্যায়ন কৰিছে। ইয়াৰ উপৰিও আগমনকাৰী সম্পৰ্কে কোৰাণ শ্বৰীফ আৰু হাদীছত **মীনকুম** (তোমালোকৰ মাজৰ পৰা) আহিছে। খোদা তা'লা মোক শূন্য হাতত পঠোৱা নাই মোৰ সত্যায়নৰ বাবে হাজাৰ হাজাৰ, লাখ লাখ নিৰ্দৰ্শন প্ৰকাশিত কৰিছে। এতিয়াও যদি কোনোবাই মোৰ ওচৰত ৪০ (চল্লিছ) দিন অৱস্থান কৰে তেতিয়া সেই নিদৰ্শন দেখিবলৈ পাব। লেখৰামৰ নিদৰ্শনটো মহান নিদৰ্শন, নিৰ্বোধসকলে কৈ থাকে মই হত্যা কৰোৱাইছোঁ এই আপত্তি যদি সঠিক হয় তেনেহলে এনেকুৱা নিদৰ্শনসমূহৰ ভৰসা উঠি যাব। কালি কোনোবাই হয়তো ক'ব পাৰে খছৰু পাৰভেজক (নাউজুবিল্লাহ)আঁ-হজৰত (ছাঃ)য়ে হত্যা কৰোৱাইছে। এনেকুৱা আপত্তি কৰাটো সৎ আৰু নিষ্ঠাবান ব্যক্তিৰ কাম নহয়।

সৰ্বশেষত আকৌ মই কৈছো যে, মোৰ নিদৰ্শনসমূহ অলপ নহয়, এক লাখৰো অধিক। মানুহ মোৰ নিদৰ্শনৰ সাক্ষী আৰু সিহঁত জীৱিত আছে। মোক অস্বীকাৰ কৰিবলৈ খৰ-ধৰ নকৰিবা, নতুবা মৃত্যুৰ পিছত কি উত্তৰ দিবা ? নিশ্চিত স্মৰণ ৰাখিবা খোদা তা'লা মূৰৰ ওপৰত আছে। সেইজনা সত্যবাদীক সত্যবাদী আৰু মিছলীয়াক মিছলীয়া সাব্যস্ত কৰে।

*